GPH S5 03(M)
EXAM CODE : PHM 5C

গ্রীক আৰু মধ্যযুগীয় দৰ্শন

পঞ্চম ষাণ্মাসিক

দৰ্শন

খণ্ড - ২



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক(অবসাৰপ্ৰাপ্ত) শিৱনাথ শর্মা, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক সৌৰভপ্ৰাণ গোস্বামী, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
শ্ৰীপ্ৰদীপ খাটনিয়াৰ, সহযোগী অধ্যাপক, দর্শন বিভাগ, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° তেজসা কলিতা, সহকাৰী অধ্যাপিকা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
৯,১০	ড° ৰূপজ্যোতি দত্ত	ড° ৰূপজ্যোতি দত্ত
১১,১২,১৩		
১৪,১৫	ড° নিৰুপমা মহন্ত	ড° নিৰুপমা মহন্ত

সন্দিকৈ ছোৰালী মহাবিদ্যালয়
সহযোগী অধ্যাপিকা(অবসাৰপ্ৰাপ্ত)

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° তেজসা কলিতা, ড° ভাস্কৰ ভট্টাচার্য্য,

ভাষা সম্পাদনা ঃ ড° তেজসা কলিতা, **ড° নিভা ৰাণী ফুকন**

গাঁথনিক সম্পাদনা ঃ ড° তেজসা কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰথম প্ৰকাশ ঃ জুলাই, ২০১৯

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্ৰন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্ৰণ বা ইয়াৰ যিকোনো অংশ প্ৰতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্ৰকাশ, প্ৰেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্ৰকাশিত।

এই শিক্ষণ সামগ্ৰী প্ৰস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

খণ্ড পৰিচয়

এই খণ্ডটিত সাতটা অধ্যায় আছে। নৱম অধ্যায়টো হ'ল **এৰিষ্টটলৰ আকাৰ আৰু উপাদানৰ সম্বন্ধ** ।এই অধ্যায়টোৱে আপোনালোকক আকাৰ আৰু উপাদানৰ অৰ্থৰ সৈতে পৰিচয় কৰাই দিব। গ্ৰীক দৰ্শনত বিশেষকৈ প্লেটো আৰু এৰিষ্টটলৰ দৰ্শনত আকাৰ আৰু উপাদানৰ ধাৰণাই এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। অৱশ্যে এৰিষ্টটলৰ দৰ্শনতহে বিশেষভাৱে ইয়াৰ ক্ৰমবিকাশ ঘটিছিল।

দশম অধ্যায়টো হ'ল **এৰিষ্ট'টল ঃ কার্যকাৰণ মতবাদ**। এই অধ্যায়টোৱে আপোনালোকক কার্যকাৰণবাদৰ ইতিহাস আৰু এৰিষ্ট'টলৰ কার্যকাৰণ মতবাদৰ লগত পৰিচয় কৰাই দিব। এৰিষ্ট'টল আছিল তেওঁৰ সময়ৰ এজন অতি প্ৰেৰণাদায়ক আৰু বাটকটীয়া দার্শনিক। কার্যকাৰণ আছিল তেওঁৰ দৰ্শনৰ, প্ৰতিদিনৰ ঘটনা, শাৰীৰিক সত্বা আৰু সমগ্ৰ বিশ্ব দুয়োটাৱে প্ৰাথমিক কেন্দ্ৰস্থান।

একাদশ অধ্যায়টো হ'ল **আগষ্টিন ঃ অহিতৰ সমস্যা**। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি সন্ত আগষ্টিনৰ চমু পৰিচয় জানিব পাৰিব,অহিত বা অমঙ্গলৰ ব্যাখ্যা জানিব পাৰিব, অহিতৰ বাস্তৱিক সত্যতা আৰু সামগ্ৰিকভাৱে অস্তিত্বহীনতাৰ বিষয়ে জানিব পাৰিব, শাৰীৰিক আৰু নৈতিক অহিত আৰু অহিত সম্বন্ধেতিনিটা মতৰবিষয়ে জানিব পাৰিব আৰু ঈশ্বৰ আৰু অহিতৰ সম্পর্কৰবিষয়ে আগষ্টিনৰ মত জানিব পাৰিব।

দ্বাদশ অধ্যায়টো হ'ল **আগষ্টিন ঃ জ্ঞানৰ মতবাদ**। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি চেইণ্ট আগষ্টিনৰ চমু পৰিচয় জানিব পাৰিব, আগষ্টিনে মধ্যযুগৰ পাশ্চাত্য দৰ্শনৰ ধর্মীয় গোড়ামিৰ ঠাইত কিদৰে প্লেটবাদ আৰু যুক্তিবাদৰ প্ৰৱর্তন কৰিছিল, এই বিষয়ে জানিব পাৰিব, আগষ্টিনৰ মতে বিশ্বস, যুক্তি আৰু প্ৰজ্ঞানৰ ধাৰণাৰ বিষয়ে জানিব পাৰিব আৰু আগষ্টিনৰ মতে সত্যৰ বস্তুনিষ্ঠতা আৰু সত্যৰ উৎপত্তিস্থল, ঈশ্বৰৰ বিষয়ে জানিব পাৰিব।

ত্ৰয়োদশ অধ্যায়টো হ'ল **এন্‌চেল্‌মৰ ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণ।** এই অধ্যায়টি অধ্যয়ন কৰি আপুনি সন্ত এন্‌চেল্‌মৰ চমু পৰিচয় জানিব পাৰিব, ঈশ্বৰৰ অস্তিত্বপ্ৰমাণৰ প্ৰয়োযনীয়তাৰ বিষয়ে জানিব পাৰিব, এন্‌চেল্‌মে আগবঢ়োয়া তাত্ত্বিক যুক্তি আৰু অন্যান্য দার্শনিক সকলৰ প্ৰতিক্ৰিয়া সম্বন্ধে জানিব পাৰিব আৰু ডেকার্টে কিদৰে তাত্ত্বিক যুক্তিক ব্যাখ্যা কৰিছিল জানিব পাৰিব।

চর্তুদশ অধ্যায়টো হ'ল **চেইণ্ট থমাচ একুইনাচ ঃ জ্ঞানৰ মতবাদ** ।এই অধ্যায়টি অধ্যয়ন কৰি আপুনি চেইণ্ট একুইনাচৰ দর্শন জগতলৈ কি অৱদান, এই বিষয়ে জানিব পাৰিব, অস্তিত্বশীল জগতৰ উপলব্ধিৰ জৰিয়তে পৰম সত্তাৰ জ্ঞান লাভৰ বিষয়ে জানিব পাৰিব, জীৱাত্মাৰ ভিন ভিন বৃত্তি আৰু কর্মৰ বিষয়ে জানিব পাৰিব আৰু জ্ঞান আহৰণৰ বাবে সংবেদনাত্মক আৰু ধাৰণাত্মক দিশৰ প্ৰয়োজনীয়তাৰ বিষয়ে জানিব পাৰিব।

পঞ্চদশ অধ্যায়টো হ'ল **'একুইনাচৰ ধর্মীয় ভাষা সম্বন্ধীয় সাদৃশ্য মূলক মতবাদ**। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি চেইণ্ট থমাচ একুইনাচৰ দর্শন, ৰাজনীতি, আইনআদি বিভিন্ন বিষয়ৰ প্ৰতি থকা অনুসন্ধিৎসু মনৰ পৰিচয় পাব, লৌকিক জীৱনৰ ভাষা আৰু ধর্মীয় জীৱনৰ ভাষা একে হোৱাৰ পৰা কি সমস্যাৰ উদ্ভৱ হয়এইবিষয়ে জানিব পাৰিব, একুইনাচৰ 'সাদৃশ্যমূলক মতবাদ' কি দৰে ধর্মীয় ভাষা জনিত সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা কৰিছিল, এই বিষয়ে জানিব পাৰিব আৰু গুণবাচক বিশেষণবোৰ জীৱৰ স্ৰষ্টা আৰু সৃষ্টজীৱৰ ক্ষেত্ৰত একে অর্থ বা ভিন্ন অর্থত প্ৰযোজ্য নহয়, সাদৃশ্যাত্মক ৰূপেহে প্ৰযোজ্য হয়, এই বিষয়ে জানিব পাৰিব।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আৰ্হি প্রশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

অধ্যায় ৯ ঃ **এৰিষ্টটলৰ আকাৰ আৰু উপাদানৰ সম্বন্ধ** ১-৮

আকাৰ আৰু উপাদানঃ অর্থ, আকাৰ আৰু উপাদানঃ এৰিষ্টটলৰ মতামত, আকাৰ আৰু উপাদানৰ মাজৰ সম্বন্ধ, আকাৰ আৰু উপাদানৰ মাজত থকা প্রভেদ

অধ্যায় ১০ ঃ **এৰিষ্ট'টল ঃ কার্যকাৰণ মতবাদ** ৯-১৯

কার্যকাৰণ সাধাৰণ ঃ অর্থ, কার্যকাৰণ মতবাদৰ ইতিহাস, এৰিষ্টটল ঃ কার্যকাৰণ মতবাদ, কার্যকাৰণ মতবাদৰ সমালোচনাত্মক আলোচনা

অধ্যায় ১১ ঃ **আগষ্টিন ঃ অহিতৰ সমস্যা** ২০-৩০

অহিত বা অমঙ্গলৰ ব্যাখ্যা, আগষ্টিনৰ অহিত সম্বন্ধে মত, আগষ্টিনৰ সিদ্ধান্ত, দুই প্রকাৰৰ অহিত, ঈশ্বৰ আৰু অহিতৰ সম্পর্কত আগষ্টিনৰ মত, নৈতিক অহিতৰ ধর্মীয় ব্যাখ্যা

অধ্যায় ১২ ঃ **আগষ্টিন ঃ জ্ঞানৰ মতবাদ** ৩১-৪০

মধ্যযুগীয় পাশ্চাত্য দর্শনত যুক্তিবাদৰ প্রৱর্তন, সত্যৰ বস্তুনিষ্ঠতা আৰু ঈশ্বৰৰ পৰা সত্যৰ উৎপত্তি,পৃথিৱী সৃষ্টিৰ তিনিটা ব্যাখ্যা, আত্মাৰ তিনিটা অবিচ্ছেদ্য দিশ, সংবেদন, শ্বাশ্বত ধাৰণাত ধ্যান আৰু শেষত প্রজ্ঞান লাভৰ চেষ্টা

অধ্যায় ১৩ ঃ **এন্‌চেল্‌মৰ ঈশ্বৰৰ অস্তিত্বৰ প্রমাণ** ৪১-৫১

ঈশ্বৰৰ অস্তিত্ব প্রমাণৰ প্রয়োজনীয়তা, এন্‌চেল্‌মৰ তাত্তিক প্রমাণ অথবা তাত্ত্বিক যুক্তি, তাত্ত্বিক যুক্তিৰ প্রতি দার্শনিক সকলৰ প্রতিক্রিয়া, এন্‌চেল্‌ম আৰু কিছু সাল-সলনি সহকাৰে ডেকার্টৰ দ্বাৰা তাত্ত্বিক যুক্তিৰ ব্যাখ্যা, তাত্ত্বিক যুক্তিবিৰোধীৰ অভিযোগবোৰ, এন্‌চেল্‌মৰ দ্বাৰা অভিযোগৰ খণ্ডন

অধ্যায় ১৪ঃ **চেইণ্ট থমাচ একুইনাচ ঃ জ্ঞানৰ মতবাদ** ৫২-৬২

একুইনাচৰ ওপৰত এৰিষ্ট'টলৰপ্রভাৱ, খ্রীষ্টান ধর্মৰ ঈশ্বৰতত্ব গঠন, ধাৰণাবাদ আৰু অভিজ্ঞতাবাদৰ স্বীকৃতি আৰু ব্যাখ্যা, অস্তিত্বশীল জগতখনৰ উপলব্ধিৰ যোগেদি পৰমসত্তাৰ জ্ঞান লাভ, প্রত্যক্ষৰ দ্বাৰা ব্যহ্যিক পৃথিৱীৰ সৈতে সংযোগ স্থাপন আৰু বিশেষ বস্তুত নিহিত হৈ থকা আকাৰবোৰৰ নিষ্কাসন, জীৱাত্মাৰ ভিন ভিন বৃত্তি

অধ্যায় ১৫ ঃ **একুইনাচৰ ধর্মীয় ভাষা সম্বন্ধীয় সাদৃশ্য মূলক মতবাদ** ৬৩-৭০

লৌকিক জীৱনত ব্যৱহৃত ভাষা আৰু শব্দবোৰ ধর্মীয় প্রসঙ্গত প্রয়োগ , চেইণ্ট থমাচ একুইনাচৰ ‘সাদৃশ্যমূলক মতবাদ’, উর্ধমুখী সাদৃশ্য হ’ল মানুহৰ পৰা ঈশ্বৰৰ দিশলৈ গতি কৰা সাদৃশ্য, ঈশ্বৰৰ গুণৰাজিৰ বিষয়ে আমি জ্ঞান লাভ কৰাটো সম্ভৱ নহয়

অধ্যায় ৯ ঃ আকাৰ আৰু উপাদানৰ সম্বন্ধ ঃ

অধ্যায় গাঁথনি ঃ

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ আকাৰ আৰু উপাদানঃ অর্থ

৯.৪ আকাৰ আৰু উপাদানঃ এৰিষ্টটলৰ মতামত

৯.৫ আকাৰ আৰু উপাদানৰ মাজৰ সম্বন্ধ

৯.৬ আকাৰ আৰু উপাদানৰ মাজত থকা প্ৰভেদ

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্ৰগতিৰ খতিয়ান

৯.১০ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য ঃ

এই অধ্যায়টি অধ্যয়নৰ পিছত আপোনালোকে সক্ষম হ'ব —

- আকাৰ আৰু উপাদান সম্পৰ্কে জানিবলৈ।
- আকাৰ আৰু উপাদানৰ অর্থ বুজিবলৈ।
- আকাৰ আৰু উপাদান সম্পৰ্কে এৰিষ্টটলৰ মত ব্যাখ্যা কৰিবলৈ।
- আকাৰ আৰু উপাদানৰ মাজৰ সম্পৰ্ক আলোচনা কৰিবলৈ।
- আকাৰ আৰু উপাদানৰ মাজত প্ৰভেদ আছে নে নাই তাৰ বিচাৰ কৰিবলৈ।

৯.২ পৰিচয় ঃ

এই অধ্যায়টোৱে আপোনালোকক আকাৰ আৰু উপাদানৰ অর্থৰ সৈতে পৰিচয় কৰাই দিব। গ্ৰীক দর্শনত বিশেষকৈ প্লেটো আৰু এৰিষ্টটলৰ দর্শনত আকাৰ আৰু উপাদানৰ ধাৰণাই এক গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আহিছে। অৱশ্যে এৰিষ্টটলৰ দর্শনতহে বিশেষভাৱে ইয়াৰ ক্ৰমবিকাশ ঘটিছিল।

আকাৰ আৰু উপাদানৰ ধাৰণাই এক প্ৰাথমিক দ্বিমত ব্যাখ্যা কৰে— সকলো অস্তিত্বৰ কোনো এটা বস্তুৰ অনিবার্যতাৰ (আকাৰ) আৰু সামগ্ৰীসমূহ যাৰদ্বাৰা বস্তুটো গঠন কৰা হয়। এইধৰণৰ দ্বিমতৰ অস্তিত্বক বহলভাৱে অৱলম্বন কৰা হয়। কিন্তু আকাৰ আৰু উপাদানৰ সূত্ৰসমূহ দর্শনৰ ইতিহাসত ভিন্ন ভিন্ন হোৱা দেখা যায়।

৯.৩ আকাৰ আৰু উপাদান ঃ অর্থ ঃ

সাধাৰণতে, আকাৰ আৰু উপাদান পৰম্পৰাগত দর্শন, বিশেষকৈ প্লেটো আৰু এৰিষ্টটলৰ দর্শনৰ পৰা লোৱা হৈছে। প্লেটোৰ দর্শনত, গ্রীক শব্দ 'এইড'ছ' (eidos) ৰ পৰা আকাৰ শব্দটো আহিছে আৰু মাজে মাজে 'ধাৰণা' বা অনিবার্যতাৰূপে অনুবাদ কৰা হয় আৰু কোনো এটা বস্তুৰ প্রাৰম্ভিক 'প্রয়োজনীয়তা' হিচাপে উল্লেখ কৰা হয়। প্লেটোৰ দৰে, এৰিষ্টটলেও আকাৰক অনিবার্যৰ লগত সংগত কৰিছিল কিন্তু আকাৰ আৰু উপাদানৰ মাজত প্রভেদ আনিছিল। ইয়াত আকাৰক কোনো এটা বস্তুৰ জৈৰিক গঠন বা অনিবার্য সিদ্ধান্ত হিচাপে উল্লেখ কৰা হয়। আৰু উপাদান হ'ল যাৰদ্বাৰা কোনো বস্তু বনোৱা হয়।

উপাদান হ'ল এক তৰপ (substrate)য'ৰ পৰা শাৰীৰিক অস্তিত্বৰ উৎপত্তি হয়। ইংৰাজী 'matter' শব্দটো লেটিন শব্দ 'materia' ৰ পৰা লোৱা হৈছে। 'materia' শব্দৰ অর্থ হ'ল 'wood' বা 'timber'। এই অর্থত 'materia' শব্দটো 'mind' বা 'form' ৰ পৰা পৃথক। 'form' (আকাৰ) শব্দটো দর্শন আৰু সৌন্দর্যবিদ্যাৰ ইতিহাসত বিভিন্ন ৰূপত ব্যৱহৃত হৈ আহিছে। ইয়াক প্রথমতে 'প্লেটোৰ' 'eidos' হিচাপে প্রয়োগ কৰা হৈছিল। এই পদটোৰ জৰিয়তে প্লেটোই স্থায়ী সত্তা যি কোনো বস্তু যি সেই ৰূপ দিয়ে তাৰ লগত একাত্মৰূপে বর্ণনা কৰে তুলনামূলকভাৱে বিশেষসমূহ যিবোৰ সসীম আৰু সলনি হৈ থাকে।



অগ্রগতি নিৰীক্ষণ

(১) আকাৰ আৰু উপাদান কি?

(২) 'matter' শব্দটো কি ভাষাৰ পৰা উৎপত্তি হৈছে?

৯.৪ আকাৰ আৰু উপাদান ঃ এৰিষ্টটলৰ মতামত ঃ

এৰিষ্টটলে তেওঁৰ পদার্থবিজ্ঞানৰ (Physics) প্রথম গ্রন্থতে আকাৰ আৰু উপাদানৰ সৈতে পৰিচয় কৰাই দিছিল। তেওঁৰ মতে, আকাৰ আৰু উপাদান হ'ল সহ নীতি যাৰ সঁচা আৰু প্রকৃত বস্তুবোৰ গঠন কৰা হয়। এৰিষ্টটলে যুক্তি দর্শাইছিল যে আকাৰ যাক তেওঁ মাজে মাজে অবিচ্ছেদ্যতাৰ লগত সমান বুলি কৈছিল ই প্রকৃত বস্তুত নিহিত থাকে। সিহঁতক সামান্য হিচাপে জানিবলৈ হ'লে সচাঁ অর্থত মূল্যবান বা প্রয়োজনীয় বস্তুৰ সাৰাংশ প্রস্তুত কৰিবলৈ মানৰ মনক বুদ্ধিগত শক্তিৰ লগত সজোৱা হয়। তেওঁৰ মতে, আকাৰ হ'ল এক নিশ্চিত গঠন যি বস্তুবোৰক সিহঁতৰ অনিবার্য লক্ষণসমূহ প্রদান কৰে। আনহাতে উপাদান হ'ল চুড়ান্ত সামগ্রী যাৰদ্বাৰা সকলো বস্তু তৈয়াৰ কৰা হয়। ইয়াৰ পৰাই এৰিষ্টটলে তেওঁৰ 'Hylomorphism' মতবাদটোৰ ক্রমবিকাশ ঘটায়। এই মতবাদটোৱে সকলো প্রকৃত বস্তু বা দ্রব্যক আকাৰ আৰু উপাদানৰ নীতিৰ সহায়ত ব্যাখ্যা কৰে।

এৰিষ্টটলে বিশ্বাস কৰে যে সকলো পার্থিৱ দ্রবই হ'ল আকাৰ আৰু উপাদান। তেওঁৰ বাবে, আকাৰ আৰু উপাদান দ্রব্যসমূহৰ পার্থিৱ অংশ নহয়। উপাদানক দ্রব্যত আকাৰ দিয়া হয়। আমি এজোপা বিশেষ গছৰ কথা ধৰি ল'লো। গছজোপা এক পার্থিৱ দ্রব্য। গতিকে ইয়াৰ আকাৰ আৰু উপাদান দুয়োটাই আছে। গছজোপাৰ স্থিতি আৰু প্রকৃতি হ'ল গছজোপাৰ আকাৰ। গতিকে এজোপা গছৰ অন্তর্নিহিত নীতি আছে যি গছজোপা ডাঙৰ হোৱাৰ লগে লগে সলনি হয়। ই প্রকৃতিৰ পৰা পোষক দ্রব্যসমূহ আহৰণ কৰে, বেয়াবোৰ আঁতৰায় আৰু বৃদ্ধি হৈ থাকে। এই সকলোবোৰ প্রক্রিয়াই গছজোপাৰ এক অংশ। প্রকৃত গছজোপাৰ পৰা গছজোপাৰ এই ক্রিয়াবোৰক পৃথক কৰাটো সম্ভৰ নহয়। যদিওবা ই পৰমানুৰ পর্যায়ত সম্ভৰ হয়। গছজোপাৰ কোষবোৰ হৈছে গছ-কোষ যিবোৰে বিশেষ গছজোপাৰ ক্ষেত্রত প্রয়োজনীয় ক্রিয়াবোৰ সংঘটিত কৰে। পৰমানুবোৰ এনেদৰে এটা আদর্শৰে লগ হৈ থাকে যাৰ কোনো ব্যক্তিগত পৰমানুতকৈ বিভিন্ন লক্ষণসমূহ থাকে, যি গছজোপাৰ প্রয়োজনবোৰ পূৰণ কৰে। সকলো পর্যায়তে গছজোপাৰ আকাৰে গছজোপাৰ প্রত্যেক স্বাভাৱিক অংশৰ লক্ষণ আৰু ক্রিয়াসমূহক নিশ্চিত কৰে। মাত্র গছজোপাৰ দ্বাৰা উপাদান নিশ্চিত কৰা হয়। বিশেষ ক্রিয়া আৰু লক্ষণসমূহ দৃষ্টিগোচৰ কৰাৰ বাবে। এয়াই আকাৰ আৰু উপাদান সম্পর্কে এৰিষ্টটলৰ ধাৰণা।

এৰিষ্টটলে এইটোও বিশ্বাস কৰিছিল যে, এক আকাৰ অবিহনে উপাদানৰ কোনো লক্ষণ বা ক্রিয়া নাথাকে। তেওঁ মুখ্য উপাদানত বিশ্বাস কৰা নাছিল। কিয়নো কোনো বস্তুৰ কোনো লক্ষণ বা ক্রিয়াযুক্ত নোহোৱাকৈ অস্তিত্ব নাথাকে। সেইকাৰনে প্রত্যেক পার্থিৱ বস্তুৰে একোটা আকাৰ থাকে।



জানি থোৱা ভাল

আকাৰ আৰু উপাদানৰ এৰিষ্টটলীয়ান ধাৰণাটো স্কলষ্টিকসকলে গ্রহণ কৰিছিল। এৰিষ্টটলৰ অতি বিখ্যাত ব্যৱহাৰ আৰু অতিৰিক্ত ক্রমবিকাশ থমাছ একুইনাছে গঠন কৰিছিল। একুইনাছে ব্যক্ত কৰিছিল যে, উপাদানে আত্মাভিমানৰ নীতিক প্রদান কৰে। সেয়েহে, এটা কুকুৰক আন এটাৰ পৰা যি পৃথক কৰিব পাৰে, সি আকাৰ নহয় উপাদানহে।



অগ্রগতি নিৰীক্ষণ

(৩) এৰিষ্টটলৰ মতে আকাৰ আৰু উপাদান কি?

(৪) Hylomorphism কি?

(৫) সত্য বা অসত্য বিচাৰ কৰা—

(ক) এৰিষ্টটলে বিশ্বাস কৰা নাছিল যে সকলো পার্থিৱ দ্রব্যবোৰ আকাৰ আৰু উপাদান।

(খ) এৰিষ্টটলৰ বাবে, আকাৰ অবিহনে উপাদানৰ কোনো লক্ষণ বা ক্ৰিয়া নাথাকে।

৯.৫ আকাৰ আৰু উপাদানৰ মাজৰ সম্বন্ধ ঃ

আকাৰ আৰু উপাদানৰ মাজৰ সম্বন্ধ সম্পৰ্কে এৰিষ্টটলে বিখ্যাত যুক্তি দৰ্শাইছিল যে প্ৰত্যেক শাৰীৰিক বস্তুৱেই আকাৰ আৰু উপাদানৰ সংমিশ্ৰণ। তেওঁ 'Metaphysics' গ্ৰন্থখনত যুক্তি প্ৰদৰ্শন কৰিছিল যে, আকাৰে কিছুমান উপাদানক এটা বিষয় যি দুটাৰ সংমিশ্ৰন তাৰ লগত সংযুক্ত কৰে। এৰিষ্টটলে ইয়াক তেওঁৰ De Anima ৰ ক্ষেত্ৰত প্ৰয়োগ কৰিছিল। আত্মা আৰু শৰীৰক আকাৰ আৰু উপাদানৰ এক বিশেষ ঘটনা হিচাপে ব্যৱহাৰ কৰিছিল আৰু উপাদানৰ অবিহনে আকাৰক অভৰ্থনাৰূপে বিশ্লেষণ কৰিছিল

এৰিষ্টটলৰ মতে, প্ৰত্যেক পাৰ্থিৱ দ্ৰব্যৰ দুটা উপাদান, আকাৰে দ্ৰব্যৰ যি ৰূপ সেই ৰূপত গঠন কৰে আৰু উপাদান আকাৰত অৰ্ন্তনিহিত হৈ থাকে। তেওঁ উপাদানৰ সংজ্ঞা এনেদৰে দিছে যে যি নিজে 'এইটো' নহয় আৰু আকাৰ হ'ল এক গুনসম্পন্ন বস্তু যাক এটা বস্তু বুলি ক'ব পাৰি। আকাৰ সঁচা অৰ্থত সলনি হয় আনহাতে উপাদান সলনি নহয়, ই স্থিৰ। আকাৰে বিষয়বস্তু এটাৰ যি ৰূপ তাক গঠন কৰে আৰু ই বাস্তৱিকতাৰ লগত সমাৰ্থক। আনহাতে উপাদান সম্ভাৱনীয়তাৰ সৈতে সমাৰ্থক। আকৌ আকাৰে কোনো এক দ্ৰব্যৰ স্বভাৱক নিৰ্ণয় কৰে ই যুক্তিৰ লগত জড়িত আৰু উপাদান কোনো দলৰ (genus) ৰ লগতহে জড়িত।


এৰিষ্টটলৰ Metaphysics ত, উপাদানতকৈ আকাৰে মুখ্য ভূমিকা পালন কৰে। তেওংৰ মতে উপাদান হ'ল অবিভক্ত, প্ৰাথমিক মৌল যাৰদ্বাৰা সকলোবোৰ বস্তু গঠন কৰা হয়। ই নিজে কোনো বস্তু নহয়। কাৰণ যিকোনো এটা বস্তু হ'বলৈ হ'লে ই কিছুমান আকাৰযুক্ত হ'ব লাগিব। সেয়েহে আকাৰ অবিহনে উপাদানৰ অস্তিত্ব নাথাকে। এৰিষ্টটলৰ ভাষাত, উপাদান হ'ল বাস্তৱিকতাৰ তুলনাত শুদ্ধ সম্ভাৱনীয়তাহে। বিশুদ্ধ বা মুখ্য উপাদান হ'ল এক সম্ভাৱনাপূৰ্ণ আকাৰ যাৰদ্বাৰা বস্তুবোৰৰ ক্ৰমবিকাশ হয় কোনো বাস্তৱ বস্তুৰ অবিহনে।

এৰিষ্টটলে অপৰিবৰ্তনশীল নিত্য আকাৰসমূহক, শিক্ষকৰ আদৰ্শবাদী নীতিসমূহক ধাৰণা কৰিছিল কিন্তু তেওঁলোকৰ শ্ৰেষ্ঠত্বক অস্বীকাৰ কৰিছিল। তেওঁ সেইবিলাকক স্বৰ্গৰ পৰা পৃথিৱীলৈ নমাই আনিছিল। আকাৰবোৰ বস্তুৰ পৰা পৃথক নহয় — সিহঁতৰ অন্তনিৰ্হিত। সিহঁত পাৰমাৰ্থিক নহয় কিন্তু পাৰ্থিৱ। আকাৰ আৰু উপাদান পৃথক নহয় কিন্তু নিত্যভাৱে সংযুক্ত। উপাদানে আকাৰৰ লগত যুক্ত হৈ বিশিষ্ট বস্তু গঠন কৰে, প্ৰত্যেক বিশিষ্ট বস্তুৱেই গতিকৰে আৰু পৰিবৰ্তন হয়, বৃদ্ধি বা বিকাশ হয়। ইয়াৰ আকাৰৰ নিয়ন্ত্ৰণ আৰু নিৰ্দেশনাত। গতিকে উপাদান আৰু আকাৰ দুয়োটা ইটো-সিটোৰ লগত জড়িত।



অগ্রগতি নিৰীক্ষণ

(৬) এৰিষ্টটলৰ মতে, আকাৰ আৰু উপাদানৰ কি কি দিশত সম্বন্ধযুক্ত ?



জানি থোৱা ভাল

Plotinus (প্লটিনাছ) ঃ Neoplatonists

(নিঅ'প্লেট'নিছ্‌টছ) ৰ প্রথমজন দার্শনিক যি এৰিষ্টটলৰ ধাৰণাৰ আকাৰ হ'ল যুক্তিসংগত তাক উপাদান দলযুক্ত বুলি গ্রহণ কৰিছিল। তেওঁ সমর্থন কৰিছিল যে, অপার্থিৰ দ্রব্যবোৰ সিহঁতক দলযুক্ত বুলিও বর্ণনা কৰিব পাৰি আৰু যুক্তিসমূহ আকাৰ আৰু উপাদানৰদ্বাৰা ও গঠন কৰা হয়। তাত এটা আধ্যাত্মিক উপাদান থাকে যাৰদ্বাৰা শাৰীৰিক অস্তিত্ব নথকা দ্রব্যবোৰ গঠন কৰা হয়। কেৱলমাত্র ঈশ্বৰেই আকাৰ আৰু উপাদানৰ দ্বাৰা গঠিত নহয়।

৯.৬ আকাৰ আৰু উপাদানৰ মাজত কোনো পার্থক্য আছে নেকি ঃ

পোনপ্রথমে এৰিষ্টটলেই স্পষ্টভাৱে আকাৰ আৰু উপাদানৰ মাজত প্রভেদ দর্শাইছিল। তথাপি প্লেটোৰ আকাৰ সম্পর্কীয় মতবাদত পৰোক্ষভাৱে হ'লেও এই প্রভেদ দেখা পোৱা যায়। প্লেটোৰ মতে, কোনো বিশেষ পার্থিৰ বস্তু, যেনেকৈ, এটা প্রকৃত কুকুৰ, এক পৰিবর্তিত বিষয়। বিশেষ কুকুৰটো মৃত্যু হ'ব পাৰে আৰু যেতিয়া তাৰ মৃত্যু হয় তেতিয়া ই কুকুৰ হৈ নাথাকে — তেতিয়া ই প্রকৃততে মৃত উপাদান হৈ যায়। যদিওবা কুকুৰৰ ধাৰণাটো সলনি নহয়। ই নিত্য বা শাশ্বত। সেয়েহে প্লেটোৰ মতে, আকাৰৰ ধাৰণাটো এক উচ্চ স্তৰৰ। তেতিয়া সেই বিশেষ দ্রব্যবোৰ বা সকলো প্রকৃত কুকুৰেই অপৰিবর্তনীয় আৰু শাশ্বত আকাৰত অংশগ্রহণ কৰে।

এৰিষ্টটলে প্লেটোৰ আকাৰ সম্পর্কীয় মতবাদক সমালোচনা কৰিছিল কাৰণ এই উচ্চ পৰিমণ্ডলক স্থান দিছিল য'ত শাশ্বত ধাৰণাবোৰ অস্তিত্বশীল বুলি ধৰি লোৱা হৈছিল। আনহাতে, এৰিষ্টটলে যুক্তি দিছিল যে প্রকৃত বস্তুত আকাৰৰ অস্তিত্ব থাকে। গতিকে আকাৰ হ'ল নিশ্চিত গঠন বা বিশেষ বৈশিষ্ট অর্থাৎ মর্ফ (morphe) যি সিহঁতৰ অনিবার্য লক্ষণসমূহ বা দিশসমূহ প্রদান কৰে। যদিও উপাদানেই হৈঠে চুড়ান্ত সামগ্রী বা দ্রব্য যাৰদ্বাৰা সকলো বস্তু তৈয়াৰ কৰা হয়। সেয়েহে এৰিষ্টটলে মতপোষণ কৰিছিল যে আকাৰ কেৱল ব্যক্তিগত দ্রব্যতহে অস্তিত্বশীল, কিন্তু কোনো এক পৃথক বিশুদ্ধ সত্বা বা ধাৰণাত ই নাথাকে। উপাদান হ'ল এক নীতি যি আকাৰৰ লগত সম্বন্ধযুক্ত, যেনেকৈ সম্ভাৱনীয়তা ইয়াৰ বাস্তৱীকতাৰ লগত সম্বন্ধিত।



অগ্রগতি নিৰীক্ষণ

(৭) প্লেটোৰ আকাৰ সম্পৰ্কীয় মতবাদটো কোনে সমালোচনা কৰিছিল?



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো ঃ

- পাশ্চাত্য দর্শনত বিশেষকৈ প্লেটো আৰু এৰিষ্টটলৰ দর্শনত আকাৰ আৰু উপাদান তত্ব দুটাই এক সুকীয়া স্থান দখল কৰি আছে।
- এৰিষ্টটল হ'ল প্রথমজন দার্শনিক যি আকাৰ আৰু উপাদানৰ মাজত প্রভেদ ব্যাখ্যা কৰিছিল।
- তেওঁ প্লেটোৰ আকাৰ সম্পৰ্কীয় মতবাদক সমালোচনা কৰিছিল। প্লেটোৰ মতে, গ্রীক শব্দ 'এইড'ছ' (eidos) ৰ পৰা আকাৰ শব্দটো আহিছে আৰু মাজে মাজে যাক কোনো এটা বস্তুৰ প্রাৰম্ভিক 'whatness' হিচাপে উল্লেখ কৰা হয়।
- প্লেটোৰ দৰে, এৰিষ্টটলেও আকাৰক অনিবার্যৰ লগত সংগত কৰিছিল কিন্তু আকাৰ আৰু উপাদানৰ মাজত প্রভেদ আনিছিল।
- তেওঁৰ মতে, আকাৰ হ'ল এক নিশ্চিত গঠন যি বস্তুবোৰক সিহঁতৰ অনিবার্য লক্ষণসমূহ প্রদান কৰে।
- আনহাতে উপাদান হ'ল চুড়ান্ত সামগ্রী যাৰদ্বাৰা সকলো বস্তু তৈয়াৰ কৰা হয়।
- ইয়াৰপৰাই এৰিষ্টটলে তেওঁৰ 'Hylomorphism' মতবাদটোৰ ক্রমবিকাশ ঘটায়।
- এই মতবাদটোৱে সকলো প্রকৃত বস্তু বা দ্রব্যক আকাৰ আৰু উপাদানৰ নীতিৰ সহায়ত ব্যাখ্যা কৰে।

  এৰিষ্টটলে বিশ্বাস কৰিছিল যে এক আকাৰ অবিহনে উপাদানৰ কোনো লক্ষণ বা ক্রিয়া নাথাকে। গতিকে, সকলো পার্থিৱ বস্তুৰে এক আকাৰ থাকে। বস্তুৰ পৰা আকাৰ পৃথক নহয়। কিন্তু বস্তুৰ মাজত অর্ন্তনিহিত হৈ থাকে। সিহঁত পাৰমার্থিক নহয় কিন্তু পার্থিৱ। আকাৰ আৰু উপাদান পৃথক নহয় কিন্তু নিত্যভাৱে সংযুক্ত।



৯.৮ অধিক জানিবলৈ ঃ

(1) Aristotle ঃ The Basic Works of Aristotle. Ed. Richard Mckeon. New York ঃ Random House 1941.
(2) The Internel Encyclopedia of Philosophy.
(3) Wolfson H.A. Crescas' Critique of Aristotle 1929.
(4) Thilly Frank ঃ A History of Philosophy Central Publishing House, Allahabad, 1984.

৯.৯ অগ্রগতিৰ খতিয়ানৰ ঃ

(১) এৰিষ্টটলৰ মতে, আকাৰ বুলি ক'লে কোনো এটা বস্তুৰ বিশুদ্ধ বা জৈৱিক গঠনকে বুজা যায়। আৰু উপাদান হ'ল যাৰদ্বাৰা বহুটো গঢ় দিয়া হয়।

(২) 'matter' শব্দটো লেটিন ভাষাৰ 'materia' শব্দৰ পৰা লোৱা হৈছে।

(৩) এৰিষ্টটলৰ মতে, আকাৰ আৰু উপাদান হ'ল সহঃনীতি যাৰ সঁচা আৰু প্রকৃত বস্তুবোৰ গঠন কৰা হয়। তেওঁৰ মতে, আকাৰ হ'ল এক নিশ্চিত গঠন যি বস্তুবোৰক সিহঁতৰ অনিবার্য লক্ষণসমূহ প্রদান কৰে। আনহাতে উপাদান হ'ল 'চুড়ান্ত সামগ্রী' যাৰদ্বাৰা সকলো বস্তু তৈয়াৰ কৰা হয়।

(৪) 'Hylomorphism' মতবাদটো ক্রমবিকাশ ঘটিছিল গ্রীক দার্শনিক এৰিষ্টটলে। ই সত্বাক আকাৰ আৰু উপাদানৰ যৌগ হিচাপে গ্রহণ কৰিছিল। এৰিষ্টটলৰ দর্শনৰ প্রকৃতিৰ কেন্দ্রীয় মতবাদ আছিল Hylomorphism এই মতবাদটো। এই মতবাদটোৰ মতে, প্রত্যেক জন্মগত শৰীৰেই দুটা আভ্যন্তৰিক নীতিৰদ্বাৰা গঠিত, এটা সম্ভাৱনীয়তা যাক প্রাথমিক উপাদান আৰু আনটো বাস্তৱিক উপাদান যাক প্রকৃত আকাৰ বুলি কোৱা হয়।

(৫) (ক) মিছা

(খ) সঁচা

(৬) এৰিষ্টটলৰ মতে, আকাৰবোৰ বস্তুৰ পৰা পৃথক নহয়— সিহঁতৰ অর্ন্তনিহিত সিহঁত পাৰমার্থিক নহয় কিন্তু পার্থিৱ। আকাৰ আৰু উপাদান পৃথক নহয়। কিন্তু নিত্যভাৱে সংযুক্ত। উপাদানে আকাৰৰ লগত যুক্ত হৈ বিশিষ্ট বস্তু গঠন কৰে, প্রত্যেক বিশিষ্ট বস্তুৱেই গতি কৰে আৰু পৰিবর্তন হয়, বৃদ্ধি বা বিকাশ হয়। ইয়াৰ আকাৰৰ নিয়ন্ত্রণ আৰু নির্দেশনাত। গতিকে উপাদান আৰু আকাৰ দুয়োটা ইটো-সিটোৰ লগত জড়িত।

(৭) এৰিষ্টটল।

৯.১০ আৰ্হি প্রশ্ন ঃ

(১) 'materia' শব্দটোৰ অর্থ কি?

(২) আকাৰ আৰু উপাদান বুলিলে কি বুজা?

(৩) 'Hylomorphism' ৰ বিষয়ে চমুকৈ লিখা।

(৪) এৰিষ্টটলে কেনেকৈ আকাৰ আৰু উপাদানৰ মাজত প্রভেদ আনিছিল?

(৫) আকাৰ আৰু উপাদানৰ মাজত থকা সম্বন্ধ ব্যাখ্যা কৰা।

(৬) সত্য নে অসত্য কোৱা —

(ক) এৰিষ্টটলে তেওঁৰ 'Metaphysics' নামৰ প্ৰথম গ্ৰন্থখনতে তেওঁৰ আকাৰ আৰু উপাদান সম্পৰ্কীয় ধাৰণাৰ পৰিচয় কৰাইছিল।

(খ) 'Hylomorphism' মতবাদটো প্লেটোই ক্ৰমবিকাশ ঘটাইছিল।

(গ) আকাৰ আৰু উপাদান পৃথক নহয়, কিন্তু সিহঁত অন্তনিৰ্হিত।

(ঘ) এৰিষ্টটলে প্লেটোৰ আকাৰ সম্পৰ্কীয় মতবাদৰ সমালোচনা কৰিছিল।

*** **** ***

অধ্যায় ১০ ঃ এৰিষ্ট'টল ঃ কার্যকাৰণ মতবাদঃ

অধ্যায় গাঁথনি ঃ

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ কার্যকাৰণ সাধাৰণ ঃ অর্থ
১০.৪ কার্যকাৰণ মতবাদৰ ইতিহাস
১০.৫ এৰিষ্টটল ঃ কার্যকাৰণ মতবাদ
১০.৬ কার্যকাৰণ মতবাদৰ সমালোচনাত্মক আলোচনা
১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো
১০.৮ অধিক জানিবলৈ
১০.৯ অগ্রগতিৰ খতিয়ান
১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য ঃ

এই অধ্যায়টি অধ্যয়নৰ পিছত আপোনালোকে সক্ষম হ'ব —

- কার্যকাৰণবাদৰ সাধাৰণ অর্থ বুজিবলৈ,
- এৰিষ্ট'টলৰ কার্যকৰণ মতবাদৰ ব্যাখ্যা কৰিবলৈ,
- কার্যকাৰণবাদৰ ইতিহাস জানিবলৈ,
- কার্যকাৰণবাদৰ ত্রুটিসমূহ বিশ্লেষণ কৰিবলৈ।

১০.২ পৰিচয় ঃ

এই অধ্যায়টোৰে আপোনালোকক কার্যকাৰণবাদৰ ইতিহাস আৰু এৰিষ্ট'টলৰ কার্যকাৰণ মতবাদৰ লগত পৰিচয় কৰাই দিব। এৰিষ্ট'টল আছিল তেওঁৰ সময়ৰ এজন অতি প্রেৰণাদায়ক আৰু বাটকটীয়া দার্শনিক। কার্যকাৰণ আছিল তেওঁৰ দর্শনৰ, প্রতিদিনৰ ঘটনা, শাৰীৰিক সত্বা আৰু সমগ্র বিশ্ব দুয়োটাৰে প্রাথমিক কেন্দ্রস্থান।

পাশ্চাত্য দর্শন আৰু ভাৰতীয় দর্শন দুয়োটাৰে দার্শনিক আলোচনাত কার্যকাৰণ মতবাদে এক সুকীয়া স্থান অধিকাৰ কৰি আহিছে। আমি এই অধ্যায়ত পাশ্চাত্য দর্শন আৰু ভাৰতীয় দর্শন দুয়োটা দিশতে কার্যকাৰণ মতবাদৰ আলোচনা কৰিম।

১০.৩ 'কার্যকাৰণ' ৰ অর্থ ঃ

সাধাৰণতে কার্যকাৰণ বুলিলে দুটা ঘটনাৰ মাজৰ সংযোগক বুজায়। ইয়াত এটাক কাৰণ আৰু আনটোক ইয়াৰ ফলাফল বা পৰিণাম বুলি কোৱা হয়। সাধাৰণভাৱে কার্যকাৰণৰ সংজ্ঞা এনেদৰে দিব পাৰি যে যদি কার্য তেনেহ'লে কাৰণ নাইবা প্ৰত্যেক ঘটনাৰে এটা নিশ্চিত কাৰণ থাকে। পৰম্পৰাগত ভাৱে কাৰণ বুলিলে যি ইয়াৰ পৰিণাম প্ৰদর্শিত কৰে তাকে বুজায়।



অগ্রগতি নিৰীক্ষণ

(১) কার্যকাৰণ কি?

১০.৪ কার্যকাৰণ মতবাদৰ ইতিহাস ঃ

কার্যকাৰণ মতবাদে পাশ্চাত্য দর্শন আৰু ভাৰতীয় দর্শন দুয়োটাতে এক সুকীয়া স্থান দখল কৰি আহিছে। সেয়েহে কার্যকাৰণৰ সমকালীন দিশসমূহ বুজিবৰ বাবে কার্যকাৰণ মতবাদৰ ঐতিহাসিক ক্ৰমবিকাশক বুজাটো অতি প্ৰয়োজনীয়।

যদিও কার্যকাৰণৰ ধাৰণাটো প্ৰাক-ছক্ৰেটিক দর্শনত দৃষ্টিগোচৰ হৈছিল, সম্ভৱতঃ প্লেটোৱেই কার্যকাৰণ নীতিক বর্ণনা কৰা প্ৰথমজন দার্শনিক। তেওঁ কৈছিল যে, সকলো বস্তু যিবোৰ উৎপন্ন হয় বা পৰিবর্তন হয় সকলোৰে এক নিশ্চিত কাৰণ থাকে। কিয়নো কোনো কাৰণ অবিহনে কোনো কার্য হ'ব নোৱাৰে। কিন্তু প্লেটোৱে কার্যকাৰণৰ ক্ষেত্ৰত আকাৰগত কাৰণৰ ওপৰত অধিক গুৰুত্ব দিছিল। যদিও এৰিষ্টটল হৈছে প্ৰথম জন দার্শনিক যি 'কাৰণ' সম্পর্কে বিস্তৃত ব্যাখ্যা আগবঢ়াইছিল। এৰিষ্টটলৰ 'কার্যকাৰণ' সম্পর্কীয় আলোচনা তেওঁৰ 'Posterior Analytics', 'Physics' আৰু 'Metaphysics' নামৰ গ্ৰন্থসমূহত পোৱা যায়। এই কার্যকাৰণ প্ৰসঙ্গটো সদায় এক নিশ্চিত সত্বা আৰু এই নিশ্চিত সত্বাৰ জ্ঞানৰ চর্তৰ লগত জড়িত। এৰিষ্টটলৰ কার্যকাৰণ মতবাদটো বিশেষভাৱে চাৰিপ্ৰকাৰৰ কাৰণৰ নীতি বুলি জনা যায়। তেওঁৰ মতে কাৰণ সম্পর্কীয় দৃঢ় বা স্থিৰ তাৎপর্য আৰু কাৰণৰ প্ৰকাৰ সম্পর্কে জানিবলৈ হ'লে আমাৰ চাৰিওফালৰ পৃথিৱীখনৰ এক সফল অনুসন্ধান কৰাটো অতি প্ৰয়োজনীয়।

ষ্টাইক (Staic) শৃংখলা হৈছে এক যান্ত্ৰিকতাবাদ যি ঐশ্বৰিক যোগ্যতাৰদ্বাৰা অনুপ্ৰাণিত হৈছিল আৰু ইয়াৰ অন্তনিহিত ক্ৰমবিকাশ দৈৱিকভাৱে ভাগ্যৰদ্বাৰা নিয়োগ কৰা হৈছিল। ষ্টাইক সকলেই হৈছে প্ৰথম দার্শনিক যিয়ে শৃংখলাবদ্ধভাৱে এই ধাৰণাক সমর্থন কৰিছিল যে প্ৰত্যেক ঘটনাই কিছুমান নিশ্চিত কাৰণ সম্পর্কীয় চর্তৰদ্বাৰা পৰিচালিত হয়। তেওঁলোকে দৃঢ়ভাৱে কৈছিল যে প্ৰত্যেক ঘটনাৰে একোটা নিশ্চিত কাৰণ থাকে। আৰু কোনো কাৰণ অবিহনে কোনো ঘটনা

সংঘটিত হোৱা কথাটো অস্বীকাৰ কৰিছিল। কাৰণ ই তেওঁলোকৰ বিশ্বৰ লগত সংগতি থকা প্রাথমিক ধাৰণাক অলপ-অলপকৈ ক্ষয় কৰিলেহেঁতেন। আকৌ, তেওঁলোকে ব্যক্ত কৰিছিল যে প্রতিটো বিশেষ ঘটনাই ইয়াৰ পৰিণতিৰদ্বাৰা পৰিচালিত হয়।

ত্রয়োদশ শতিকাত বহুতো খ্রীষ্টান দার্শনিকে এৰিষ্টটলৰ দর্শনক খ্রীষ্টীয়ান ধাৰণা — 'ঈশ্বৰে শূণ্যৰ পৰা পৃথিৱীখন সৃষ্টি কৰিছিল' — এই ধাৰণাৰ লগত একাত্ম কৰিবলৈ চেষ্টা কৰিছিল। ফলস্বৰূপে এৰিষ্টটলৰ 'unmoved mover' অস্তিত্বৰ সৃষ্টিমূলক কাৰণলৈ পৰিবর্তন হৈ গৈছিল। সপ্তদশ শতিকাত কার্যকাৰণ ধাৰণাৰ ক্রমবিকাশত এক মৌলিক পৰিবর্তন দেখা যায়। এই শতিকাত বিশেষভাৱে এই ধাৰণাই মূল আধাৰ হিচাপে গ্রহণ কৰে —

(ক) সকলো কার্যকাৰণেই কেৱল স্থানান্তৰকৰণক বুজায়।

(খ) কার্যকাৰণবাদে প্রতিৰোধবাদক অর্ন্তভূক্ত কৰে,

(গ) প্রথম কাৰকবোৰ হ'ল মাত্র ঘটনাবোৰৰ শৃংখলৰ নিস্ক্রিয় সন্ধিস্থান, পৰিবর্তনৰ প্রাৰম্ভিক মৌলবোৰৰ তুলনাত।

ডেকার্ট হ'ল আধুনিক দর্শনৰ পিতৃস্বৰূপ। তেওঁৰ প্রথম কাৰকসমূহক যান্ত্রিক কাৰক হিচাপে কৰা ব্যাখ্যা আছিল এক গুৰুত্বপূর্ণ নতুন ক্রমবিকাশ। ডেকার্টৰ নিচিনাকৈ থমাছ হব্‌ছে প্রতিৰোধাত্মক কার্যকাৰণ সমর্থন কৰিছিল আৰু আকাৰগত আৰু চুড়ান্ত কাৰণক অস্বীকাৰ কৰিছিল আৰু ভাবিছিল যে কার্যকাৰণ হ'ল গতিৰ একমাত্র ওচৰ সম্বন্ধীয়। তেওঁ সকলো দৃশ্যমান বস্তুকে আনকি মনোবিজ্ঞান সম্বন্ধীয় আৰু সমাজবিজ্ঞান সম্বন্ধীয় সকলোকে গতিযুক্ত শৰীৰৰ মাজত থকা কার্যকাৰণ সম্বন্ধৰ জৰিয়তে ব্যাখ্যা কৰিছিল। 'স্পিনোজা' ই 'মুক্ত কাৰণ' আৰু 'অনিবার্য কাৰণ'ৰ মাজত প্রভেদ ব্যক্ত কৰিছিল। তেওঁৰ মতে, কাৰণবোৰে তর্কবিজ্ঞানসন্মত ভাৱে সিহঁতৰ ফলাফলক অনিবার্য কৰি তোলে আৰু বিপৰীত ক্রমে তর্কবিজ্ঞানসন্মত ভাৱে সিহঁতে নিজে নিজেই সিহঁতৰ ফলাফলৰদ্বাৰা অনিবার্য হৈ পৰে। পর্যাপ্ত যুক্তিৰ নীতি হৈছে লাইব্‌নিজৰ সর্ববৃহৎ অধিবিদ্যাযুক্ত প্রণালীৰ এটা ভেঁটি। ই তর্কবিজ্ঞানমূলক আধাৰ আৰু বস্তুৰ প্রকৃত কাৰণ — এই দুয়োটাকে বুজায়। "যুক্তি অবিহনে একো থাকিব নোৱাৰে আৰু কাৰণ অবিহনে কোনো কার্য সংঘটিত নহয়।"

ল'কৰ কার্যকাৰণৰ ধাৰণাটো শক্তিৰ ধাৰণাৰে আগবাঢ়িছিল। তেওঁৰ বাবে, কাৰণ হ'ল এটা বিশেষ দ্রব্য যি ইয়াৰ কর্মৰ শক্তিক ধৰি ৰাখিছিল। স্পষ্টভাৱে ল'কে কাৰণ আৰু পৰিণামসমূহক বিশেষ হিচাপেই গ্রহণ কৰিছিল। তেওঁ শক্তি সম্পর্কীয় আলোচনাত একাত্মতা নাইবা অনিবার্য সংযোগৰ কোনো উল্লেখ পোৱা নাযায়। এই মতটো আধুনিক কার্যকাৰণ মতবাদৰ বিৰুদ্ধে যিটো মতবাদৰ মতে কার্যকাৰণে ইয়াৰ নীতি অনুসৰি একাত্মতা বা অনিবার্য সংযোগক অন্তর্ভূক্ত কৰে। হিউমে কৈছিল যে, আমাৰ কার্যকাৰণৰ ধাৰণাক স্পষ্ট আৰু ন্যায়সঙ্গত বুলি প্রমাণ কৰিবলৈ হ'লে আমি নিশ্চিতভাৱে সেই ধাৰণাটো বিচাৰিব লাগিব যিয়ে ইয়াক আগবাঢ়ি যোৱাত সহায় কৰে। প্রয়োজনীয়তাৰ ধাৰণাটো আমাৰ কার্যকাৰণ সম্পর্কীয় ব্যক্তিগত ঘটনাৰ পৰা গ্রহণ কৰা নহয়।

ইমানুৱেল কাণ্ট নামৰ এজন বিশ্লেষণকাৰী দার্শনিকে, পাৰমার্থিক বিশ্লেষণৰ প্রাৰম্ভিক পর্যায়ত কার্যকাৰণ ধাৰণাৰ পাৰমার্থিক প্রত্যাহাৰৰ সমস্যাটোক উত্থাপন কৰিছিল। তেওঁৰ বাবে কাৰণৰ ধাৰণাটোৱে এক বিশেষ প্রকাৰৰ সহযোজনক অংকিত কৰে। কাণ্টে সিদ্ধান্ত কৰিছিল যে কার্যকাৰণ সমস্যাটো সমাধানৰ মাত্র দুটা উপায় আছে, কার্যকাৰণ ধাৰণাটো সম্পূর্ণৰূপে এক অসমার্থ ধাৰণা — এই ধাৰণাটো পৰিত্যাগ কৰিব লাগিব নাইবা ই সম্পূর্ণৰূপে জ্ঞানৰ পূর্ববর্তী ভিত্তি হ'ব লাগিব।

মিলে কাৰণৰ সংজ্ঞা এনেদৰে দিছিল যে কাৰণ হ'ল পূববর্তী ঘটনা য'ত এটা দৃশ্যমান বস্তু বা ঘটনা স্থায়ীভাৱে আৰু চর্তবিহীনভাৱে ইয়াৰ পৰিণাম বা ফল। ওপৰৰ আলোচনাৰ পৰা আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰোঁ যে কার্যকাৰণৰ ইতিহাসত নিশ্চিতভাৱে দুটা গুৰুত্বপূর্ণ লক্ষণ। সেই দুটা হ'ল —

(ক) এৰিষ্ট'টলৰ ধাৰণা, আৰু

(খ) বৈজ্ঞানীক ধাৰণা।

কাৰণ সম্পর্কীয় এই বিশ্লেষণে প্রতীত কৰে যে কার্যকাৰণৰ প্রতিটো বিশ্লেষণেই স্বীকাৰ কৰে যে কার্যকাৰণৰ বচনসমূহ স্পষ্ট নহয়। আৰু সেই পৰষ্পৰ নিষেধক অর্থবোৰ বেলেগ বেলেগ।

(১) এ ব্যক্ত কৰে যে 'A' হৈছে 'B' ৰ কাৰণ। ইয়াৰ অর্থ হ'ল 'A' হ'ল 'B' ৰ পৰিবর্তনৰ সূচক।

(২) ৰ মতে 'A' 'B' ৰ কাৰণৰ অর্থ হ'ল 'B' ৰ ঘটনা ব্যক্ত কৰোঁতে 'A' অৱশ্যম্ভাৱীৰূপে ঘটে।



অগ্রগতি নিৰীক্ষণ

(২) সত্য নে অসত্য লিখা —

(ক) কাযকাৰণ মতবাদৰ এক দীঘলীয়া ইতিহাস আছে।

(খ) ডেকার্ট হ'ল আধুনিক দর্শনৰ পিতৃস্বৰূপ।

(গ) হিউমৰ কাৰণ সম্পর্কীয় মতবাদ কি?

(ঘ) সোতৰশ শতিকাৰ দার্শনিকসকলোৰ কার্যকাৰণ সম্পর্কীয় মতবাদ আলোচনা কৰা।

(ঙ) মিলে কিদৰে কাৰণৰ সংজ্ঞা দিছে?

১০.৫ এৰিষ্ট'টল ঃ কার্যকাৰণ মতবাদ ঃ

আমাৰ চাৰিওফালৰ পৃথিৱীখনৰ কার্যকাৰণৰ অনুসন্ধানত ব্রতী হোৱাৰ ক্ষেত্রত এৰিষ্ট'টল

প্রথম ব্যক্তি নহয়। আৰম্ভনিৰে পৰা আৰু এৰিষ্টটলৰ স্বতন্ত্রভাৱে প্রাকৃতিক পৃথিৱীৰ অনুসন্ধান অন্তর্ভূক্ত হৈ থাকে বহুসংখ্যক প্রাকৃতিক দৃশ্যমান বস্তু বা ঘটনাৰ সমসাময়িক কাৰণৰ অনুসন্ধানত। অনুসন্ধানৰ পৰম্পৰাত, কাৰণৰ অনুসন্ধান হৈছে 'কিয়' এই প্রশ্নটোৰ উত্তৰৰ অনুসন্ধান। পদার্থবিজ্ঞান আৰু অধিবিদ্যা দুয়োটাতে এৰিষ্টটলে নিজকে এই পৰম্পৰাত প্রত্যক্ষভাৱে স্থান দিছে।

মানবীয় চিন্তাধাৰাত পোনপ্রথমবাৰৰ বাবে এৰিষ্টটলে কার্যকাৰণৰ ধাৰণাক পৰিচয় কৰাই দিছিল। তেওঁ মানুহৰ অভিজ্ঞতাৰূপে ভৌতিক স্বভাৱক জনাৰ এটা উপায় হিচাপে এই মতবাদটোৰ পৰিচয় ঘটাইছিল। এৰিষ্টটলৰ বাবে, কাৰণৰ ধাৰণা ইয়াৰ আধুনিক বিজ্ঞানৰ প্রতি অনুশাসনতকৈ বহু বিস্তৃত। ই কোনো ঘটনাৰ বাবে প্রয়োজনীয় চর্তক প্রকাশ কৰে। এৰিষ্টটলে কোনো ঘটনাৰ কার্যকৰীকৰণৰ বাবে চাৰিটা নীতিক গ্রহণ কৰিছিল, চাৰিপ্রকাৰৰ কাৰণক স্বীকাৰ কৰিছিল। এৰিষ্টটলৰ কার্যকাৰণ মতবাদটোৰেই সাধাৰণভাৱে চাৰিটা কাৰণ সম্পর্কীয় মতবাদ হিচাপে খ্যাত। তেওঁ 'কিয়' (why) প্রশ্নৰ উত্তৰ হিচাপে চাৰিধৰণৰ কাৰণক স্বীকাৰ কৰিছিল। এই কাৰণ চাৰি প্রকাৰৰ হ'ল —

(ক) উপাদান কাৰণ ঃ যাৰদ্বাৰা এৰিষ্টটলে অস্বচ্ছ আৰু তুলনামূলক ভাৱে প্রভেদ হীন সামগ্রীক বুজাইছিল, যাৰদ্বাৰা কোনো বস্তু সজা হয়। যেনে— এটা প্রতিমাৰ ব্রঞ্জখিনি হ'ল ইয়াৰ উপাদান কাৰণ।

(খ) আকাৰগত কাৰণ ঃ ই হ'ল নমুনা বা গঠন যাক কোনো বস্তুত আকাৰযুক্ত কৰা হয় যেতিয়া ইয়াক সম্পূর্ণকৈ জনা যায়। অর্থাৎ ই হ'ল আৱশ্যকীয়ভাৱে যি সেইটো দ্রব্য। যেনে— এটা প্রতিমাৰ আকাৰটো হ'ল ইয়াৰ আকাৰগত কাৰণ।

(গ) প্রভাৱী কাৰণ বা প্রথম কাৰণ ঃ ই হ'ল সক্রিয় কাৰক যি দ্রব্যক ইয়াৰ ফল হিচাপে প্রকাশ কৰে। যাৰ জৰিয়তে দ্রব্যটো প্রকাশিত হয় সেয়ে হ'ল প্রথম বা প্রভাবী কাৰণ। যেনে— শিল্পকাৰ, ব্রঞ্জৰ কলা- মূর্তি গঠন কৰা, যিজনে উপদেশ দিয়ে সেইজন ব্যক্তি, শিশুটিৰ পিতৃ - এই সকলোবোৰ হ'ল প্রথম কাৰণ।

(খ) চুড়ান্ত কাৰণ ঃ ই হ'ল সামৰণি বা উদ্দেশ্য যাৰ মাজেদি প্রক্রিয়াটো নির্দেশ কৰা হয়। যাৰ উদ্দেশ্যে দ্রব্যটো গঠন কৰা হয় সেয়ে হ'ল চুড়ান্ত কাৰণ। মূর্ত্তি নির্মাণৰ ক্ষেত্রত ই হ'ল সম্পূর্ণৰূপে গঠন কৰা আৰু সম্পূর্ণ মূর্ত্তিটো।

আমি নিশ্চিতভাৱে ভুল কৰিব নালাগে যে প্রত্যেক ব্যক্তিগত দ্রব্যৰে কেৱল এক প্রকাৰৰ কাৰণহে থাকে। ই লাগিলে এটা প্রাকৃতিক বিষয়, এজোপা জীৱিত গছ বা প্রাণী নাইবা এটা প্রস্তুত কৰা বস্তু, প্রত্যেককে চাৰি প্রকাৰৰ কাৰণৰদ্বাৰা ব্যাখ্যা কৰা হয়। এই চাৰিওটা কাৰণেই

বহু পৰিমাণে এটা ৰচনাত্মক লিখনি বা এক কলাত্মক পৰিনামৰ ক্ষেত্রত বেলেগ বেলেগ হ'ব পাৰে। কিন্তু এৰিষ্টটলে দৃঢ়তাৰে সমর্থন কৰিছিল যে চাৰি প্রকাৰৰ কাৰণৰ প্রাকৃতিক প্রক্রিয়াসমূহৰ আৰু জীৱিত জৈৱ পদার্থৰ বিকাশৰ ক্ষেত্রতো পার্থক্য থাকিব পাৰে।

সেইকাৰণে এৰিষ্টটলে 'কাৰণ' (cause) শব্দটো ব্যাপক অর্থত ব্যৱহাৰ কৰিছিল যি কোনো বস্তুৰ উপাদানৰ লগত জড়িত সকলোকে অন্তর্ভূক্ত কৰে। সেইকেইটা হ'ল—

(ক) উপাদান কাৰণ

(খ) আকাৰগত কাৰণ

(গ) প্রথম কাৰণ, আৰু

(ঘ) চুড়ান্ত কাৰণ

প্রথম বা প্রভাবী কাৰণ হ'ল যাৰ লগত আধুনিক ব্যৱহাৰ নাম জড়িত কৰে ইয়াৰ উৎস হিচাপে এৰিষ্টটলৰ মতে, প্রথম কাৰণ হ'ল প্রত্যেক বস্তুৰে সঠিক আকাৰ। ই হ'ল স্কুলমেনৰ অনিবার্য স্বভাৱ, আকাৰগত কাৰণ।

দ্বিতীয়টো হ'ল উপাদান আৰু বিষয়, উপাদান কাৰণ।

তৃতীয়টো হ'ল পৰিবর্তনৰ নীতি যি কোনো বস্তু উৎপন্ন কৰে— প্রথম বা প্রভাবী কাৰণ।

চতুর্থটো হ'ল পৰিণাম বা চুড়ান্ত কাৰণ যাৰবাবে বস্তুটো বনোৱা হয়, কাৰণ আৰু সকলো বস্তুৰ বাবে উপযুক্ত, সকলো জাগতিক বস্তুৰ পৰিণাম আৰু সকলো গতিয়েই উপযুক্ত, চুড়ান্ত কাৰণ।

চাৰিপ্রকাৰৰ কাৰণেই চাৰি প্রকাৰৰ মাধ্যম বেলেগ বেলেগ কিন্তু কিন্তু সমানেই কৌতুহলযুক্ত প্রশ্ন 'কিয়'— প্রশ্নৰ উত্তৰ দিয়াৰ বাবে। এৰিষ্টটলে কৈছে যে, যদি আমি এই প্রশ্নবোৰৰ উত্তৰ দিব নোৱাৰো তেনেহ'লে আমি যিবোৰ বিষয়ৰ কথা কওঁ সেইবিলাক সচাঁকৈ জানিব নোৱাৰিম। সেয়েহে এৰিষ্টটলে উপাদান, আকাৰগত, প্রথম আৰু চুড়ান্ত কাৰণৰ পাতনি মেলিছিল।



অগ্রগতি নিৰীক্ষণ

(৬) এৰিষ্টটলৰ মতে চাৰিপ্রকাৰৰ কাৰণ কি কি?

১০.৫.১ঃ কার্যকাৰণ মতবাদৰ সমালোচনা ঃ

কিছুমান দার্শনিকৰ মতে, এৰিষ্টটলৰ চাৰিটা কাৰণৰ মতবাদ আসোঁৱাহপূর্ণ। যিহেতু তেওঁ চুড়ান্ত কাৰণক অতি গুৰুত্বপূর্ণ বুলি চিনাক্ত কৰিছিল। প্রত্যেক বস্তুৰে এক উদ্দেশ্য থাকে

বাবেই পৃথিৱী গতিশীল বুলি অনুমান কৰা হৈছিল আৰু ই হ'ল বিশুদ্ধতা আৰু সম্ভাৱনীয়তাৰ মাজৰ সালসলনি। বহুসংখ্যক দার্শনিকে কৈছিল যে এটা উদ্দেশ্য কার্যকৰী কৰাটো সহজ কিন্তু যিমান সোনকালে ইয়াক মানুহ আৰু প্রাণীৰ ক্ষেত্রত প্রয়োগ কৰা হয় ই বেছি জটিল হৈ গৈ থাকে।

কোৱেণ্টিন স্মিথে এৰিষ্টটলৰ প্রাৰম্ভিক বিশ্বাস "কোনো বস্তুৰেই নিজে ইয়াৰ কাৰণ হ'ব নোৱাৰে" এই কথাৰ বিৰুদ্ধে যুক্তি দর্শাইছিল। এৰিষ্টটলে অস্বীকাৰ কৰিছিল যে শূণ্যৰ পৰা কিছুমান বস্তুৰ উৎপত্তি হ'ব পাৰে, সেইকাৰণে কেনেকৈ যিকোনো ঘটনাৰ কাৰণ যিকোনো হ'ব আৰু সিও যিকোনোৰ কাৰণ হ'ব অসীম তেওঁৰ ঈশ্বৰৰ লগত। বাট্রাণ্ড ৰাছেল, এগৰাকী কুৰি শতিকাৰ দার্শনিক যি এক সমৰূপৰ যুক্তি আগবঢ়াইছিল। তেওঁ কৈছিল যে পৃথিৱীখন তাত আছে আৰু এই সকলোখিনিৰদ্বাৰা তেওঁ বুজাইছিল যে পৃথিৱীক পৃথিৱীখনৰ ভিতৰত কোনো কাৰণৰ প্রয়োজন নহয়, আমি কার্য আৰু কাৰণৰ ভিত্তিত নির্দেশ পালন কৰোঁ। যদিও পৃথিৱীৰ আগত আমাৰ কোনো অভিজ্ঞতা নাই য'ত প্রকৃতিৰ নীতি আৰু প্রাকৃতিক বিজ্ঞান সম্পূর্ণৰূপে পৃথক।

১০.৬ ভাৰতীয় দর্শনৰ কার্যকাৰণ মতবাদ ঃ

ভাৰতীয় দর্শনৰ সকলো শাখাতে কার্যকাৰণ মতবাদৰ এক গুৰুত্বপূর্ণ ভূমিকা দেখা যায়। ভাৰতীয় দর্শনৰ প্রতিটো সম্প্রদায়ৰ যথার্থতাৰ ধাৰণা এই মতবাদৰ ওপৰত নির্ভৰশীল। আস্তিক আৰু নাস্তিক দুয়োটা শাখাৰ দার্শনিকসকলে কার্যকাৰণ সম্পর্কে তেওঁলোকৰ নিজা মত ব্যক্ত কৰিছে। ভাৰতীয় দর্শনত কার্যকাৰণ সম্পর্কে প্রধানকৈ চাৰিটা মতবাদ পোৱা যায়। সেইকেইটা হ'ল —

(ক) স্বভাৱবাদ
(খ) সৎকার্যবাদ
(গ) অসৎকার্যবাদ
(ঘ) সদাসৎকার্যবাদ

সৎকার্যবাদ দুই প্রকাৰৰ—

(ক) পৰিণামবাদ, আৰু
(খ) বিবর্তবাদ।

অসৎকার্যবাদ ও দুটা ভাগত বিভক্ত —

(ক) আৰম্ভবাদ, আৰু
(খ) প্রতীত্য-সম্যুপাদবাদ।

(ক) স্বভাৱবাদঃ এই মতবাদটো চার্বাক দর্শনে সমর্থন কৰিছিল। এই মতটো অতি পুৰণি আৰু উপনিষদত ইয়াৰ উল্লেখ পোৱা যায়। শ্বেতাশ্বৰ

উপনিষদটো ইয়াৰ উল্লেখ পোৱা যায় যে স্বভাৱ বা প্রকৃতি হ'ল এই পৃথিৱীৰ কাৰণ। চার্বাক দর্শনে কয় যে কিছুমান দ্রব্য নিত্য, কিছুমান অ-নিত্য আৰু কিছুমান দুয়োটাৰে সংমিশ্রণ দ্রব্যৰ এই বিশেষত্ববোৰ সিহঁতৰ ভিতৰত থকা স্বভাৱৰ ওপৰত নির্ভৰশীল।

(খ) সৎকার্যবাদঃ এই মতবাদটো সাংখ্য যোগ আৰু অদ্বৈত-বেদান্তই সমর্থন কৰিছিল। সৎকার্যবাদৰ মতে কাৰণৰ ভিতৰত পৰিণাম পূর্বেই অস্তিত্বশীল হৈ থাকে। সেয়েহে ই কোনো নতুন সৃষ্টি নহয় আৰু উপাদান কাৰণতকৈ পৃথক নহয়। কিন্তু পৰিণাম হ'ল কেৱল এক স্পষ্ট প্রকাশ — যি ইয়াৰ উপাদান কাৰণত নিহিত হৈ থাকে। সৎকার্যবাদৰ দুটা ভাগ আছে — পৰিণামবাদ আৰু বিবর্তবাদ, পৰিণামবাদে বিশ্বাস কৰে যে পৰিণাম হ'ল ইয়াৰ কাৰণৰ প্রকৃত পৰিবর্তন। আনহাতে, বিবর্তবাদে বিশ্বাস কৰে যে পৰিণাম যথার্থ নহয়। সাংখ্য-যোগৰ মতবাদক প্রকৃতি— পৰিণামবাদৰূপে জনা যায়। ৰামানুজৰ মতবাদৰ ব্রহ্ম পৰিণামবাদৰূপে জনা যায় আৰু শংকৰৰ মতবাদক বিবর্তবাদ হিচাপে জনা যায়।

(গ) অসৎকার্যবাদঃ অসৎকার্যবাদৰ মতে, পৰিণাম বা ফল হ'ল এক নতুন আৰম্ভণি, এক নতুন সৃষ্টি। ই ইয়াৰ কাৰণতকৈ পৃথক। ই কেতিয়াও কাৰণৰ সৈতে একে নহয় আৰু ফল বা পৰিণাম কাৰণৰ পৰিবর্তন মাথোন নহয়। এই মতবাদটোৰ প্রধান তাৎপর্য হ'ল এই মতবাদৰ মতে উৎপাদনৰ আগতে পৰিণাম বা ফল ইয়াৰ উপাদান কাৰণত নিহিত হৈ নাথাকে। যদি ই পূর্বতে অস্তিত্বশীল হয়, তেনেহ'লে পৰিণামক নতুন উৎপাদন বুলি কোৱাৰ কোনো অর্থ নাথাকে। ন্যায়-বৈশেষিক, বৌদ্ধসকল, বস্তুবাদীসকল, আৰু মীমাংসা দর্শনৰো বহুতো পালন কৰোঁতাই অসৎকার্য সমর্থন কৰিছিল। ন্যায়-বৈশেষিক সকলোৰ মতবাদক আৰম্ভবাদ ৰূপে জনা যায় অর্থাৎ এওঁলোকৰ মতে পৰিণাম হ'ল এক নতুন আৰম্ভণি।

বৌদ্ধসকলেও পৰিণাম ইয়াৰ কাৰণতে পূর্বতে অস্তিত্বশীল হৈ থকা কথাষাৰ স্বীকাৰ কৰা নাছিল। তেওঁলোকৰ মতবাদক 'প্রতীতৎসমূৎপাদবাদ' নামেৰে জনা যায়। তেওঁলোকৰ মতে, কার্যকাৰণ হ'ল পৰিণাম ইয়াৰ কাৰণৰ ওপৰত নির্ভৰশীল। বৌদ্ধসকলে বিশ্বাস কৰিছিল যে কেৱলমাত্র ইয়াৰ কাৰণৰ ধ্বংসৰ পিছতহে পৰিণামৰ উৎপত্তি হয়।



অগ্রগতি নিৰীক্ষণ

(৭) শুদ্ধ উত্তৰটো লিখা ঃ—

(ক) ভাৰতীয় দর্শনত কার্যকাৰণ সম্পর্কীয় ৪/৫/৩ টা মতবাদ পোৱা যায়।

(খ) আৰম্ভবাদক ন্যায়/অদ্বৈত বেদান্ত/বৌদ্ধ সকলে স্বীকাৰ কৰিছিল।

(গ) সৎকার্যবাদৰ মতে, উপাদান কাৰণত ইয়াৰ ফল বা পৰিণাম পূর্বতে অস্তিত্বশীল হৈ থাকে/অস্তিত্বশীল হৈ নাথাকে ।

(৮) স্বভাৱবাদৰ সংজ্ঞা দিয়া।



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- সাধাৰণতে কার্যকাৰণে দুটা ঘটনা বা দুটা অৱস্থাৰ মাজত থকা সম্বন্ধক বুজায়— ইয়াৰে এটা হ'ল কাৰণ আৰু আনটো হ'ল কার্য বা পৰিণাম।
- কার্যকাৰণ মতবাদৰ এক দীঘলীয়া ইতিহাস আছে।
- পাশ্চাত্য দর্শনৰ প্রায় সকলো দার্শনিকেই কার্যকাৰণ সম্পর্কে তেওঁলোকৰ নিজা নিজা মত ব্যক্ত কৰিছে।
- পোনপ্রথমবাৰৰ বাবে এৰিষ্টটলেই মানবীয় চিন্তাধাৰাৰ কার্যকাৰণ মতবাদৰ পৰিচয় কৰি দিছিল।
- তেওঁ এই কার্যকাৰণ মতবাদক প্রাকৃতিক বিজ্ঞানৰ মানবীয় অভিজ্ঞতাক জনাৰ এক প্রকাৰৰ উপায় হিচাপে পৰিচয় কৰাইছিল।
- পদার্থবিজ্ঞানৰ আৰু অধিবিদ্যাৰ ত এৰিষ্টটলে তেওঁৰ চাৰিপ্রকাৰৰ কাৰণ সম্পর্কীয় সাধাৰণ বিৱৰণ আগবঢ়াইছিল।
- এৰিষ্টটলৰ কার্যকাৰণ সম্পর্কীয় মতবাদ সার্বজনীনভাৱে চাৰিপ্রকাৰৰ কাৰণৰ মতবাদ হিচাপে জনা যায়। সেই কাৰণ চাৰিপ্রকাৰ হ'ল—
  - (ক) উপাদান কাৰণ
  - (খ) আকাৰগত কাৰণ
  - (গ) প্রথম কাৰণ, আৰু
  - (ঘ) চুড়ান্ত কাৰণ
- ভাৰতীয় দর্শনতো কার্যকাৰণ মতবাদৰ এক গুৰুত্বপূর্ণ স্থান আছে।
- আস্তিক আৰু নাস্তিক দর্শন দুয়োটা সম্প্রদায়ৰে দার্শনিকসকলে কার্য আৰু সম্পর্কে তেওঁলোকৰ নিজা নিজা মত আগবঢ়াইছে।

১০.৮ অধিক জানিবলৈ

1. Aristotle ঃ The Basic Works of Aristotle. Ed. Richard Makeon. New York ঃ Random House 1941.

2. Hankinson ; J.Rঃ Cause and Explanation in Ancient Greek Thought, Oxford ঃ Oxford University Press: 1998.

3. Copleston, Fredrick, A History of Philosophy — Vol. 1: Greece and Rome, New York, Image Books, 1993.

4. Thilly, Frank ঃ A History of Philoshopy — Central Publishing House. Alahabad, 1984.

১০.৯ অগ্রগতিৰ খতিয়ানঃ

(১) সাধাৰণভাৱে কাৰ্যকাৰণে দুটা ঘটনা বা দুটা অৱস্থাৰ মাজৰ সম্বন্ধক বুজায় যে এটাই উৎপাদন কৰে নাইবা আনটোক সংঘটিত কৰে। ইয়াৰে এটা হ'ল কাৰণ আৰু আনটো হ'ল ইয়াৰ পৰিণাম বা কার্য।

(২) (ক) সত্য,
(খ) সত্য।

(৩) হিউমৰ মতে, কার্যকাৰণ হ'ল কিছুমান ঘটনাৰ মাজৰ এক সম্বন্ধ যাক আমি আমাৰ যুক্তিৰ ক্ষেত্রত নিয়োগ কৰো আমাৰ তাৎক্ষণিক ধাৰণাৰ বাহিৰেও জগতৰ নুন্যতম প্রকাশিত জ্ঞানক স্বীকাৰ কৰাৰ বাবে।

(৪) সপ্তদশ শতিকাৰ দার্শনিকসকলোৰ মতে কার্যকাৰণৰ ধাৰণাই বিশেষভাৱে মূল আধাৰ হিচাপে গ্রহণ কৰিছিল যে —

(ক) সকলো কার্যকাৰণেই কেৱল স্থানান্তৰকৰণক বুজায়,
(খ) কার্যকাৰণবাদে প্রতিৰোধবাদক অর্ন্তভূক্ত কৰে,
(গ) প্রথম কাৰকবোৰ হ'ল মাত্র ঘটনাবোৰৰ শৃংখলৰ নিস্ক্রিয় সন্ধিস্থান পৰিবর্তনৰ প্রাৰম্ভিক মৌলবোৰৰ তুলনাত।

(৫) মিলৰ মতে, কাৰণ হ'ল এটা পূর্ববর্তী ঘটনা য'ত এটা দৃশ্যমান বস্তু বা ঘটনা স্থায়ীভাৱে আৰু চর্তবিহীনভাৱে ইয়াৰ পৰিণাম বা ফল।

(৬) এৰিষ্টটলৰ মতে কাৰণ চাৰি প্রকাৰৰ। সেইকেইটা হ'ল —

(ক) উপাদান কাৰণ
(খ) আকাৰগত কাৰণ
(গ) প্রথম বা প্রভাৱী কাৰণ, আৰু
(ঘ) চুড়ান্ত কাৰণ

(৭) (ক) ৪

(খ) ন্যায়

(গ) পূর্ব- অস্তিত্বশীল।

(৮) স্বভাৱবাদ হ'ল এক প্রকাৰৰ কার্যকাৰণ সম্পর্কীয় মতবাদ। ভাৰতীয় দর্শনত এই মতবাদৰ পৃষ্ঠপোষক আছিল চার্বাক দর্শন। এই মতবাদৰ মতে "সকলো বস্তু ইয়াৰ নিজস্ব স্বভাৱ অনুসৰি বা প্রকৃতি অনুসৰি উৎপন্ন হয়।"

১০.১০ আৰ্হি প্রশ্ন

(১) বস্তুধর্মী প্রশ্ন ঃ-

(ক) কাৰণৰ সংজ্ঞা দিয়া।

(খ) এৰিষ্টটলে কোনখন গ্রন্থত তেওঁৰ কার্যকাৰণ মতবাদটো আলোচনা কৰিছিল?

(গ) ডেকার্টৰ মতে কার্যকাৰণ কি?

(ঘ) ভাৰতীয় দর্শনৰ কোনটো সম্প্রদায়ে সৎকার্যবাদক সমর্থন কৰিছিল?

(২) চমু প্রশ্ন ঃ- (১৫০ টা শব্দৰ ভিতৰত)

(ক) অসৎকার্যবাদৰ মতে কায্যকাৰণ কি ব্যাখ্যা কৰা।

(৩) চমুটোকা লিখক ঃ—

(ক) হিউমৰ কার্যকাৰণবাদ

(খ) এৰিষ্টটলৰ চাৰি প্রকাৰৰ কাৰণ,

(গ) ল'কৰ কার্যকাৰণ মতবাদক উল্লেখ কৰা।

(৪) ৰচনাধর্মী প্রশ্ন ঃ- (৩০০ শব্দৰ ভিতৰত)

(ক) কার্যকাৰণবাদৰ ইতিহাস আলোচনা কৰা।

(খ) এৰিষ্টটলে কিদৰে তেওঁৰ কার্যকাৰণ মতবাদৰ ব্যাখ্যা কৰিছে? এই মতবাদ আসোঁৱাহ মুক্ত হয়নে?

(গ) ভাৰতীয় দর্শনৰ সম্প্রদায়সমূহৰ মতে কার্যকাৰণবাদক ব্যাখ্যা কৰা।

(ঘ) উদাহৰণসহ এৰিষ্টটলৰ চাৰি প্রকাৰৰ কাৰণৰ আলোচনা আগবঢ়োৱা।

*** **** ***

অধ্যায় ঃ ১১ আগষ্টিন ঃ অহিতৰ সমস্যা

অধ্যায় গাঁথনি ঃ

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ অহিত বা অমঙ্গলৰ ব্যাখ্যা

১১৪ আগষ্টিনৰ অহিত সম্বন্ধে মত

১১.৫ আগষ্টিনৰ সিদ্ধান্ত

১১.৬ দুই প্রকাৰৰ অহিত

১১.৭ ঈশ্বৰ আৰু অহিতৰ সম্পর্কত আগষ্টিনৰ মত

১১.৮ নৈতিক অহিতৰ ধর্মীয় ব্যাখ্যা

১১. যীশুৰকৃপা, পূর্বপৰিকল্পনা মতবাদ আৰু আগষ্টিনৰ মতৰ স্ববিৰোধ

১১.১০ ঈশ্বৰৰ দ্বাৰা নির্বাচিতজনৰ সত্যলোকত প্রৱেশ আৰু পতিত জনৰ নৰকৰ জুইত প্রৱেশ

১১.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলো

১১.১২ অধিক জানিবলৈ

১১.১৩ অগ্রগতিৰ খতিয়ান

১১.১৪ আর্হি প্রশ্ন

১১.১ উদ্দেশ্য ঃ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি -

- সন্ত আগষ্টিনৰ চমু পৰিচয় দিব পাৰিব।
- অহিত বা অমঙ্গলৰ ব্যাখ্যা জানিব পাৰিব।
- অহিতৰ বাস্তৰিক সত্যতা আৰু সামগ্রিকভাৰে অস্তিত্বহীনতাৰ বিষয়ে জানিব পাৰিব।
- শাৰীৰিক আৰু নৈতিক অহিত আৰু অহিত সম্বন্ধেতিনিটা মতৰবিষয়ে জানিব পাৰিব।
- ঈশ্বৰ আৰু অহিতৰ সম্পর্কৰবিষয়ে আগষ্টিনৰ মত জানিব পাৰিব।
- নৈতিক অহিতৰ ধর্মীয় ব্যাখ্যা সম্বন্ধে জানিব পাৰিব।
- যীশুৰ কৃপা, পূর্বপৰিকল্পনাৰ মতবাদ ঈশ্বৰৰ দ্বাৰা নির্বাচিতজনৰ প্রাপ্তি আৰু পতিতজনৰ পৰিণতিৰ বিষয়ে জানিব পাৰিব।

১১.২ পৰিচয় ঃ

সন্ত আগষ্টিনে (৩৫৪-৪৩০ খ্ৰীষ্টাব্দ) খ্ৰীষ্টধৰ্ম সংস্কাৰৰ এক সংকটময়সময়ত উত্তৰ আফ্ৰিকাৰ টাগাষ্ট (Tagaste) নামৰ এখন সৰু চহৰত জন্ম গ্ৰহণ কৰিছিল। তেওঁ খ্ৰীষ্টধৰ্মৰ সৈতে প্লেটোৰ দৰ্শনৰ সমন্বয় সাধনকৰি খ্যাতি অৰ্জন কৰিছিল। তেওঁ ৩৯১ খ্ৰীষ্টাব্দত আফ্ৰিকাৰ হিপো (Hippo) ৰ যাজক পদত অধিষ্ঠিত হয়। তেওঁৰ জনপ্ৰিয় আৰু তাৎপৰ্যপূৰ্ণ লেখা সমূহ হ'ল - "The Confession of st. Augustine" আৰু "The City of God" প্ৰায় ন শতিকাৰো অধিক কাল আগষ্টিনৰ দৰ্শনে খ্ৰীষ্টান ধৰ্মক প্ৰভাৱিত কৰি ৰাখিবলৈ সক্ষম হৈছিল। ধৰ্মক সংকীৰ্ণতাৰ পৰা মুক্ত কৰি সম্যক আৰু ব্যাপক স্তৰত এক বিশ্বজনীন ৰূপ প্ৰদান কৰিবলৈ সক্ষম হোৱা আগষ্টিন হ'ল প্ৰথমজন খ্ৰীষ্টান দাৰ্শনিক।

১১. ৩ অহিত বা অমঙ্গলৰ ব্যাখ্যা ঃ

আগষ্টিনৰ মতে প্ৰেম হ'ল উচ্চতম সদ্‌গুণ, ঈশ্বৰত্বই হৈছে উচ্চতম জ্ঞানআৰু ঈশ্বৰৰ লগত একাকৰ হোৱাই হ'ল মানৱ জীৱনৰ অনিম লক্ষ্য। প্ৰকৃতপক্ষে, এহাতে দয়ালু ঈশ্বৰৰ অস্তত্বৰ বিশ্বাস, অন্যহাতে পৃথিৱীত অহিত বা অমঙ্গলৰ ক্ষতিকৰ স্থিতিৰ বিষয়ে বিশ্লেষণ কৰাটো সহজসাধা নহয়। যদি ঈশ্বৰ কৰুণাময়, তেন্তে তেওঁ অহিত নিৰ্মূল কৰিবলৈ সক্ষম। কিন্তু অহিত অপ্ৰতিৰোধ্য, অহিত চিৰবিদ্যমান। সেয়েহে ঈশ্বৰ প্ৰেমময় আৰু সৰ্বশক্তিমান উভয়ে হ'ব নোৱাৰে-ই এক উভয়সংকট।

যুগ যুগ ধৰি প্ৰাচ্য আৰু পাশ্চাত্যৰ দাৰ্শনিক আৰু ধৰ্মগুৰু সকলে অহিতৰ সমস্যাৰ বিষয়ে চিন্তা-চৰ্চা আৰু আলোচনা কৰি বিভিন্ন সমাধান আগবঢ়াইছে। শুভ-অশুভ অথবা হিত-অহিত অথবা মঙ্গল-অমঙ্গল- এই পৰস্পৰ বিৰোধী শক্তি দুটা এনেদৰে সংমিশ্ৰিত যে ইহঁতক পৃথক কৰাটো অসম্ভৱ। মানৱ জীৱনটো হৈছে মঙ্গল আৰু অমঙ্গলৰ সংমিশ্ৰণ। পৃথককৈ কোনো এটাক বোধগম্য কৰিবলৈ চেষ্টা কৰাটো বৃথা। স্বাভাৱিকতে প্ৰশ্ন হয়, দয়ালু শক্তিৰ দ্বাৰা সৃষ্ট জগতখনত কিদৰে অহিতৰ অন্তৰ্ভুক্তি হ'ল? যদি পৃথিৱী সৃষ্টিৰ পূৰ্বতেই অহিত আছিল,তেন্তে অহিতৰ উপস্থিতিত ঈশ্বৰ সসীম হৈ পৰিল। যদি ঈশ্বৰ সৰ্বজ্ঞ আৰু দয়ালু, তেন্তে এনে ঈশ্বৰে কিয় তেওঁৰ সৃষ্টিত শাৰীৰিক আৰু নৈতিক অহিতৰ অনুমোদন কৰিলে?

হয়তো ঈশ্বৰ যদিও পৰমমঙ্গল আৰু পৰমজ্ঞানী, তথাপি তেওঁ অহিত বোধ কৰিবলৈ অপাৰগ; নতুবা তেওঁ সৰ্বশক্তিমান, সৰ্বক্ষ আৰু মঙ্গলময় হ'লেও অহিতৰ অনুমোদন কৰিলে-এই বাবেহে যে, অহিতে বিপদ সংকেতৰূপে মানুহক সৎ হোৱাৰ নৈতিক শিক্ষা প্ৰদান কৰিব পাৰে।

১১.৪ আগষ্টিনৰ অহিত সম্পৰ্কে মত

অহিতৰ উৎপত্তি সম্পৰ্কীয় যিবোৰ মতবাদে অহিতক বিশ্বৰ মূল উপাদানভুক্ত কৰি অহিতক হিতৰ সমকক্ষ বুলি গণ্য কৰে, তেনে মতবাদ আগষ্টিনকে মুখ্য কৰি পৌৰাণিক খ্ৰীষ্টধৰ্মৰ শিক্ষণে খণ্ডন কৰিছে।

আগষ্টিনৰ মতে, বিশ্বব্ৰহ্মাণ্ডৰ অন্তৰালত এক শুভশক্তিয়ে বিৰাজ কৰে। তেওঁ জড় বস্তুক অহিত বুলি ধাৰ্য্যকৰা পৌৰাণিক অন্ধবিশ্বাসক অস্বীকাৰ কৰিছিল। তেওঁৰ মতে মঙ্গল অথবা শুভ বিভিন্ন তৰহৰ উচ্চ অথবা নিম্নমানৰ বা মহৎ অথবা ঠেক পৰিসৰৰ। কিন্তু প্ৰত্যেক সত্তাই প্ৰদূষিত অথবা কলুষিত নোহোৱা পৰ্য্যন্ত স্বকীয়ভাৱে আৰু স্তৰ অনুযায়ী শুভ। কোনো খু-অভিপ্ৰায়, কোনো ধৰণৰ কষ্ট অথবা প্ৰকৃতিৰ ক্ষয়-ক্ষতি ঈশ্বৰে সৃষ্টি কৰা নাই, যদিও এইবোৰে অন্তৰ্নিহিতভাৱে মূল্যৱান কোনো সত্তাৰ বিকৃত অৱস্থাক সূচায়। এই প্ৰয়ংগত, মঙ্গল হ'ল যথাস্থানত যথাবিহিতভাৱে থকা সত্তাৰ অৱস্থান। মূলগতভাৱে, অহিত হ'ল হিতৰ পৰজীৱি (Parasitie)

১১.৫ আগষ্টিনৰ সিদ্ধান্ত

আগষ্টিনৰ দৰ্শনত অহিত সম্পৰ্কে এক অলীক মতবাদ উপস্থাপন কৰা হৈছে। ঈশ্বৰ অথবা তেওঁ সৃষ্টি কৰা জীৱ বোৰত অহিতৰ অস্তিত্ব নাই। যেতিয়া দুটা কাৰ্য্যৰ মাজত সমন্বয় সাধিত নহয়, তেতিয়া অহিতৰ উৎপত্তি হয়।

অহিতৰ নঞৰ্থক ধাৰণাই সূচায় যে, অহিত ঈশ্বৰৰ ইচ্ছাকৃত সৃষ্টি নহয়, যদিও অহিত অবাস্তৱ নহয় অথবা অহিতক অবজ্ঞা কৰিব পৰা নাযায়। আমাৰ অস্তত্বৰ ভেঁটি হিচাপে ঈশ্বৰ আমাৰ মাজত বিদ্যমান, তেওঁৰ সৈতে আমাৰ অভিন্নতা থাকিলেও ঈশ্বৰ মানৱৰ ঊৰ্ধত। অহিতক 'ছদ্মবেশী মঙ্গল' অথবা 'বিভ্ৰান্তি' অথবা 'অভাৱ' অথবা 'আংশিক মঙ্গল' বুলি ধৰ্য্য কৰিব নোৱাৰি। সেয়েহে আগষ্টিনে অহিতৰ বাস্তৱিক সত্যতা স্বীকাৰ কৰিছে। আগষ্টিন আৰু লিবনিজৰ মতানুসৰি সামগ্ৰিক প্ৰেক্ষাপটত প্ৰত্যেক অস্তিত্বশীল সত্তাই শুভ। ক্লেশ আৰু পাপ আংশিক দৃষ্টিকোণৰ পৰাহে অশুভ।

পৰ্য্যায়কৰণবাদী (The gradationist) আৰু ব্ৰহ্মবাদী (Absolutist) সকলে মত পোষণ কৰে যে, ক্লেশ আৰু পাপ বাহ্যিক দৃষ্টিতহে অহিত, সামগ্ৰিক দৃষ্টিত বিশ্বব্ৰহ্মাণ্ডত অহিত পাবলৈ নাই।

১১.৬ দুই প্ৰকাৰৰ অহিত

আগষ্টিনে অহিত দুই প্ৰকাৰৰ বুলি ঠাৱৰ কৰিছে, শাৰীৰিক আৰু নৈতিক। তেওঁ অহিত সম্পৰ্কে তিনিটা মত আগবঢ়াইছে-

(ক) প্ৰথমটো মত হ'ল যে, অমঙ্গল বা অহিত অধিক পৰিমাণত হিত উৎপন্নৰ বাবে প্ৰয়োজনীয়; উদাহৰণ স্বৰূপে, চন্দ্ৰৰ ছাঁ বোৰে পূৰ্ণিমাৰ সৌন্দৰ্য্য বৃদ্ধিহে কৰে।

(খ) অহিত ইতিবাচক নহয়, ই নেতিবাচক, অৰ্থাৎ অহিতে মঙ্গলৰ অভাৱক সূচায়।

(গ) মানুহ নিজৰ নৈতিক স্খলনৰ বাবে নিজেই দায়ী, ঈশ্বৰক দোষ দিব নোৱাৰি।

১১.৭ ঈশ্বৰ আৰু অহিতৰ সম্পৰ্কত আগষ্টিনৰ মত ঃ

প্লেটোৰ ঘোৰ সমৰ্থক হ'লেও আগষ্টিনৰ মতে জড় অহিতৰ কাৰণ নহয়। অন্যহাতে, প্লেটোৰ মতে জড় অহিতৰ কাৰণ। আগষ্টিনৰ মতে, জড়কো ঈশ্বৰেই সৃষ্টি কৰিছে। যাক অহিত বুলি গণ্য কৰা যায়, সিয়েই যথা সময়ত মঙ্গললৈ পৰিবৰ্তিত হ'ব পাৰে। ঈশ্বৰে অমঙ্গল সৃষ্টি নকৰে, কিন্তু অমঙ্গল অনুমোদন কৰে।

১১.৮ নৈতিক অহিতৰ ধৰ্মীয় ব্যাখ্যা

আগষ্টিনে সম্পূৰ্ণ ধৰ্মীয় দৃষ্টিকোণৰ পৰা নৈতিক অহিতৰ ব্যাখ্যা কৰিছে। তেওঁৰ মতে আদিম মানৱ আদামে প্ৰথমে স্বাধীন ইচ্ছাশক্তিৰ দ্বাৰা পৰিচালিত আছিল। কিন্তু ঈশ্বৰৰ অবাধ্য হোৱাৰ বাবে স্খলন হ'ল আৰু আদামৰ ইচ্ছাৰ স্বাধীনতা খৰ্ব হ'ল আৰু আদামৰ পাপকাৰ্য্যৰ ফল (নিষিদ্ধ ফল ভক্ষণ) সমগ্ৰ মানৱ জাতিয়ে ভুগিবলগীয়া হ'ল। প্ৰথম মানৱ আদামে যিহেতু নিষিদ্ধ ফল ভক্ষণ কৰিলে, তেওঁ হ'ল পতিত মানৱ আৰু আদামৰ বংশধৰ সকল হ'ল পতিত অবাধ্য ব্যক্তি। তেওঁকোকে স্বাধীন ইচ্ছা হেৰুৱাই পৃথিৱী প্ৰেমিক হৈ পৰিল।

১১.৯ যীশুৰ কৃপা পূৰ্ব-পৰিকল্পনা মতবাদ আৰু আগষ্টিনৰ মতৰ স্ববিৰোধ।

পাৰ্থিৱপ্ৰেমত আসক্ত হৈ থাকিলেও কিছু সংখ্যক ব্যাক্তি ত্ৰাণকৰ্তা যীশুৰ কৃপাত ৰক্ষা পাবলৈ সক্ষম হয়। লক্ষণীয় বিষয়টো হ'ল যে, একে মানৱ জাতিৰে এটা গোট ৰক্ষিত আৰু অন্য এটা নিন্দিত। ইয়াকে পূৰ্বপৰিকল্পনা মতবাদ বুলি জনা যায়। সেইবাবে আগষ্টিনৰ মতে, সকলো ধৰণৰ ভাল আৰু বেয়া কাৰ্য্যই ছাঁ পুতলাৰ খেলা। ইয়াতে আগষ্টিনৰ মতৰ বিৰোধ পৰিলক্ষিত হয়। কাৰণ এহাতে তেওঁৰ জ্ঞানত্বত মানুহক অব্যৰ্থভাৱে স্বাধীন বুলি গণ্য কৰা হয় আৰু অন্যহাতেদি তেওঁৰ ঈশ্বৰত্বত মানুহক পুতলা হিচাপে গণ্য কৰা হয়।

আগষ্টিনৰ মতে, মানুহৰ পৃথিৱীখন পাৰ্থিৱ স্তৰত বিৰাজ কৰে আৰু চয়তানৰ ৰাজ্যত অৱস্থান কৰে। পৃথিৱী আৰু নৰকৰ ৰাজ্যৰ সৃষ্টি কৰ্তা হ'ল সৰ্বশক্তিমান আৰু দয়ালু ঈশ্বৰ।

১১.১০ ঈশ্বৰৰ দ্বাৰা নিৰ্বাচিত জনৰ সত্যলোকত প্ৰৱেশ আৰু পতিত জনৰ নৰকৰ জুইত প্ৰৱেশ।

আগষ্টিনৰ মতে, শেষ বিচাৰৰ পিছত ঈশ্বৰৰ দ্বাৰা নিৰ্বাচিত (Elect) জনে স্বৰ্গীয় আনন্দ ধ্যানমগ্ন জীৱন (Contemplative Life) আৰু ঈশ্বৰ প্ৰেমৰ যোগেদি সত্যলোকত প্ৰৱেশ কৰে। অন্যহাতে, পতিত সকলে পাৰ্থিৱ লাভৰ বাবে অহৰহ লিপ্ত হৈ থাকোঁতেই শেষ বিচাৰৰ দিনা নৰকৰ জুইত প্ৰৱেশ কৰেগৈ।

জানি থোৱা ভাল



বিচাৰৰ দিন ঃ খ্ৰীষ্টধৰ্মৰ পৰজন্মৰ ধাৰণাত অন্তৰ্ভুক্ত হৈছে 'চূড়ান্ত বিচাৰৰ দিন', 'মৃতসকলৰ পুনৰুত্থান' আৰু 'স্বৰ্গ আৰু নৰকত স্থান প্ৰাপ্তি'। চূড়ান্ত বিচাৰৰ দিনা দেহধাৰী আত্মাবোৰক ঈশ্বৰৰ ওচৰলৈ অনা হয়। যীশুৰ আদৰ্শৰ অনুগামী সকলক স্বৰ্গলৈ প্ৰেৰণ কৰা হয় আৰু অনপসৰণ নকৰা পাপীসকলক নৰকলৈ প্ৰেৰণ কৰা হয়।

স্বৰ্গ আৰু নৰক ঃ খ্ৰীষ্টান ধৰ্ম অনুসৰি, স্বৰ্গ হ'ল মৃত্যুৰ পিচত ঈশ্বৰৰ সাহচৰ্য্যত লাভ কৰা অপাৰ আনন্দ আৰু সুখৰ ঠাই। নৰক হ'ল ঈশ্বৰৰ সৈতে সংযোগ হেৰোৱা সকলে অহৰহ শাস্তি পোৱা ঠাই।

লিবনিজ (১৬৪৬-১৭১৬) ঃ জাৰ্মানীৰ প্ৰসিদ্ধ দাৰ্শনিক সকলৰ ভিতৰত অগ্ৰগণ্যৰূপ বিবেচিত লিবনিজৰ জন্ম হৈছিল লিপজিগত। স্ব-শিক্ষিত লিবনিজ একাধাৰে গণিতজ্ঞ, পদাৰ্থবিজ্ঞানী, বুৰঞ্জীবিদ, অধিবিদ্যাবিদ আৰু কুটনীতিবিদ আছিল। এৰিষ্টট'লৰ পিছতে বিশ্বকোষীয় জ্ঞানৰ অধিকাৰী, বিৰল প্ৰতিভাসম্পন্ন লিবনিজে "Theodiey", The Monadology" আৰু "The Principles of Nature and Grace" আদি বহুতো উল্লেখযোগ্য গ্ৰন্থ প্ৰণয়ন কৰিছিল।

অগ্ৰগতি নিৰীক্ষণ



১। আগষ্টিনে খ্ৰীষ্টধৰ্মৰ সৈতে কোনজন দাৰ্শনিকৰ দৰ্শনৰ সমন্বয়সাধন কৰিছিল?

২। আগষ্টিনৰ মতে মানৱ জীৱনৰ অন্তিম লক্ষ্য কি?

৩। অহিতে কি ৰূপত মানুহক সৎ হোৱাৰ নৈতিক শিক্ষা প্ৰদান কৰিব পাৰে?

৪। আগষ্টিনে কোনটো পৌৰাণিক অন্ধবিশ্বাসক অস্বীকাৰ কৰিছিল?

৫। কোনো কি-অভিপ্ৰায়, কষ্ট অথবা প্ৰকৃতিৰ ক্ষয়-ক্ষতিয়ে কি সূচায়?

৬। শুদ্ধ উত্তৰ বাছি উলিৱাওক ঃ

(ক) ঈশ্বৰ প্ৰেমময় আৰু সৰ্বশক্তিমান উভয়ে হ'ব নোৱাৰে। (শুদ্ধ/অশুদ্ধ)

(খ) হিত অহিত এই শক্তি দুটা সংমিশ্রিত হৈ থাকিলেও ইহঁতক পৃথক কৰাটো সম্ভৱ। (শুদ্ধ/অশুদ্ধ)

(গ) অহিতে মানুহক সৎ হ'বলৈ নৈতিক শিক্ষা প্রদান কৰে। (শুদ্ধ/অশুদ্ধ)

(ঘ) অহিত হিতৰ সমকক্ষ বুলি আগষ্টিনে মত পোষণ কৰিছিল। (শুদ্ধ/অশুদ্ধ)

(ঙ) আগষ্টিনৰ মতে, বিশ্বব্রহ্মাণ্ডৰ অন্তৰালত এক শুভ শক্তি আছে। (শুদ্ধ/অশুদ্ধ)

(চ) আগষ্টিনৰ মতে, কোনো কু-অভিপ্রায়, কোনোধৰণৰ কষ্ট অথবা প্রকৃতিৰ ক্ষয়-ক্ষতি ঈশ্বৰে সৃষ্টি কৰা নাই। (শুদ্ধ/অশুদ্ধ)

৭। খালী ঠাই পূৰণ কৰক ঃ

(ক) আগষ্টিনৰ মতে, প্রেম হ'ল--------।

(খ) ঈশ্বৰ ------ আৰু ------ উভয়ে হ'ব নোৱাৰে।

(গ) যদি পৃথিৱী সৃষ্টিৰ পূৰ্বেই অহিত আছিল, তেন্তে অহিতৰ উপস্থিতিত ঈশ্বৰ ------ হৈ পৰিল।

(ঘ) আগষ্টিনৰ মতে বিশ্বব্রহ্মাণ্ড ------ আৰু বিশ্বব্রহ্মাণ্ডৰ অন্তৰালত এক ------ বিৰাজ কৰে।

৮। আগষ্টিনে অহিত সম্পর্কে কি মতবাদ আগবঢ়াইছিল?

৯। আগষ্টিনৰ মতে, অহিতৰ কি দৰে উৎপত্তি হ'য়?

১০। আগষ্টিনে কি কাৰণত অহিতৰ বাস্তৱিক সত্যতা স্বীকাৰ কৰিছে?

১১। আগষ্টিনৰ মতে, অহিত কেই প্রকাৰৰ?

১২। আগষ্টিনৰ অহিত সম্পর্কীয় প্রথম মতটো কি?

১৩। আগষ্টিনৰ মতে, অহিত ইতিবাচন নে নেতিবাচক?

১৪। আগষ্টিন কোনজন প্রসিদ্ধ দার্শনিকৰ সমর্থক আছিল?

১৫। শুদ্ধ উত্তৰ বাছি উলিৱাওক ঃ

(ক) অহিত ঈশ্বৰৰ ইচ্ছাকৃত সৃষ্টি নহয়। (শুদ্ধ/অশুদ্ধ)

(খ) অহিতক 'ছদ্মবেশী মঙ্গল' বুলি ধার্য্য কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

(গ) ক্লেশ আৰু পাপ আংশিক দৃষ্টিকোণৰ পৰা শুভ। (শুদ্ধ/অশুদ্ধ)

(ঘ) অমঙ্গল বা অহিতে অধিক পৰিমাণত হিত উৎপন্ন কৰে। (শুদ্ধ/অশুদ্ধ)

(ঙ) ঈশ্বৰে অমঙ্গল সৃষ্টি নকৰে, কিন্তু অমঙ্গল অনুমোদন কৰে। (শুদ্ধ/অশুদ্ধ)

১৬। খালী ঠাই পূৰণ কৰক ঃ

(ক) অহিতে মঙ্গলৰ ------ সূচায়।

(খ) ------ বিশ্বব্রহ্মাণ্ডত অহিত পাবলৈ নাই।

(গ) অহিত ------ নহয়।

(ঘ) অহিত বুলি যাক গণ্য কৰা হয়, সিয়েই যথাসময়ত ------ পৰিৱর্তন হ'ব পাৰে।

১৭। প্রথম মানৰ আদামৰ পাপ কি আছিল?

১৮। আদামৰ পাপৰ ফল কোনে ভোগ কৰিবলগীয়া হ'ল?

১৯। পূর্বপৰিকল্পনা মতবাদ কি?

২০। আগষ্টিনৰ মতে মানুহৰ পৃথিৱীখন কোন স্তৰত বিৰাজ কৰে?

২১। আগষ্টিনৰ মতেস পতিত জনৰ শেষ দশা কি হয়?

২২। শুদ্ধ উত্তৰ বাছি উলিৱাওক ঃ

(ক) ঈশ্বৰৰ অবাধ্য হোৱাৰ ফলত আদামৰ ইচ্ছাৰ স্বাধীনতা নোহোৱা হ'ল। (শুদ্ধ/অশুদ্ধ)

(খ) প্রথম মানৰ আদামে নিষিদ্ধ ফল ভক্ষণ কৰি পতিত মানৰ হ'ল। (শুদ্ধ/অশুদ্ধ)

(গ) আগষ্টিনৰ জ্ঞানতত্বত মানুহক স্বাধীন বুলি গণ্য কৰা নহয়। (শুদ্ধ/অশুদ্ধ)

(ঘ) আগষ্টিনৰ মতে, ঈশ্বৰৰ দ্বাৰা নির্বাচিত জনে সত্যলোকত প্রৱেশ কৰে। (শুদ্ধ/অশুদ্ধ)

২৩। খালী ঠাই পূৰণ কৰক ঃ

(ক) আগষ্টিনে ------ নৈতিক অহিতৰ ব্যাখ্যা কৰিছে।

(খ) আগাম হ'ল ------ আৰু আদামৰ বংশধৰ সকল হ'ল ------।

(গ) পতিত ব্যক্তিসকলে স্বাধীন ইচ্ছা হেৰুৱাই ------হৈ পৰিল।

(ঘ) এনে মানৰ জাতিৰে এটাগোট ------ আৰু অন্য এটা গোট ------।

(ঙ) আগষ্টিনৰ মতে, মানুহৰ পৃথিৱীখন ------ অৱস্থান কৰে।

(চ) আগষ্টিনৰ মতে, ঈশ্বৰৰ দ্বাৰা নির্বাচিতজনে ------, ------আৰু ------ যোগেদি সত্যলোকত প্রৱেশ কৰে।



১১.১১ অধ্যায়টোৰ পৰা আমি কি শিকিলো।

- ধর্মক সংকীর্ণতাৰ পৰা মুক্ত কৰি সম্যক আৰু ব্যাপক স্তৰত এক বিশ্বজনীন ৰূপ প্রদান কৰিবলৈ সক্ষম হোৱা আগষ্টিন হ'ল প্রথমজন খ্রীষ্টান দার্শনিক।
- আগষ্টিনৰ মতে ঈশ্বৰৰ লগত একাকাৰ হোৱাই হ'ল মানৰ জীৱনৰ অন্তিম লক্ষ্য।
- যিহেতু অহিত চিৰবিদ্যমান, সেয়েহে ঈশ্বৰ প্রেমময় আৰু সর্বশক্তিমান উভয়ে হ'ব নোৱাৰে, ই এক উভয়সংকট।

- যেতিয়া দুটা কার্য্যৰ মাজত সমন্বয়সাধিত নহয়, তেতিয়াই অহিতৰ উৎপত্তি হয়।
- আগষ্টিনে অহিতৰ বাস্তৱিক সত্যতা স্বকীৰ কৰিছে।
- অহিত দুই প্রকাৰৰ ঃ শাৰীৰিক আৰু নৈতিক; অধিক পৰিমাণত হিত উৎপন্ন হ'বৰ বাবে অহিতৰ প্রয়োজন স্বীকাৰ কৰিব লাগিব।
- আগষ্টিনৰ মতে, যাক অহিত বুলি গণ্য কৰা হয়, সিয়েই যথা সময়ত মঙ্গললৈ পৰিবর্তিত হ'ব পাৰে।
- প্রথম মানৱ আদামে যিহেতু নিষিদ্ধ ফল ভক্ষণ কৰিলে, তেওঁ হ'ল পতিত মানৱ আৰু আদামৰ বংশধৰ সকল হ'ল পতিত অবাধ্য ব্যাক্তি। তেওঁলোকে স্বাধীন ইচ্ছা হেৰুৱাই পার্থিৱ জগতত আসক্তহৈ পৰিল।
- যীশুৰ কৃপাত কিছুসংখ্যক লোক উদ্ধাৰ পাবলৈ সক্ষম হয়।
- আগষ্টিনৰ মতে সকলোধৰণৰ ভাল আৰু বেয়া কার্য্যই ছাঁ আৰু পুতলাৰ খেলা।
- আগষ্টিনৰ মতে, মানুহৰ পৃথিৱীখন পার্থিৱ স্তৰত বিৰাজ কৰে আৰু চয়তানৰ ৰাজ্যত অৱস্থান কৰে।
- সর্বশক্তিমানআৰুদয়ালু ঈশ্বৰেই স্বর্গ আৰু চয়তানৰ ৰাজ্য সৃষ্টি কৰিছে।
- আগষ্টিনৰ মতানুসৰি, শেষ বিচাৰৰ পিছত ঈশ্বৰৰ দ্বাৰা নির্বাচিত সকলো সত্যলোকত প্রৱেশ কৰে আৰু পতিত সকলে নৰকৰ জুইত প্রৱেশ কৰে।

১১.১২ অধিক জানিবলৈ ঃ

1. **Y Masiah (2010) :** A critical History of western philosophy, Motilal Banarsidass publishers Private Limited, Delhi.
2. **Fransk Thilly(1973) :** A History of Philosophy, Central Book Depot, Allahabad.
3. **T.Z. Lavine (1984) :** From Socrates to Sartre Bantam Books, New York.
4. **Fullen/Me Murrin (1976) :** A History of Philosophy, Oxford & IBH Publishing Co, New Delhi.

১১.১৩ অগ্রগতিৰ খতিয়ান ঃ

১। উত্তৰ ঃ

আগষ্টিনে খ্রীষ্টধর্মৰ সৈতে প্লেটোৰ দর্শনৰ সমন্বয়সাধন কৰিছিল।

২। উত্তৰ ঃ

আগষ্টিনৰ মতে, ঈশ্বৰৰ লগত একাকাৰ হোৱাই হ'ল মানৱ জীৱনৰ অন্তিম লক্ষ্য।

৩। উত্তৰ ঃ

অহিতে বিপদ সংকেত ৰূপত মানুহক সৎ হোৱাৰ নৈতিক শিক্ষা প্ৰদান কৰিব পাৰে।

৪। উত্তৰ ঃ

আগষ্টিনে জড় বস্তুক অহিত বুলি ধাৰ্য্য কৰা পৌৰাণিক অন্ধবিশ্বাসক অস্বীকাৰ কৰিছিল?

৫। উত্তৰ ঃ

কোনো কু-অভিপ্ৰায়, কষ্ট অথবা প্ৰাকৃতিক ক্ষয়-ক্ষতিয়ে অন্তর্নিহিতভাৱে মূল্যৱান কোনো সত্তাৰ বিকৃত অৱস্থাক সূচায়।

৬। উত্তৰ ঃ

(ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ

(ঘ) অশুদ্ধ (ঙ) শুদ্ধ (চ) শুদ্ধ

৭। উত্তৰ ঃ

(ক) উচ্চতম সদ্‌গুণ (খ) প্ৰেমময়, সর্বশক্তিমান

(গ) সসীম (ঘ) শুভ, শুভশক্তিয়ে

৮। উত্তৰ ঃ

আগষ্টিনে অহিত সম্পৰ্কে এক অলীক মতবাদ আগবঢ়াইছিল।

৯। উত্তৰ ঃ

আগষ্টিনৰ মতে, যেতিয়া দুটি কাৰ্য্যৰ মাজত সমন্বয়সাধিত নহয়, তেতিয়াই অহিতৰ উৎপত্তি হয়।

১০। উত্তৰ ঃ

অহিতক 'ছদ্মবেশী মঙ্গল' অথবা 'বিভ্ৰান্তি' অথবা 'অভাৱ' অথবা 'আংশিক মঙ্গল' বুলি ধাৰ্য্য কৰিব নোৱাৰি; সেয়েহে আগষ্টিনে অহিতৰ বাস্তৱিক সত্যতা স্বীকাৰ কৰিছিল।

১১। উত্তৰ ঃ

আগষ্টিনৰ মতে অগিত দুই প্ৰাকৰৰ।

১২। উত্তৰ ঃ

অহিত সম্পৰ্কীয় প্ৰথম মতবাদটো হ'ল যে, অহিত বা অমঙ্গল অধিক পৰিমাণত হিত উৎপন্নৰ বাবে প্ৰয়োজনীয়।

১৩। উত্তৰঃ

আগষ্টিনৰ মতে অহিত নেতিবাচক।

১৪। উত্তৰঃ

আগষ্টিন প্লেটোৰ সমর্থক আছিল।

১৫। উত্তৰঃ

(ক) শুদ্ধ(খ) অশুদ্ধ (গ) অশুদ্ধ (ঘ) শুদ্ধ (ঙ) শুদ্ধ

১৬। উত্তৰঃ

(ক) অভাৱক (খ) সামগ্রিক দৃষ্টিত (গ) ইতিবাচক

(ঘ) মঙ্গললৈ (ঙ) জড় (চ) অনুমোদন

১৭। উত্তৰঃ

প্রথম মানৱ আদামৰ পাপ হ'ল নিষিদ্ধফল ভক্ষণ।

১৮। উত্তৰঃ

আদামৰ পাপৰ ফল সমগ্র মানৱ জাতিয়ে ভোগ কৰিবলগীয়া হ'ল।

১৯। উত্তৰঃ

পূর্বপৰিকল্পনা মতবাদটোৱে মত পোষণ কৰে যে একে মানৱ জাতিৰে এটা গোট ৰক্ষিত আৰু অন্য এটা গোট নিন্দিত। কাৰণ সকলো ভাল আৰু বেয়া কর্ম ছাঁ পুতলাৰ খেলা মাথো।

২০। উত্তৰঃ

আগষ্টিনৰ মতে মানুহৰ পৃথিৱীখন পার্থিৱ স্তৰত বিৰাজ কৰে।

২১। উত্তৰঃ

পতিত জনে শেষ বিচাৰৰ দিনা নৰকৰ জুইত প্রৱেশ কৰে।

২২। উত্তৰঃ

(ক) শুদ্ধ(খ) শুদ্ধ (গ) অশুদ্ধ (ঘ) শুদ্ধ

২৩। উত্তৰঃ

(ক) ধর্মীয় দৃষ্টিকোণৰ পৰা (খ) পতিত মানৱ, পতিত অবাধ্য ব্যাক্তি

(গ) পৃথিৱীপ্রেমিক (ঘ) ৰক্ষিত, নিন্দিত

(ঙ) চয়তানৰ ৰাজ্যত (চ) স্বর্গীয় আনন্দ, ধ্যানমগ্ন জীৱন, ঈশ্বৰ প্রেমৰ

১১.১৪ আৰ্হি প্ৰশ্ন ঃ

১। বস্তুধৰ্মী প্ৰশ্ন ঃ

(ক) আগষ্টিনে কি কাৰণে অহিতৰ বাবে উভয় সংকট হয় বুলি কৈছিল?

(খ) আগষ্টিনৰ দৰ্শনত অলীক মতবাদ কি?

(গ) অহিত কেইপ্ৰকাৰৰ?

(ঘ) মঙ্গল কি?

২। চমু প্ৰশ্ন ঃ

(ক) আগষ্টিনৰ দৰ্শনত অলীক মতবাদ কি?

(খ) আগষ্টিনৰ অগিত সম্পৰ্কে তিনিটা মত কি কি আছিল?

(গ) আগষ্টিনৰ নৈতিক অহিতৰ ব্যাখ্যা কৰক।

(ঘ) পূৰ্বপৰিকল্পনাৰ মতবাদ কাক কয়?

(ঙ) ঈশ্বৰৰ দ্বাৰা নিৰ্বাচিত সকলৰ কি লাভ হয় আৰু পতিত সকলৰ কি দশা হয়?

(চ) অহিতক কিয় বাস্তৱিকভাৱেসত্য আৰু সামগ্ৰিকভাৱে অস্তিত্বহীন বুলি কোৱা হয়?

(ছ) সন্ত আগষ্টিনৰ মচু পৰিচয় দিয়ক।

(জ) অহিত হ'ল হিতৰ পৰজীৱি, ব্যাখ্যা কৰক।

(ঝ) আগষ্টিনে কিয় অহিতৰ বাস্তৱিক সত্যতা স্বীকাৰ কৰিছে?

(ঞ) পৰ্য্যায়কৰণবাদী আৰু ব্ৰহ্মবাদী সকলে ক্লেশ আৰু পাপৰ বিষয়ে কি মত পোষণ কৰে?

(ট) আগষ্টিনৰ মতে, ঈশ্বৰ আৰু অহিতৰ সম্পৰ্ক কি?

৩। ৰচনা ধৰ্মী প্ৰশ্ন ঃ

(ক) আগষ্টিনে অহিতক কেনেদৰে ব্যাখ্যা কৰিছে, এই বিষয়ে আলোচনা কৰক।

(খ) আগষ্টিনৰ অহিত সম্পৰ্কে কি ধাৰণা আছিল আৰু অহিতৰ নেতিবাচক প্ৰভাৱৰ পৰা মুক্ত হ'বলৈ কি পন্থা অৱলম্বন কৰা উচিত, আলোচনা কৰা।

*** **** ***

অধ্যায় ঃ ১২ আগষ্টিন ঃ জ্ঞানৰ মতবাদ

অধ্যায় গাঁথনি ঃ

১২.১ উদ্দেশ্য

১২.২ চেইন্ত আগষ্টিনৰ চমু পৰিচয়

১২.৩ মধ্যযুগীয় পাশ্চাত্য দর্শনত আগষ্টিনৰ দ্বাৰা ধর্মীয় গোড়ামিৰ অৱসান

১২.৪ ঈশ্বৰ আৰু আত্মা

১২.৫ সত্যৰ বস্তুনিষ্ঠতা আৰু ঈশ্বৰৰ পৰা সত্যৰ উৎপত্তি

১২.৬ জ্ঞান বিকশিত হোৱাৰ তিনিটা স্তৰ

১২.৭ আত্মাৰ তিনিটা অবিচ্ছেদ্য দিশ

১২.৮ মানুহ আৰু ঈশ্বৰৰ মনত থকা যৌক্তিক সত্য, গাণিতিক সত্যতা আৰু সুন্দৰৰ মানদণ্ড

১২.৯ জ্ঞান লাভৰ বাবে সক্রিয় ইচ্ছা আৰু সংবেদনৰ উপৰিও মনোযোগ আৰু চৈতন্য উদয়ৰ আৱশ্যকতা

১২.১০ ঈশ্বৰৰ কৃপা ঈশ্বৰ জ্ঞানৰ বাবে অপৰিহার্য্য

১২.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলো

১২.১২ অধিক জানিবলৈ

১২.১৩ অগ্রগতিৰ খতিয়ান

১২.১৪ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য ঃ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি -

- চেইণ্ট আগষ্টিনৰ চমু পৰিচয় জানিব পাৰিব।
- আগষ্টিনে মধ্যযুগৰ পাশ্চাত্য দর্শনৰ ধর্মীয় গোড়ামিৰ ঠাইত কিদৰে প্লেটবাদ আৰু যুক্তিবাদৰ প্রবর্তন কৰিছিল, এই বিষয়ে জানিব পাৰিব।
- আগষ্টিনৰ মতে বিশ্বস, যুক্তি আৰু প্রজ্ঞানৰ ধাৰণাৰ বিষয়ে জানিব পাৰিব।
- আগষ্টিনৰ মতে সত্যৰ বস্তুনিষ্ঠতা আৰু সত্যৰ উৎপত্তিস্থল, ঈশ্বৰৰ বিষয়ে জানিব পাৰিব।
- আগষ্টিনৰ মতে জ্ঞান বিকশিত হোৱাৰ তিনিটা স্তৰৰ বিষয়ে, পৃথিৱী সৃষ্টিৰ তিনিটা ব্যাখ্যা আৰু আত্মাৰ তিনিটা অবিচ্ছেদ্য দিশৰ বিষয়ে জানিব পাৰিব।
- আগষ্টিনৰ মতে জ্ঞান লাভৰ বাবে কিদৰে সক্রিয় ইচ্ছা আৰু সংবেদনৰ উপৰিও মনোযোগ আৰু চৈতন্য উদয়ৰ আৱশ্যক হয়, এই বিষয়ে জানিব পাৰিব।

- ঈশ্বৰ জ্ঞানৰ বিষয়ে আগষ্টিনৰ মত, ঈশ্বৰৰ কৃপাৰ প্ৰয়োজনীয়তাৰ বিষয়ে জানিব পাৰিব।

১২.২ পৰিচয় ঃ

চেইণ্ট আগষ্টিনৰ (৩৫৪-৪৩০ খ্ৰীষ্টব্দ) জন্ম হৈছিল খ্ৰীষ্টান ধৰ্ম সংস্কাৰৰ এক সংঘাটপূৰ্ণ সময়ত উত্তৰ আফ্ৰিকাৰ টাগাষ্ট (Tagaste) নামৰ সৰু চহৰত। তেওঁ ৩৯১ খ্ৰীষ্টাব্দত আফ্ৰিকাৰ হিপোৰ যাজক পদত অধিষ্ঠিত হৈছিল। তেওঁ গভীৰ দাৰ্শনিক ভাৱেৰে পৱিত্ৰ গ্ৰন্থবোৰ অধ্যয়ন কৰি খ্ৰীষ্টান ধৰ্মৰ উন্নতি সাধনত মনোনিৱেশ কৰিছিল। "Confession" আৰু "City of God" আছিল তেওঁৰ দুখন উল্লেখযোগ্য গ্ৰন্থ। আগষ্টিনে জ্ঞনতত্ব সম্পৰ্কীয় ধাৰণাসমূহ De Musica নামৰ গ্ৰন্থত যুক্তি সহকাৰে আলোচনা কৰিছে।

আগষ্টিনৰ দাৰ্শনিক আলোচনা পদ্ধতিগত নাছিল যদিও তেওঁ প্ৰায় সকলো সমস্যাৰ বিষয়ে গভাৰভাৱে বিচাৰ-বিশ্লেষণ কৰিছিল। সেইবাবেই প্ৰায় ন-শতিকাৰো অধিক কাল আগষ্টিনৰ দৰ্শনে খ্ৰীষ্যান ধৰ্মক প্ৰভাৱিত কৰি ৰাখিবলৈ সক্ষম হৈছিল।

১২.৩ মধ্যযুগীয় পাশ্চাত্য দৰ্শনত আগষ্টিনৰ দ্বাৰা ধৰ্মীয় গোড়ামিৰ অৱসান ঃ

বহুযুগ ধৰি পাশ্চাত্য দৰ্শন খ্ৰীষ্টান ধৰ্মৰ বিশ্বাস আৰু গীৰ্জাৰ কতৃত্বৰ দ্বাৰা প্ৰভাৱান্বিত হৈ আছিল। ফলত, যুক্তিনিষ্ঠ চিন্তা-চৰ্চ্চাৰ বিলোপ সাধন হৈছিল। দৰ্শন হৈ পৰিছিল ধৰ্মৰ অধীন। দৈৱবাণীৰ দ্বাৰা প্ৰেৰিত ঈশ্বৰৰ ত্ৰিমূৰ্তি আৰু পুণৰজন্মবাদ (Incarnation) ইত্যাদি ধৰ্মীয় গোড়ামি আৰু বদ্ধমূল ধাৰণাৰ প্ৰগাঢ় বিশ্বাসৰ গ্ৰাসত প্ৰাচীন গ্ৰীক দৰ্শনৰ যুক্তিনিষ্ঠ, নৈতিক আৰু অৰ্থবহ জীৱন দৰ্সনৰ উচ্চমান বিশিষ্ট ভাৱধাৰা নিঃশেষ হৈ যোৱাৰ উপক্ৰম হৈছিল। মধ্যযুগত তেনে এক সন্ধিক্ষণত বৈপ্লৱিকভাৱে চেইণ্ট আগষ্টিনে প্লেটবাদ আৰ থমাচ একুইনাচে এৰিষ্টটলীয় দৰ্শনৰ পুণৰুদ্ধাৰ কৰিছিল। চেইণ্ট আগষ্টিনে চতুৰ্থ শতিকাৰ দ্বিতীয়ৰ্ধত খ্ৰীষ্টধৰ্মৰ লগত প্লেটোৰ দৰ্শনৰ সমন্বয়সাধন কৰিছিল।

১২.৪ ঈশ্বৰ আৰু আত্মা ঃ

আগষ্টিনৰ জ্ঞানতত্বৰ বিষয়বস্তু প্ৰধানকৈ ঈশ্বৰ আৰু আত্মা, অন্যান্য সকলোবোৰ জ্ঞান, যেনে, তৰ্কবিদ্যাৰ জ্ঞান, অধিবিদ্যাআৰু নীতিশাস্ত্ৰ সম্বন্ধীয় জ্ঞানৰ মূল্য নিৰ্ভৰ কৰে, সেই জ্ঞানে কি পৰিমাণে ঈশ্বৰ জ্ঞানৰ সহায়ক হ'বলৈ সক্ষম হ'ব।

সন্ত আগষ্টিনে কেৱল বিদ্যায়তনিক উদ্দেশ্যৰে তেওঁৰ জ্ঞান সম্পৰ্কীয় মতবাদ প্ৰৱৰ্তন কৰা নাছিল। তেওঁৰ লক্ষ্য আছিল প্ৰকৃত সুখ আৰু পৰমানন্দৰ উপলব্ধি। তেওঁ আগবঢ়োৱা জ্ঞানতত্বৰ মতবাদত প্ৰধানকৈ বিশ্বাস আৰু যুক্তিৰ সংমিশ্ৰণ ঘটা দেখা যায়।

কোনো এটা বিষয় সুদৃঢ়ভাৱে বিশ্বাস কৰিলে তাৰ বৌদ্ধিক দিশৰ নিশ্চয়তাত নির্ণয় কৰি লোৱাটো আমাৰ কর্তব্য। অর্থাৎ আমি বিশ্বস কৰাৰ যুক্তি কি সেই বিষয়ে বিচাৰ কৰা যুক্তত। কিছমান বিষয় আছে যিবোৰক বোধগম্য নহ'লে বিশ্বাস কৰিব পৰা নাযায়, সেইদৰে অন্য কিছুমান বিষয় আছে, যিবোৰক বিশ্বাস কৰিব নোৱাৰিলে বোধগম্য নহয়। আগষ্টিনৰ মতে, সন্দেহৰ অন্তৰালত সত্যৰ জ্ঞান নিহিত হৈ থাকে, কাৰণ সত্যত উপনীত হ'বৰ বাবেই মানহ সন্দেহৰ বশবর্তী হয়। তেনেদৰে, বুদ্ধিমত্তাৰ জড়িয়তে বোধগম্য হোৱা বিষয়বস্তুত আস্থাশীল হ'বলৈ বিশ্বাসৰ প্রয়োজন।

আগষ্টিনৰ মতে, এক দৈৱিক সৃজনাত্মক তত্ত্বোপলব্ধিৰ উদ্দেশ্যত বুদ্ধিয়ে সম্পন্ন কৰা শ্রেষ্ঠ কর্মকে প্রজ্ঞান বুলি অভিহিত কৰিব পাৰি। সকলো প্রকাৰৰ বোধগম্যতাই, আনকি বিজ্ঞানভিত্তিক বুদ্ধিমত্তাৰ দ্বাৰা আহৰণ কৰা বোধগম্যতাইও এই দৈৱিক সৃজনাত্মক তত্ত্বৰ ওপৰত গুৰুত্ব প্রদান কৰাটো অপৰিহার্য্য।

বুদ্ধিয়ে নিশ্চিত কৰিব লাগিব যে, দৈৱবাণী (Revelation) স্বৰূপার্থত সংঘটিত হৈছিল; আৰু দৈৱবাণী বিশ্বাসযোগ্য বুলি নিশ্চিত হোৱাৰ পিছত; বিশ্বাসৰ সমর্থন আদায় কৰি বুদ্ধিয়ে বুজিবলৈ আৰু ব্যাখ্যা কৰিবলৈ অগ্রসৰ হয়।

যিবোৰ কথা বিশ্বাস কৰা হয়, সেই সকলোবোৰৰ যুক্তিযুক্ততা সম্বন্ধে ঠাৱৰ কৰিব নোৱাৰি। কিন্তু বিশ্বাসলব্ধ জ্ঞান গীর্ৰাৰ নির্দ্দেশ হিচপে গ্রহণযোগ্য, কাৰণ গীর্জাই ইহলোকত ঈশ্বৰক প্রতিনিধিত্ব কৰে।

১২.৫ সত্যৰ বস্তুনিষ্ঠতা আৰু ঈশ্বৰৰ পৰা সত্যৰ উৎপত্তি ঃ

আগষ্টিনৰ মতে, সত্য বস্তুনিষ্ঠ, সত্য মানৱ মনৰ ব্যক্তিনিষ্ঠ চিন্তন নহয়। সত্য স্বতন্ত্র আৰু ক্ষমতাসম্পন্ন। প্রত্যেক মানুহৰ সত্যবোধ নহ'লেও সত্য সনাতন ও শ্বাশ্বত আৰু অপৰিবর্তনীয়। এই সত্যৰ জগতখন ঈশ্বৰৰ পৰাই উৎপত্তি হৈছে।

১২.৬ জ্ঞান বিকশিত হোৱাৰ তিনিটা স্তৰ ঃ

জ্ঞান বিকশিত হ'বলৈ তিনি স্তৰ অতিক্রম কৰিব লাগে; যেনে-সবেদন, ইন্দ্রিয়জজ্ঞান অর্থাৎ ধাৰণাৰ আধাৰত গঠিত অৱধাৰণ আৰু শেহান্তৰত দৈৱিক সত্তাত ধ্যান। সংবেদন, অৱধাৰণ আৰু ধ্যান তিনিও আগষ্টিনৰ জ্ঞানতত্ত্বত অপৃথক হৈ সাঙোৰ খাই থাকে।

১২.৭ আত্মাৰ তিনিটা অবিচ্ছেদ্য দিশ ঃ

দর্শনৰ দৃষ্টিত পৃথিৱী সৃষ্টিৰ তিনিটা ব্যাখ্যা আছে, যেনে- শূণ্যৰ পৰা উদ্ভৱ হোৱা সৃষ্টি,

ধাৰণা অনুযায়ী হোৱা সৃষ্টি আৰু ঈশ্বৰৰ সৃষ্টি। শূণ্যৰ পৰা হোৱা সৃষ্টিৰ ব্যাখ্যাটোত অন্তর্ভুক্ত 'শূণ্য'শব্দটোৱে জড় বস্তুক সূচায়।

জ্ঞানেন্দ্রিয় আৰু বাহ্যিক দ্রব্য উভয়ৰে পৰাই সংবেদনৰ উৎপত্তি হয়; ফলস্বৰূপে সংবেদনৰ সমস্যা জ্ঞানেন্দ্রিয় আৰু দ্রব্য উভয়ৰে পৰাই সৃষ্টি হয়।

সংবেদনক ঈশ্বৰ অনুসন্ধানৰ প্রথম পদক্ষেপ হিচাপে গণ্য কৰিব পাৰোঁ।সংবেদন হ'ল ইন্দ্রিয়জ জ্ঞানৰ স্তৰ। পার্থিৱ বস্তুৰ সৌন্দর্য্য অথবা কদর্য্য ৰূপটো বিচাৰ কৰিবলৈ হ'লে আমি শ্বাশ্বত অথবা অপার্থিৱ ধাৰণাৰ সহায়ল'ব লাগিব। ইন্দ্রিয়জ জ্ঞানত আৰম্ভ কৰি শেহান্তৰত শ্বাশ্বত ধাৰণাৰ ধ্যানত মনোনিৱেশকৰিব লাগিব। সন্ত আগষ্টিনে ভাৱপোষণ কৰিছিল যে এই শ্বাশ্বত ধাৰণাবোৰ ইষ্টদেৱতা (Personal God) ৰ মনত অন্তর্নিহিত হৈ থাকে। ধ্যানৰ সর্বশেষ পর্য্যায়ত ব্যক্তিয়ে প্রজ্ঞান লাভৰ বাবে যত্নপৰ হয়।

১২.৮ মানুহ আৰু ঈশ্বৰৰ মনত থকা যৌক্তিক সত্য, গাণিতিক সত্যতা আৰু সুন্দৰৰ মানদণ্ড ঃ

আগষ্টিনৰ মতে আমি যে কেৱল যৌক্তিক সত্যহে আহৰণ কৰোঁ এনে নহয়, মঙ্গল আৰু সুন্দৰৰ মানদণ্ডও নির্মাণ কৰোঁ। যৌক্তিক সত্য, গাণিতিক সত্যতা, মঙ্গল আৰু সুন্দৰৰ মানদণ্ড সকলোবোৰ মানুহৰ অন্তৰতে অন্তর্নিহিত হৈ থাকে। যদিও এই ধাৰণাবোৰ সম্পূর্ণভাৱে পাৰলৌকিক, এই ধাৰণাবোৰ হ'ল ঈশ্বৰৰ মনত থকা ধাৰণা।

১২.৯ জ্ঞান লাভৰ বাবে সক্রিয় ইচ্ছা আৰু সংবেদনৰ উপৰিও মনোযোগ আৰু চৈতন্য উদয়ৰ আৱশ্যকতা ঃ

ব্যক্তিৰ সক্রিয় ইচ্ছা অবিহনে কেৱল ইন্দ্রিয়জ জ্ঞান আৰু বুদ্ধিৰ উত্তৰণৰ যোগেদি ঈশ্বৰৰ দর্শন লাভ অসম্ভৱ।

আগষ্টিনৰ মতে, সংবেদন এটা নিষ্ক্রিয় প্রক্রিয়া। সংবেদন জ্ঞানেন্দ্রিয়ৰ ওপৰত বাহ্যিক চাপ পেলায় আৰু এই বাহ্যিক চাপৰ প্রভাৱ পর্য্যাপ্ত নহয়; কাৰণ সংবেদনৰ প্রতি মনোযোগ দিলেহে চৈতন্যৰ উদয় হয়। উদাহৰণ স্বৰূপে, আমি ৰঙা গোলাপ এপাহৰ সংবেদন পালেও যদি গোলাপ পাহৰ প্রতি মনোযোগ নিদিওঁ, তেন্তে ইয়াৰ ৰঙা ৰঙটো দেখিবলৈ নেপায়। মনোযোগ কর্মৰ প্রতি থকা আগ্রহক সূচায়। আমি যেতিয়া গোলাপ ফুল আৰু ইয়াৰ ৰঙৰ প্রতি আগ্রহন্বিত হওঁ, তেতিয়াহে আমিইয়াৰ ৰঙা ৰঙটো দেখিবলৈ পাওঁ আৰু ইয়াৰ সগন্ধৰ ঘ্রাণ ল'বলৈ সক্ষম হওঁ। মনোযোগৰ উৎপত্তিস্থল হ'ল সক্রিয় ইচ্ছা। যদি আমি স্ব-ইচ্ছাৰে অতিত ৰোমন্থন কৰোঁ, তেন্তে সঠিকভাৱে স্মৰণ আৰ কল্পনা কৰাটো সম্ভৱপৰ হৈ পৰে। বৌদ্ধিক অৱধাৰণ আৰু যুক্তিক (গাণিতিক যুক্তি অথবা ন্যায়ৰ ক্ষেত্রত) সক্রিয় ইচ্ছাৰ উপস্থিতিয়ে স্পষ্টতা প্রদান কৰে।

১২.১০ ঈশ্বৰৰ কৃপা ঈশ্বৰৰ জ্ঞানৰ বাবে অপৰিহার্য্য

আগষ্টিনৰ মতে, আমি সম্পূর্ণভাৱে ঈশ্বৰক জানিব নোৱাৰো। ঈশ্বৰৰ অস্তিত্ব সম্বন্ধে আমি জ্ঞাত হ'লেও ঈশ্বৰ কি সেই সম্পর্কে আমি অজ্ঞ। আমি আংশিক ভাৱেহে ঈশ্বৰক জানিব পাৰোঁ আৰু ঈশ্বৰে ইচ্ছা কৰিলেহে ই সম্ভৱপৰ হয়। মানুহে নিজ চেষ্টাৰ বলত ঈশ্বৰক জানিব নোৱাৰে। তদুপৰি ঈশ্বৰৰ কৃপা অবিহনে ঈশ্বৰৰ জ্ঞান সম্ভৱপৰ নহয়।

অগ্রগতি নিৰীক্ষণ



১। আগষ্টিনৰ দুখন উল্লেখযোগ্য গ্রন্থৰ নাম লিখক।

২। আগষ্টিনৰ মতে প্রজ্ঞান কি?

৩। বিশ্বাসলব্ধ জ্ঞান কি কাৰণত গীর্জাৰ নির্দ্দেশ হিচাপে গ্রহণযোগ্য?

৪। শুদ্ধ উত্তৰটো বাছি উলিৱাওক ঃ

(ক) চেইণ্ট আগষ্টিনে অৰিষ্টটলীয় দর্শনৰ পুণৰুদ্ধাৰ কৰিছিল। (শুদ্ধ/অশুদ্ধ)

(খ) আগষ্টিনৰ জ্ঞানতত্বৰ বিষয়বস্তু প্রধানকৈ ঈশ্বৰ আৰু আত্মা। (শুদ্ধ/অশুদ্ধ)

(গ) আগষ্টিনে বিদ্যায়তনিক উদ্দেশ্যৰে তেওঁৰ জ্ঞান সম্পর্কীয় মতবাদ প্রৱর্তন কৰিছিল। (শুদ্ধ/অশুদ্ধ)

(ঘ) বুদ্ধিমত্তাৰ জড়িয়তে বোধগম্য নোহোৱা বিষয়বস্তুত আস্থাশীল হ'বলৈ বিশ্বাসৰ প্রয়োজন। (শুদ্ধ/অশুদ্ধ)

(ঙ) যিবোৰ কথা বিশ্বাস কৰা হয়, সেইবোৰৰ যুক্তিযুক্ততা সম্বন্ধে ঠাৱৰ কৰিব নোৱাৰি। (শুদ্ধ/অশুদ্ধ)

৫। খালী ঠাই পূৰণ কৰক ঃ

(ক) বহুযুগ ধৰি পাশ্চাত্য দর্শন ------ আৰু ------ দ্বাৰা প্রভাৱান্বিত হৈ আছিল।

(খ) আগষ্টিনে আগবঢ়োৱা জ্ঞানতত্বৰ মতবাদত ------ আৰু ------সংমিশ্রণ দেখা যায়।

(গ) আগষ্টিনৰ মতে, সত্যত উপনীত হ'বৰ বাবেই মানুহ ------ বশবর্তী হয়।

(ঘ) সকলোধৰণৰ বোধগম্যতাই ------ ওপৰত গুৰুত্ব প্রদান কৰে।

৬। সত্যৰ জগতখন ক'ৰ পৰা উৎপত্তি হৈছে।

৭। জ্ঞান বিকশিত হোৱাৰ তিনিটা স্তৰ কি কি?

৮। পৃথিৱী সৃষ্টিৰ তিনিটা ব্যাখ্যা কি কি?

৯। শ্বাশ্বত ধাৰণাবোৰ কাৰ মনত অন্তর্নিহিত হৈ থাকে।

১০। শুদ্ধ উত্তৰটোবাছি উলিৱাওক ঃ

(ক) আগষ্টিনৰ মতে সত্য ব্যক্তিনিষ্ঠ। (শুদ্ধ/অশুদ্ধ)

(খ) জ্ঞানেন্দ্রিয় আৰু বাহ্যিক দ্রব্য উভয়ৰে পৰাই সংবেদনৰ উৎপত্তি হয়। (শুদ্ধ/অশুদ্ধ)

(গ) সংবেদনক ঈশ্বৰ অনুসন্ধানৰ প্রথম পদক্ষেপ হিচাপে গণ্য কৰিব পাৰো। (শুদ্ধ/অশুদ্ধ)

(ঘ) পার্থিৱ বস্তুৰ সৌন্দর্য্য অথবা কদর্য্য ৰূপটো বিচাৰ কৰিবলৈ হ'লে আমি পার্থিৱ ধাৰণাৰ সহায় ল'ব লাগিব। (শুদ্ধ/অশুদ্ধ)

১১। খালী ঠাই পূৰণ কৰা ঃ

(ক) প্রত্যেক মানুহৰ সত্যবোধ নহ'লেও সত্য ------।

(খ) শ্বাশ্বত ধাৰণাবোৰ ------ৰ মনত অন্তর্নিহিত হৈ থাকে।

(গ) ধ্যানৰ সর্বশেষ পর্য্যায়ত ------ লাভৰ চেষ্টা কৰা হয়।

১২। যৌক্তিক সত্য, গাণিতিক সত্যতা, মঙ্গল আৰু সুন্দৰৰ ধাৰণা কাৰ অন্তৰত থাকে এই বিষয়ে লিখক।

১৩। ইন্দ্রিয়জ জ্ঞান আৰু বুদ্ধিৰ উত্তৰণৰ উপৰিও ঈশ্বৰ দর্শনৰ বাবে কি প্রয়োজন হয় এই বিষয়ে লিখক।

১৪। মনোযোগৰ উৎপত্তি স্থল কি?

১৫। শুদ্ধ উত্তৰটো বাছি উলিৱাওক ঃ

(ক) মানুহে যৌক্তিক সত্যৰ লগতে মঙ্গল আৰু সুন্দৰৰ মানদণ্ডও নির্মাণ কৰোঁ। (শুদ্ধ/অশুদ্ধ)

(খ) আগষ্টিনৰ মতে সংবেদন এটা নিষ্ক্রিয় প্রক্রিয়া। (শুদ্ধ/অশুদ্ধ)

(গ) মানুহে আংশিকভাৱেহে ঈশ্বৰক জানিব পাৰে। (শুদ্ধ/অশুদ্ধ)

(ঘ) ঈশ্বৰৰ অস্তিত্ব আৰু ঈশ্বৰ কি, এই সম্পর্কে আমি অজ্ঞ। (শুদ্ধ/অশুদ্ধ)

১৬। খালী ঠাই পূৰণ কৰক ঃ

(ক) যৌক্তিক সত্য, গাণিতিক সত্যতা, মঙ্গল আৰু সুন্দৰৰ মানদণ্ডসম্পূর্ণৰূপে ------।

(খ) সংবেদনৰ প্রতি মনোযোগ দিলেহে ------ উদয় হয়।

(গ) মনোযোগৰ উৎপত্তি স্থল হ'ল ------।

(ঘ) ------ ঈশ্বৰৰ জ্ঞান সম্ভৱপৰ নহয়।



১২.১১ অধ্যাটিৰ পৰা আমি কি শিকিলোঁ ঃ

- চেইণ্টআগষ্টিনৰ দর্শনে প্রায় ন শতিকাৰো অধিক কাল খ্রীষ্টান ধর্মক প্রভাৱিত কৰি ৰাখিছিল।
- আগষ্টিনৰ জ্ঞানতত্বৰ বিষয়বস্তু প্রধানকৈ ঈশ্বৰ আৰু আত্মা।

- আগষ্টিনে বিদ্যয়তনিক উদ্দেশ্যৰে জ্ঞানৰ ব্যাখ্যা নকৰি, প্ৰকৃত সুখ আৰু পৰমানন্দৰ উপলব্ধিক গুৰুত্ব দিছিল।
- তেওঁৰ জ্ঞানতত্বত বিশ্বাস আৰুযুক্তিৰ সংমিশ্ৰণ ঘটিছে।
- তেওঁৰ মতে, সন্দেহৰ অন্তৰালত সত্য জ্ঞান নিহিত হৈ থাকে, কাৰণ সত্যত উপনীত হ'বৰ বাবেই মানুহ সন্দেহৰ বশবৰ্তী হয়।
- আগষ্টিনৰ মতে, বিশ্বাসলব্ধ জ্ঞান গীৰ্জাৰ নিৰ্দ্দেশ হিচাপে গ্ৰহণযোগ্য।
- সংবেদন, অৱধাৰণ আৰু ধ্যান তিনিও আগষ্টিনৰ জ্ঞানতত্বত অপৃথক। সংবেদনক ঈশ্বৰ অনুসন্ধানৰ প্ৰথম পদক্ষেপ হিচাপে গণ্য কৰা হয়।
- আগষ্টিনৰ মতে, ইন্দ্ৰিয়জ জ্ঞানৰ পৰা শ্বাশ্বত ধাৰণাৰ ধ্যানত মনোনিৱেশ কৰোঁ আৰু পৰ্য্যায়ক্ৰমে প্ৰজ্ঞান লাভ কৰিবলৈ যত্নপৰ হওঁ।
- ব্যক্তিৰ সক্ৰিয় ইচ্ছা অবিহনে কেৱল উন্দ্ৰিয়জ জ্ঞান আৰু বুদ্ধিৰ উত্তৰণৰ যোগেদি ঈশ্বৰ দৰ্শন লাভ কৰিব নোৱাৰি।
- আগষ্টিনৰ মতে, সংবেদনৰ প্ৰতি মনোযোগ দিলেহে চৈতন্যৰ উদয় হয়। মনোযোগৰ উৎপত্তি স্থল হ'ল সক্ৰিয় ইচ্ছা।
- আগষ্টিনৰ মতে, মানুহে নিজৰ চেষ্টাৰ বলত ঈশ্বৰক জানিব নোৱাৰে।
- ঈশ্বৰৰ কৃপা অবিহনে ঈশ্বৰৰ জ্ঞান সম্ভৱপৰ নহয়।

১২.১২ অধিক জানিবলৈ ঃ

1. **Professor Lavine (1984) :** From Socrates to Sartre : The Philosophie Quest : A Bantam Books, New Dehli.
2. **বিশ্বকোষ (দশম খণ্ড, ২০০৯)** ঃ অসম সাহিত্য সভা, যোৰহাট।
3. **Y Masiah (2010) :** A critical History of western philosophy, Motilal Banarsidass publishers Private Limited, Delhi.
4. **Fransk Thilly(1973) :** AHistory of Philosophy, Central Book Depot, Allahabad.
5. **Fuller Memurrin, 1976 :** AHistory of Philosophy, Oxford and IBH Publishing Co. New Delhi.
4. **Fullen/Me Murrin (1976) :** A History of Philosophy, Oxford & IBH Publishing Co, New Delhi.

১২.১৩ অগ্রগতিৰ খতিয়ান ঃ

১। উত্তৰ ঃ

আগষ্টিনৰ দুখন উল্লেখযোগ্য গ্রন্থ হ'ল "Cofession" আৰু "City of God".

২। উত্তৰ ঃ

এক দৈৱিক সৃজনাত্মক তত্ত্বোপলব্ধিৰ উদ্দেশ্যত বুদ্ধিয়ে সম্পন্ন কৰা শ্রেষ্ঠ কর্মকে প্রজ্ঞান বুলি অভিহিত কৰিব পাৰি।

৩। উত্তৰ ঃ

বিশ্বাসলব্ধ জ্ঞান গীর্জাৰ নির্দ্দেশ হিচাপেগ্রহণযোগ্য, কাৰণ গীর্জাই ইহলোকত ঈশ্বৰক প্রতিনিধিত্ব কৰে।

৪। উত্তৰ ঃ

(ক) অশুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ (ঘ) অশুদ্ধ (ঙ) শুদ্ধ

৫। উত্তৰ ঃ

(ক) খ্রীষ্টান ধর্মৰ, বিশ্বাস আৰু গীর্জাৰ কর্তৃত্বৰ

(খ) খ্রীষ্টান আৰু যুক্তিৰ

(গ) সন্দেহৰ

(ঘ) দৈৱিক সৃজনাত্মক তত্বৰ

৬। উত্তৰ ঃ

সত্যৰ জগতখন ঈশ্বৰৰ পৰা উৎপত্তি হৈছে।

৭। উত্তৰ ঃ

জ্ঞান বিকশিত হেৱাৰ তিনিটা স্তৰ হ'ল সংবেদন, অৱধাৰণ আৰু ধ্যান।

৮। উত্তৰ ঃ

পৃথিৱী সৃষ্টিৰ তিনিটা ব্যাখ্যা হ'ল, শূণ্যৰ পৰা উদ্ভৱ হোৱা সৃষ্টি, ধাৰণা অনুযায়ী হোৱাসৃষ্টি আৰু ঈশ্বৰৰ সৃষ্টি।

৯। উত্তৰ ঃ

শ্বাশ্বত ধাৰণাবোৰ ইষ্টদেৱতাৰ মনত অন্তর্নিহিত হৈ থাকে।

১০। উত্তৰ ঃ

(ক) অশুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

১১। উত্তৰ ঃ

(ক) সনাতন (খ) ইষ্টদেৱতাৰ (গ) প্ৰজ্ঞান

১২। উত্তৰ ঃ

যৌক্তিক সত্য, গণিতিক সত্যতা, মঙ্গল আৰু সুন্দৰৰ ধাৰণা মানুহ আৰু ঈশ্বৰৰ অন্তৰত অন্তর্নিহিত হৈ থাকে।

১৩। উত্তৰ ঃ

ইন্দ্ৰিয়জ জ্ঞান আৰু বুদ্ধিৰ উত্তৰণৰ উপৰিও ব্যক্তিৰ সক্ৰিয় ইচ্ছা ঈশ্বৰৰ দৰ্শনৰ বাবে প্ৰয়োজনীয়।

১৪। উত্তৰ ঃ

মনোযোগৰ উৎপত্তি স্থল হ'ল সক্ৰিয় ইচ্ছা।

১৫। উত্তৰ ঃ

(ক) শুদ্ধ(খ) শুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

১৬। উত্তৰ ঃ

(ক) পাৰলৌকিক (খ) চৈতন্যৰ (গ) সক্ৰিয় ইচ্ছা (ঘ) ঈশ্বৰৰ কৃপা অবিহনে

১২.১৪ আৰ্হি প্ৰশ্ন ঃ

১। বস্তুধৰ্মী প্ৰশ্ন ঃ

(ক) চেইণ্ট আগষ্টিনে কোনখন গ্ৰন্থত জ্ঞানতত্ত্বৰ বিষয়ে আলোচনা কৰিছে?

(খ) সত্যৰ জগতখন ক'ৰ পৰা উৎপত্তি হৈছে?

(গ) পৃথিৱী সৃষ্টি সম্বন্ধে দৰ্শনত কেইটা ব্যাখ্যা আগবঢ়োৱা হৈছে?

(ঘ) মনোযোগৰ উৎপত্তি স্থল কি?

(ঙ) আগষ্টিনৰ জ্ঞানতত্ত্বৰ বিষয় বস্তু কি কি?

২। চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক) ঃ

(ক) আগষ্টিনৰ চমু পৰিচয় আৰু তেওঁৰ পাশ্চাত্য দৰ্শনলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে লিখক।

(খ) ঈশ্বৰ জ্ঞান লাভ কৰিবলৈ বিশ্বাস আৰু যক্তিৰ সহযোগিতাৰ বিষয়ে ব্যাখ্যা কৰক।

(গ) জ্ঞান লাভৰ বাবে সংবেদন, সক্ৰিয় ইচ্ছা, মনোযোগ আৰু চৈতন্যৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

৩। চমুটোকা লিখক (১৫০ টা শব্দৰ ভিতৰত) ঃ

(ক)আগষ্টিনৰ জ্ঞানতত্ত্বৰ মতবাদত বিশ্বায় আৰু যুক্তিৰ স্থানৰ বিষয়ে লিখক।

(খ) আগষ্টিনৰ মতে ঈশ্বৰ জ্ঞান লাভৰ বিভিন্ন পর্য্যায়বোৰৰ বিষয়ে আলোচনা কৰক।

৪। ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শ্বদৰ ভিতৰত) ঃ

(ক) আগষ্টিনৰ মতে সংবেদন, সক্রিয় ইচ্ছা, মনোযোগ, চৈতন্য উদয় আৰু শেষত ঈশ্বৰৰ কৃপাই কিদৰে ঈশ্বৰৰ জ্ঞান লাভ সম্ভৱপৰ কৰে, এই বিষয়ে আলোচনা কৰক।

*** **** ***

অধ্যায় ঃ ১৩ এন্‌চেল্‌মৰ ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণ

অধ্যায় গাঁথনি ঃ

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ঈশ্বৰৰ অস্তিত্ব প্ৰমাণৰ প্ৰয়োজনীয়তা

১৩.৪ এন্‌চেল্‌মৰ তাত্তিক প্ৰমাণ অথবা তাত্ত্বিক যুক্তি

১৩.৫ তাত্ত্বিক যুক্তিৰ প্ৰতি দাৰ্শনিক সকলৰ প্ৰতিক্ৰিয়া

১৩.৬ এন্‌চেল্‌ম আৰু কিছু সাল-সলনি সহকাৰে ডেকার্টৰ দ্বাৰা তাত্ত্বিক যুক্তিৰ ব্যাখ্যা

১৩.৭ তাত্ত্বিক যুক্তিবিৰোধীৰ অভিযোগবোৰ

১৩.৮ এন্‌চেল্‌মৰ দ্বাৰা অভিযোগৰ খণ্ডন

১৩.৯ সামৰণি আৰু মন্তব্য

১৩.১০ আধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.১১ অধিক জানিবলৈ

১৩.১২ অগ্ৰগতিৰ খতিয়ান

১৩.১৩ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য ঃ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- সন্ত এন্‌চেল্‌মৰ চমু পৰিচয় জানিব পাৰিব।
- ঈশ্বৰৰ অস্তিত্বৰপ্ৰমাণৰ প্ৰয়োযনীয়তাৰ বিষয়ে জানিব পাৰিব।
- এন্‌চেল্‌মে আগবঢ়োয়া তাত্ত্বিক যুক্তি আৰু অন্যান্য দাৰ্শিনিক সকলৰ প্ৰতিক্ৰিয়া সম্বন্ধে জানিব পাৰিব।
- ডেকার্টে কিদৰে তাত্ত্বিক যুক্তিক ব্যাখ্যা কৰিছিল জানিব পাৰিব।

১৩.২ পৰিচয় ঃ

সন্ত এন্‌চেল্‌ম (১০৩৩-১১০৯ খ্ৰীষ্টাব্দ) উত্তৰ ইটালীৰ এওষ্টা নামেৰে ঠাইত জন্ম গ্ৰহণ কৰিছিল। তেওঁ কেণ্টাৰবাৰী গীৰ্জাৰ আৰ্কবিচপ আছিল। তেওঁ এজন নৈষ্ঠিক খ্ৰীষ্টান আছিল আৰু খুব একাগ্ৰচিতে খ্ৰীষ্টান ধৰ্মৰ বিষয়ে অধ্যয়ন কৰিছি। তেওঁ ধৰ্মীয় বিশ্বাসবোৰৰ সত্যতা গভীৰভাৱে উপলব্ধি কৰিছিল; তদুপৰি তেওঁ আছিল অনমনীয় দাৰ্শনিক আৰু

অৰ্ন্তদৃষ্টিসম্পন্ন ব্যক্তি।

এন্‌চল্‌মে এঘাৰ শতিকাত ঈশ্বৰৰ অস্তিত্ব সম্বন্ধে তাত্ত্বিক যুক্তি উত্থাপন কৰিছিল।এন্‌চেলমে তেওঁৰ ধৰ্মতত্ত্বত প্লেট'বাদী দাৰ্শনিক সন্ত আগষ্টাইনক অনুসৰণ কৰিছিল। ঈশ্বৰৰ বিষয়ে লিখা তেওঁৰ বিখ্যাত গ্ৰন্থ দুখন হ'ল 'Monologium' আৰু 'Proslogion' তেওঁৰ অন্যান্য লেখনীবোৰৰ ভিতৰত লেখত ল'বলগীয়া গ্ৰন্থ হ'ল 'Cur Deus Homo(Why the God-man)', 'DeConceltuVirginali Pecca to Originali (On Virginal Conception and Original Sin)।

এন্‌চেল্‌ম প্ৰকৃতাৰ্থত এজন সাধুলোক আৰু আদৰ্শ শিক্ষক আছিল। তেওঁ শুচিতা আৰু সুবিবেচনা, ভদ্ৰতা আৰু দৃঢ়তা, কাৰুণ্য আৰু সংযম গুণৰ অধিকাৰীহোৱাৰ উপৰিও আকৰ্ষনীয় ব্যক্তিত্ব সম্পন্ন পুৰুষ আছিল।

১৩.৩ ঈশ্বৰৰ অস্তিত্ব প্ৰমাণৰ প্ৰয়োজনীয়তা ঃ

বহুকেইজন ইতিহাস প্ৰসিদ্ধ দাৰ্শনিকে বৌদ্ধিক যুক্তিৰ আলমত, ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে, অৰ্থাৎ ঈশ্বৰ বিশ্বাসৰ সপক্ষে সমৰ্থন আগবঢ়োৱা দেখা যায়। যদিওএনে যুক্তিবোৰে নাস্তিকজনক ঈশ্বৰ বিশ্বাসীহ'বৰ বাবে কোনো অৱদান আগবঢ়াৰ পৰা নাই, তৎসত্ত্বেও এনে অস্তিত্বৰ প্ৰমাণবোৰে ঈশ্বৰ বিশ্বাসক সুদৃঢ়কৰিবলৈ সমৰ্থ হৈছে। এই যুক্তিবোৰে ঈশ্বৰৰ সত্যতা প্ৰতিপন্ন কৰিবলৈ অপৰাগ হ'লেও নাস্তিকজনক নিজৰ মতামত সলাবলৈ প্ৰভাৱান্বিত কৰিব পাৰে; এইবোৰে মানুহৰ ধৰ্ম সম্বন্ধীয় চিন্তন আৰু মনস্তত্বৰ স্বৰূপ আৰু উদ্দেশ্যৰ বিষয়ে অবগত কৰাবলৈ সমৰ্থ হোৱা দেখা যায়। তথাকথিত 'প্ৰমাণ' বোৰ হ'ল আচলতে ধৰ্মীয় আচৰণ আৰু ধৰ্মীয় ভাৱ জগাই তোলাৰ গোহাৰি।

১৩.৪ এন্‌চেল্‌মৰ ঈশ্বৰৰ অস্তিত্বৰ বিষয়ক তাত্ত্বিক যুক্তি ঃ

সন্ত এন্‌চেল্‌ম (১০৩৩-১১০৯ খ্ৰীষ্টাব্দ) এজন নৈষ্ঠিক খ্ৰীষ্টধৰ্মী লোক আছিল, যিজনে ঈশ্বৰৰ অস্তিত্বৰ সমৰ্থনত এটা প্ৰসিদ্ধ যুক্তিৰ অৱতাৰণা কৰিছিল, যি তাত্ত্বিক যুক্তি ৰূপে সমাদৰ লাভ কৰিছে। তেওঁ আছিল খ্ৰীষ্টধৰ্ম প্ৰচাৰ ও অগ্ৰণী ভূমিকা লোৱা গীৰ্জাৰ এজন প্ৰাচীন মৌলিক চিন্তাবিদ, এজন মহান ধৰ্মতত্ত্ববিদ (Theologion) আৰু কেণ্টাৰবেৰিৰ যাজক পদত অধিষ্ঠিতহৈ আজীৱন ধৰ্ম সম্বন্ধীয় চিন্তন অব্যাহত ৰখা এজন অসামান্য ব্যক্তি। এন্‌চেল্‌মে খুব গভীৰভাৱে খ্ৰীষ্টধৰ্মৰ অপৰিহাৰ্য্য উপাদান 'বিশ্বাস'ৰ তাৎপৰ্য্য উপলব্ধি কৰিছিল আৰু ধৰ্মৰ প্ৰয়োজনত বিচাৰ যুক্তিতকৈ বিশ্বাসৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছিল।

তেওঁ 'Proslogion' নামৰ গ্ৰন্থত প্ৰণালীবদ্ধভাৱে তাত্ত্বিক যুক্তি লিপিবদ্ধ কৰিছিল। তাত্ত্বিক যুক্তিত নিহিত হৈ থকা ভাৱধাৰণাটো হ'ল যে এই যুক্তিয়ে পূৰ্ণ ঈশ্বৰৰ মৌলিক ধাৰণাৰ

পৰাই ঈশ্বৰৰ অস্তিত্ব নিৰ্ণয় কৰা সম্ভৱ বুলি ঘোষণা কৰে। এন্‌চেল্‌মে ভাৱে যে যিজনে ঈশ্বৰৰ অৰ্থ বুজি পায়, তেওঁ ঈশ্বৰৰ অনস্তিত্বৰ কথা আনকি মনলৈও আনিব নোৱাৰে।

তাত্ত্বিক যুক্তি ভিন ভিন ধৰণেউপস্থাপন কৰা হৈছে। এই যুক্তিৰ মুখ্য ধাৰণা হ'ল যে ঈশ্বৰৰ সত্যতা ঈশ্বৰৰ ধাৰণাতে অন্তর্নিহিত হৈ থাকে। ঈশ্বৰৰ ধাৰণা কোনো সাধাৰণ ধাৰণা নহয়। এই ধাৰণা হ'ল এক অসামান্য ধাৰণা। আমাৰ মনত ঈশ্বৰৰ ধাৰণাৰ অৱস্থিতিয়েই ঈশ্বৰৰ সত্তা অথবা অস্তিত্বৰ প্ৰমাণ কৰে। এইযুক্তি অভিজ্ঞতাপূৰ্বক, কাৰণ কেৱল ঈশ্বৰৰ ধাৰণাৰ অথবা এক পূৰ্ণ সত্তাৰ বিশ্লেষণ কৰিয়েই ঈশ্বৰৰ অস্তিত্বৰ সিদ্ধান্তত উপনীত হোৱা যায়।

১৩.৫ তাত্ত্বিক যুক্তিৰ প্ৰতি দাৰ্শনিক সকলৰ প্ৰতিক্ৰিয়া ঃ

তাত্ত্বিক অথবা সত্তামূলক যুক্তিয়ে প্ৰচণ্ডভাৱে দৰ্শনৰ জগতত প্ৰভাৱ পেলাইছিল। এন্‌চেল্‌মৰ উপৰিও ৰেনে ডেকার্ট আছিল এই যুক্তিৰ প্ৰধান সমৰ্থক। তদুপৰি ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় অন্যান্য প্ৰমাণ বা যুক্তিবোৰ, যেনে- জগত-কাৰণ প্ৰমাণ, উদ্দেশ্যমূলক প্ৰমাণ, নৈতিক প্ৰমাণ ইত্যাদি প্ৰমাণবোৰে সত্তামূলক যুক্তিক সত্য বুলি মানি লয়। প্ৰখ্যাত জাৰ্মান দাৰ্শনিক লাইব্‌নিজ আৰু হেগেলেও তাত্ত্বিক যুক্তি সমৰ্থন কৰে। হেগেলৰ অনুগামী দাৰ্শনিক সকলেও এই যুক্তিটো অনুমোদন কৰে। হেগেলীয় সকলৰ বাবে চিন্তা আৰু সত্তা অভিন্ন। কেয়ার্ড আৰু ব্ৰেডলিয়েও এই যুক্তিক গ্ৰহণ কৰিছিল। ব্ৰেডলিৰ মতে, যেতিয়া এজন উপাসকে তেওঁৰ ইষ্টদেৱতাক উপাসনাকৰে, তেতিয়া তেওঁৰ বাবে সেইজন সৰ্বশ্ৰেষ্ঠ, সৰ্বসম্পূৰ্ণ আৰু সৰ্বসত্য।

তাত্ত্বিক যুক্তিক প্ৰৱল ভাৱে প্ৰত্যাখ্যান কৰিছিল বহুকেইজন দাৰ্শনিকে আৰু তাৰে ভিতৰত সন্ত থমাচ্‌ একুইনাচ আৰু ইমানুৱেল কাণ্টৰ নাম উল্লেখনীয়।

১৩.৬ এন্‌চেল্‌ম আৰু কিছু সাল-সলনি সহকাৰে ডেকার্টৰ দ্বাৰা তাত্ত্বিক যুক্তিৰ ব্যাখ্যা ঃ

এন্‌চেল্‌মৰ মতে ঈশ্বৰৰ ধাৰণাটোৰ ভাবার্থ হ'ল যে "ই এনে এক সত্তাৰ ধাৰণা যে, তাতকৈ বৃহত্তৰ অন্য কোনো ধাৰণা কৰিব পৰা নাযায়।" বৃহত্তৰ শব্দটোৱে 'অধিক পূৰ্ণতা'ৰ অৰ্থ বহনকৰে, পৰিসৰৰ দিশত বৃহত্তৰ হোৱাৰ অৰ্থ বহন নকৰে। লক্ষনীয় বিষয়টো হ'ল যে সবাতোকৈ পূৰ্ণ সত্তাৰ অস্তিত্বৰ ধাৰণা আৰু সবাতোকৈ পূৰ্ণ সত্তাৰ ধাৰণা। এই দুই ধাৰণাৰ মাজত পাৰ্থক্য আছে যদিও সংজ্ঞা অনুসৰি এইটো সত্য যে যাক সকলোতকৈ পূৰ্ণ সত্তা বুলি ভৱা যায় সেইয়া অস্তিত্বশীল হ'লেও তাকেই যে এন্‌চেল্‌মে ঈশ্বৰ বুলি অভিহিত কৰিছে, তাৰ নিশ্চয়তা নাই। ঈশ্বৰ হ'ল এনে যি আটাইতকৈ পূৰ্ণ সত্তা বুলি অভিহিত যাৰ পৰিৱৰ্তে এন্‌চেল্‌মে কৈছে যে ঈশ্বৰ হ'ল এনে এক পূৰ্ণ সত্তাৰ ধাৰণা যে; তাতকৈ অধিক পূৰ্ণ সত্তাৰ ধাৰণা কৰিব পৰা নাযায়। ইয়াত পূৰ্ণ সত্তা হ'ল এনে এক সত্তা যাৰ বহুতো উৎকৃষ্ট গুণ আছে আৰু তাৰ ভিতৰত অস্তিত্বও

এটাগুণ। সেয়েহে এনে এক পূৰ্ণ সত্তা অস্তিত্বহীন হ'ব নোৱাৰে। অস্তিত্বক এটা গুণ বুলি ধাৰ্য্য কৰাৰ ওপৰতে অস্তিত্বশীলতাৰ সত্যতা নিৰ্ভৰশীল।

এন্‌চেল্‌মে আগবঢ়োৱা যুক্তিটোৰ প্ৰথম ৰূপটো এনেধৰণৰ; আমাৰ মনত এক পূৰ্ণ সত্তাৰ ধাৰণা আছে আৰু এই পূৰ্ণ সত্তাকে ঈশ্বৰ বুলি অভিহিত কৰা হয়। এন্‌চেল্‌মে দৃঢ়ভাৱে মত পোষণ কৰিছে যে আটাইতকৈ পূৰ্ণ সত্তাৰ ধাৰণাটো বাস্তৱ জগত আৰু মনত একেলগে বিদ্যমান। তেওঁৰ 'Proslogion' নামৰ গ্ৰন্থত তেওঁৰ যুক্তিৰ দ্বিতীয় ৰূপটো পোৱা যায়, য'ত দৃঢ়ভাৱে ঘোষণা কৰা হৈছে যে ঈশ্বৰ অস্তিত্বশীল, কাৰণ তেওঁৰে কেৱল অৱশ্যম্ভাৱী অস্তিত্ব (Necessary Existence) আছে। ঈশ্বৰৰ অৱশ্যম্ভাৱী অস্তিত্বৰ অৰ্থ হ'ল তেওঁস্বতঃ অস্তিত্বশীল (Self Existent)। যিহেতু ঈশ্বৰ কালৰ দ্বাৰাসীমিত নহয়, সেয়েহে কোনো এক বিশে সময়ত ঈশ্বৰৰ সাম্ভাব্য অস্তিত্ব অথবা কোনো এক বিশেষ সময়ত ঈশ্বৰৰ অনস্তিত্বতা ই দুই সম্ভাৱনীয়তা অস্বীকাৰ কৰা প্ৰয়োজন। সেইবাবে, ঈশ্বৰৰ অনস্তিত্বতা একান্তভাৱে অসম্ভৱ। ডেকার্টে সামান্য সাল-সলনি সহকাৰে এই যুক্তিটোৰ সমৰ্থন আগবঢ়াইছিল। তেওঁ সজোৰে মত পোষণ কৰিছে যে যি ধাৰণাই সৰ্বসম্পূৰ্ণ সত্তাক অবগত কৰায়, সেই ধাৰণাৰ কাৰণ স্বয়ং ঈশ্বৰ হ'ব লাগিব। ডেকার্টে 'সম্পূৰ্ণ' শব্দৰ অন্তৰ্নিহিত অৰ্থ গুণ, শক্তি, মঙ্গল, জ্ঞান আৰু অস্তিত্ব বুলি ধাৰ্য্য কৰিছিল। সেয়েহে ঈশ্বৰতকৈ কম কোনো কাৰণৰ পৰা এনে ধাৰণাৰ সৃষ্টি হ'ব নোৱাৰে; আৰু ডেকার্টে এই ধাৰণাক অন্তৰ্জাত ধাৰণা (Innate Idea) বুলি অভিহিত কৰিছিল।

১৩.৭ তাত্ত্বিক যুক্তিবিৰোধীৰ অভিযোগবোৰ ঃ

সত্তামূলক প্ৰমাণৰ বিৰুদ্ধে বহুতো অভিযোগ উত্থাপিত হৈছে; কাণ্টৰ মতে কোনো বস্তু সম্পৰ্কে কৰা একমাত্ৰ ধাৰণাটোৰ পৰাই বস্তুৰ সত্যতা প্ৰমাণ কৰিব পৰা নাযায়। এই সত্তামূলক প্ৰমাণে ভাৱনা আৰু অস্তিত্বৰ মাজৰ প্ৰকৃত প্ৰভেদক অগ্ৰাহ্য কৰিছে। তেওঁ যুক্তি দৰ্শাইছে যে মোৰ মনত থকা এশ ডলাৰৰ একমাত্ৰ ধাৰণাটোৱে মোৰ পকেটত সেইবোৰৰ অস্তিত্ব প্ৰমাণ কৰাটো অসম্ভৱ। সেইদৰে, আমাৰ মনত ঈশ্বৰৰ ধাৰণা থাকিব পাৰে, কিন্তু এই ধাৰণাই ঈশ্বৰৰ অস্তিত্বশীলতা নিৰূপন নকৰে।

গেনিলো (Gaunilon) নামৰ এজন ফৰাচী সন্যাসীয়ে "A Book on behalf of the foll" নামৰ এখন গ্ৰন্থত মন্তব্য কৰিছিল যে এন্‌চেল্‌মৰ যুক্তি যদি অন্যান্য ক্ষেত্ৰত প্ৰয়োগ কৰা হয়, তেন্তে এক অবান্তৰ সিদ্ধান্তৰ উদ্ভৱ হ'ব। গেনিলো এন্‌চেল্‌মৰ লগত একমত যে ঈশ্বৰৰ ধাৰণা তেওঁৰ মনত অৱশ্যম্ভাৱীৰূপে বৰ্তমান। কিন্তু এই ধাৰণাৰ পৰাই ঈশ্বৰ বাস্তৱিকতেও অস্তিত্বশীল বুলি ঠাৱৰ কৰিব নোৱাৰি। তেওঁ আকৌ কৈছে যে যদি কোনোবাই স্বৰ্গতুল্য এক সুন্দৰ দ্বীপৰ কথা কয়, তেন্তে তেওঁৰ বাবে এনে ধাৰণা মনত পোষণ কৰাটো সহজ, কিন্তু মনৰ ভিতৰৰ এনে ধাৰণাৰ পৰাই দ্বীপটোৰ অৱশ্যম্ভাৱী অস্তিত্ব সাব্যস্ত কৰিব পৰা নাযায়।

১৩.৮ এন্‌চেল্‌মৰ দ্বাৰা অভিযোগৰ খণ্ডন ঃ

এন্‌চেল্‌মৰ মতে, ঈশ্বৰৰ ধাৰণাটো হ'ল দ্বীপ আদিৰ দৰে অন্যান্য সাধাৰণ বস্তুৰ পৰা পৃথক এক অসাধাৰণ ধাৰণা। অন্য ধাৰণাৰ ক্ষেত্ৰত সেইবোৰৰ অস্তিত্ব বা অনস্তিত্বৰ বিষয়ে আমি ভাৱিব পাৰোঁ, যিহেতু সেইবোৰ ইহজগতৰে অঙ্গ আৰু অস্তিত্বযুক্ত। ঈশ্বৰৰ ধাৰণা হ'ল সৰ্বোচ্চ আৰু সম্পূৰ্ণ ধাৰণা। কেৱল ঈশ্বৰৰ ক্ষেত্ৰতহে ধাৰণাৰ অস্তিত্বৰ পৰা সত্তাৰ অস্তিত্ব আহৰণ কৰিব পৰা যায়, কাৰণ ঈশ্বৰৰ স্বতন্ত্ৰ আৰু শ্বাশ্বত অস্তিত্ব আছে।

১৩.৯ সামৰণি আৰু মন্তব্য ঃ

কোনো ধৰ্মতত্ত্ববিদে, বিশেষকৈ কার্ল বার্থে, এন্‌চেল্‌মে আগবঢ়োৱা যুক্তিক ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণ বুলি গ্ৰহণ কৰা নাই। তেওঁৰ মতে, আস্তিকজনে দৈৱিক আত্মপ্ৰকাশক সত্তাৰ সৰ্ব্বোচ্চ ধাৰণাতকৈ যাতে কোনো গুণে কম বুলি ঠাৱৰ নকৰে। এন্‌চেল্‌মৰ যুক্তিয়ে এই তাৎপৰ্য্যহে বহন কৰিছে।

তাত্বিতক যুক্তিৰ তাৎপৰ্য্য উপলব্ধি কৰি লট্‌জে (Lotze) ই কৈছে যে পৰম সত্তা, যিটো পৰম মূল্য হ'ল কেৱল এটা মনৰ ভ্ৰান্তি। এনে কথা মানুহে বিশ্বাস কৰিবলৈ ইচ্ছা নকৰে। এই অনিচ্ছা মানুহৰ মনৰ ভিতৰতে নিহিত হৈ থাকে।

গেলোৱেই কৈছে যে, মানুহে নিজৰ বিশ্বাস সম্পৰ্কে সুনিশ্চিত আৰু সেই বিশ্বাসকে তাত্বিক যুক্তিৰ সহায়ত সুদৃঢ় কৰে। কেয়ার্ডৰ মতে, তাত্বিক যুক্তিটোৰ প্ৰকৃত অর্থ হ'ল যে, আধ্যাত্মিক সত্তা হিচপে আমাৰ সমগ্ৰ সচেতনতা এক বিশ্ব চেতনাৰ ওপৰত প্ৰতিষ্ঠিত। যি কেৱল মনৰ ধাৰণা নহয় আৰু যিটোৱে তাৰ অনিবার্য্য অস্তিত্বৰ প্ৰমাণ নিজেই বহন কৰে।

তাত্বিক যুক্তি সম্বন্ধীয় উপৰি উক্ত আলোচনাই এনে ভাৱ বহন কৰে যে, তাত্বিক যুক্তিয়ে বিচাৰ বুদ্ধিতকৈ মানুহৰ বিশ্বাসহে প্ৰকাশ কৰে।



জানি থোৱা ভাল

জি. ডব্লিউ. লাইবনিজ (১৬৪৬-১৭১৬) ঃ প্ৰসিদ্ধ জার্মান দার্শনিক সকলৰ মাজত অগ্ৰগণ্য হিচাপে পৰিচিত লাইবনিজৰ জন্ম হৈছিল লিপজিগ নামৰ চহৰত। স্বশিক্ষিতলাইবনিজ একাধাৰে গণিতজ্ঞ, পদার্থবিদ, বুৰঞ্জিবিদ, অধিবিদ্যাবিদ আৰু কূটনীতিজ্ঞহিচাপে পৰিগণিত হৈছিল। প্ৰকৃতার্থত, তেওঁ আছিল এৰিষ্ট'টলৰ পিছতে সম্যক জ্ঞানৰ অধিকাৰী এক বিৰল প্ৰতিভাসম্পন্ন ব্যক্তি। 'Theodicy', 'The Monodology' আৰু 'The Principlesof Natureand of Grace' হ'ল তেওঁ প্ৰণয়ন কৰা কেইখনমান গ্ৰন্থ।

হেগেলৰ অনুগামী সকল ঃ হেগেল (১৭৭০-১৮৩১) আছিল পৰম ভাৱবাদৰ প্ৰৱর্তক

জার্মানদার্শনিক। হেগেলৰ মৃত্যুৰ পিছত সোঁ-পন্থী আৰু বাওঁ-পন্থীহিচপে দুটা ভাৱধাৰাই গঢ় লৈছিল। প্ৰথমবিধেহেগেলক সমর্থনকৰিছিল আৰু পিছৰ বিধেহেগেলৰ নঞৰ্থক দ্বন্দ্বাত্মক পদ্ধতি প্ৰয়োগ কৰি বৈপ্লৱিক আদর্শৰ গঢ় দিছিল।

ইমানুল কাণ্ট (১৭২৪-১৮০৪) ঃ কাণ্ট আধুনিক যুগৰ জার্মান দার্শনিক আছিল, যিজন মূলতঃ নীতিবিদ, ধর্মতত্ত্ববিদ আৰু প্ৰাকৃতিক বিজ্ঞানী আছিল।

স্ব-অস্তিত্ব ঃ মহান ধর্মতত্ত্ববিধ সকলৰ ৰচনাত স্ব-অস্তিত্বৰ ধাৰণাৰ দুটা ভাৱধাৰা আছে।

(ক) ঈশ্বৰে নিজৰ অস্তিত্ব অথবা লক্ষণৰ বাবে নিজৰ বাহিৰে অন্য সত্যৰ ওপৰত নির্ভৰ নকৰে।

(খ) ঈশ্বৰ সনাতন, অনাদি আৰু অনন্ত।

অন্তর্জাত ধাৰণা ঃ প্লেটো, ডেকার্ট আৰু লাইবনিজে মত পোষণ কৰিছিল যে, মনত একে কিছুমান ধাৰণা অথবা নীতি আছে, যিবোৰৰ অভিজ্ঞতা একেবাৰে সম্ভৱ নহয়; সেই ধাৰণাবোৰেই অন্তর্জাত ধাৰণা।

অভিজ্ঞতাপূর্বক ঃ প্ৰত্যক্ষ জ্ঞানৰ ওপৰত নির্ভৰ নকৰা জ্ঞানৰ এনে উপাদান অথবা প্ৰকাৰ, যিবোৰক সম্পূর্ণভাৱে সত্য বুলি ধার্য্য কৰা হয়।



অগ্রগতি নিৰীক্ষণ

১। এন্‌চেল্‌মে কোন শতিকাত ঈশ্বৰৰ অস্তিত্বৰ সম্বন্ধে যুক্তি আগবঢ়াইছিল?

২। ঈশ্বৰৰ বিষয়ক তেওঁৰ বিখ্যাত গ্ৰন্থ দুখন কি কি আছিল?

৩। ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণবোৰে নাস্তিকজনক কি ধৰণে প্ৰভাৱিত কৰিব পাৰে?

৪। তাত্বিক যুক্তিৰ মুখ্য ধাৰণা কি?

৫। শুদ্ধ উত্তৰ বাছি উলিৱাওক ঃ

(ক) ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণবোৰে নাস্তিক জনক ঈশ্বৰ বিশ্বাসী হ'বৰ বাবে আগ্রহী কৰিব পাৰে। (শুদ্ধ/অশুদ্ধ)

(খ) এন্‌চেল্‌মে বিশ্বাসতকৈ বিচাৰ যুক্তিক শ্রেষ্ঠ বুলি ভাৱিছিল। (শুদ্ধ/অশুদ্ধ)

(গ) তাত্বিক যুক্তিয়ে পূর্ণ ঈশ্বৰৰ মৌলিক ধাৰণাৰ পৰাই ঈশ্বৰৰ অস্তিত্ব নির্ণয় কৰাৰ মত পোষণ কৰে। (শুদ্ধ/অশুদ্ধ)

(ঘ) তাত্বিক যুক্তি অভিজ্ঞতাপূর্বক নহয়। (শুদ্ধ/অশুদ্ধ)

৬। খালী ঠাই পূৰণ কৰক ঃ

(ক) তথাকথিত প্ৰমাণবোৰ হ'ল ------ আৰু ------ জগাই তোলাৰ গোহাৰি।

(খ) তাত্বিক যুক্তি মতে, ঈশ্বৰৰ সত্যতা ------ অন্তর্নিহিত হৈ থাকে।

(গ) তাত্বিক যুক্তি ------।

(ঘ) ------নামৰ গ্ৰন্থত তাত্বিক যুক্তি লিপিবদ্ধ কৰা আছে।

৭। তাত্বিক যুক্তিক কোন দুজনপ্ৰখ্যাত দৰ্শনিকে প্ৰত্যাখ্যান কৰিছিল?

৮। এন্‌চেল্‌মৰ মতে, ঈশ্বৰৰ ধাৰণাটোৰ ভাৱাৰ্থ কি?

৯। এন্‌চেল্‌মে আগবঢ়োৱা প্ৰথম যুক্তিৰ ৰূপটো কি আছিল?

১০। ডেকার্টে 'সম্পূৰ্ণ' শব্দৰ অন্তর্নিহিত অৰ্থ কি বুলি ধাৰ্য্য কৰিছিল?

১১। শুদ্ধ উত্তৰটো বাছি উলিৱাওক ঃ

(ক) কেয়ার্ডআৰু ব্ৰেডলিয়েও তাত্বিক যুক্তিক গ্ৰহণ কৰিছিল। (শুদ্ধ/অশুদ্ধ)

(খ) সবাটোকৈ পূৰ্ণ সত্তাৰ অস্তিত্বৰ ধাৰণাআৰু সবাটোকৈ পূৰ্ণ সত্তাৰ ধাৰণাৰ মাজত পাৰ্থক্য আছে। (শুদ্ধ/অশুদ্ধ)

(গ) সত্তামূলক প্ৰমাণে ভাৱনা আৰু অস্তিত্বৰ মাজৰ প্ৰকৃত প্ৰভেদক অগ্ৰাহ্য নকৰে। (শুদ্ধ/অশুদ্ধ)

(ঘ) গেনিলোৱে এন্‌চেল্‌মক সম্পূৰ্ণভাৱে সমৰ্থন কৰিছিল। (শুদ্ধ/অশুদ্ধ)

১২। খালী ঠাই পূৰণ কৰক ঃ

(ক) যেতিয়া এজন উপাসকে তেওঁৰ ইষ্টদেৱতাক উপাসনা কৰে, তেতিয়া তেওঁৰ বাবে সেইজন ----- (ব্ৰেডলি)

(খ) 'বৃহত্তৰ' শব্দটোৱে ------ ৰ অৰ্থ বহন কৰে।

(গ) ঈশ্বৰৰ অৱশ্যম্ভাৱী অস্তিত্বৰ অৰ্থ হ'ল তেওঁ ------।

(ঘ) গেনিলোৰ মতে, ঈশ্বৰৰ ধাৰণাৰ পৰা ------ ঠাৱৰ কৰিব নোৱাৰি।

১৩। কি কাৰণে ধাৰণাৰ অস্তিত্বৰ পৰা সত্তাৰ অস্তিত্ব আহৰণকৰিব পাৰি?

১৪। গেলোৱেই তাত্বিক যুক্তি সম্পৰ্কে কি মত আগবঢ়াইছিল?

১৫। কেয়ার্ডৰ মতে তাত্বিক যুক্তিৰ প্ৰকৃত অৰ্থকি?

১৬। শুদ্ধ উত্তৰটো বাছি উলিৱাওক ঃ

(ক) কার্লবার্থে এন্‌চেল্‌মে আগবঢ়োৱা যুক্তিক ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণ বুলি গ্ৰহণ কৰিছে। (শুদ্ধ/অশুদ্ধ)

(খ) লট্‌জেই কৈছে যেপৰম সত্তা, যিটো পৰম মূল্য হৈছে এটা মনৰ ভ্ৰান্তি। (শুদ্ধ/অশুদ্ধ)

(গ) তাত্বিক যুক্তিয়ে মানুহৰ বিচাৰ বুদ্ধিতকৈ বিশ্বাসকহে মূল্য দিয়ে। (শুদ্ধ/অশুদ্ধ)

১৭। খালী ঠাই পূৰণ কৰক ঃ

(ক) কেৱল ঈশ্বৰৰ ক্ষেত্ৰতহে ------ সত্তাৰ অস্তিত্ব আহৰণ কৰিব পৰা যায়।

(খ) ------ হিচাপে আমাৰ সমগ্ৰ সচেতনতা এক বিশ্ব চেতনাৰ ওপৰত প্ৰতিষ্ঠিত।

(গ) গেলোৱেই কৈছে যে মানুহে নিজৰ ------ তাত্বিক যক্তিৰ সহায়ত সুদৃঢ় কৰে।



১৩.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলো ঃ

- এন্‌চেল্‌মে এঘাৰ শতিকাত ঈশ্বৰৰ অস্তিত্ব সম্বন্ধে তাত্বিক যুক্তি প্ৰৱৰ্তন কৰিছিল।
- তাত্বিক যুক্তিৰ বিষয়ে 'Monologium' আৰু 'Proslogion' নামৰ দুখন গ্ৰন্থত প্ৰকাশ কৰিছে।
- ঈশ্বৰৰ অস্তিত্ব বিষয়ক যুক্তিবোৰে ঈশ্বৰৰ বিশ্বাসক সুদৃঢ় কৰিবলৈ সক্ষম হৈছে।
- তাত্বিক যুক্তিৰ মুখ্য ধাৰণাহ'ল যে, ঈশ্বৰৰ সত্যতা ঈশ্বৰৰ ধাৰণাতে অন্তর্নিহিত হৈ থাকে।
- এন্‌চেল্‌মৰ মতে ঈশ্বৰৰ ধাৰণাটোৰ ভাৱার্থ হ'ল 'ই এনে এক সত্তাৰ ধাৰণা যে তাতকৈ বৃহত্তৰ অন্য কোনো ধাৰণা কৰিব পৰা নাযায়।'
- ডেকার্টৰ মতে যি ধাৰণাই সর্বসম্পূর্ণ সত্তাক অৱগত কৰায়, সেইধাৰণাৰ কাৰণ স্বয়ং ঈশ্বৰ হ'বই লাগিব।
- কাণ্টৰ মতে, সত্তামূলক প্ৰমাণে ভাৱনা আৰু অস্তিত্বৰ মাজৰ প্ৰকৃত প্ৰভেদক অগ্ৰাহ্য কৰিছে।
- গেলানোৰ মতে, কোনোবাই মনত স্বর্গতুল্য দ্বীপৰ ধাৰণা পোষণ কৰাটো সম্ভৱ, কিন্তু মনৰধাৰণাৰ পৰাই দ্বীপটোৰ অৱশ্যম্ভাৱী অস্তিত্ব ঠাৱৰ কৰিব নোৱাৰি।
- তাত্বিক যুক্তিয়ে বিচাৰ বুদ্ধিতকৈ মানুহৰ বিশ্বাসহে প্ৰকাশ কৰে।



১৩.১১ অধিক জানিবলৈ ঃ

1. **John H.Hick (1981) :** Philosophy of Religion :Prentice Hall of IndiaPrivate Limited, New Dehli.
2. **Y Masiah (1971) :** Introduction to Religious Philosophy : Matilal Banarsidass, Dehli.
3. জোৎস্না ভট্টাচার্য্য (২০১১) ঃ ধর্ম দর্শন ঃ বুক এম্পেৰিয়াম, গুৱাহাটী।
4. **Professor Lavine (1984) :** From Socrates to Sartre : The Philosophie Quest : A Bantam Books, New York.

১৩.১২ অগ্ৰগতিৰ খতিয়ান ঃ

১। উত্তৰ ঃ

এন্‌চেল্‌মে এঘাৰ শতিকাত ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে তাত্বিক যুক্তি আগবঢ়াইছিল।

২। উত্তৰ ঃ

ঈশ্বৰৰ বিষয়ে লিখা তেওঁৰ বিখ্যাত গ্ৰন্থ দুখন হ'ল 'Monologium' আৰু 'Proslogion'।

৩। উত্তৰ ঃ

ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণবোৰে নাস্তিকজনক নিজৰ মতামত সলাবলৈ প্ৰভাৱান্বিত কৰিব পাৰে।

৪। উত্তৰ ঃ

তাত্বিক যুক্তিৰ মুখ্য ধাৰণাটো হ'ল যে, ঈশ্বৰৰ সত্যতা ঈশ্বৰৰ ধাৰণাতে অন্তর্নিহিত হৈ থাকে।

৫। উত্তৰ ঃ

(ক) অশুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

৬। উত্তৰ ঃ

(ক) ধর্মীয় আচৰণ আৰু ধর্মীয় ভাৱ (খ) ঈশ্বৰৰ ধাৰণাত

(গ) অভিজ্ঞতাপূর্বক (ঘ) Proslogion

৭। উত্তৰ ঃ

থমাচ একুইনাচ আৰু ইমানুৱেল কাণ্টে।

৮। উত্তৰ ঃ

ঈশ্বৰৰ ধাৰণাটোৰ ভাৱার্থ হ'ল যে "ই এনে এক সত্তাৰ ধাৰণা যে, তাতকৈ বৃহত্তৰ অন্য কোনো ধাৰণাকৰিব পৰা নাযায়।"

৯। উত্তৰ ঃ

এন্‌চেল্‌মে আগবঢ়োৱা যুক্তিৰ প্ৰথম ৰূপটো হ'ল যে, আমাৰ মনত এক পূর্ণসত্তাৰ ধাৰণা আছে আৰু এই পূর্ণ সত্তাকে ঈশ্বৰ বুলি অভিহিত কৰা হয়।

১০। উত্তৰ ঃ

ডেকার্টে সম্পূর্ণ শব্দৰ অন্তর্নিহিত অর্থ গুণ, শক্তি, মঙ্গল, জ্ঞান আৰু অস্তিত্ব বুলি ধার্য্য কৰিছিল।

১১। উত্তৰঃ

(ক) শুদ্ধ(খ) শুদ্ধ (গ) অশুদ্ধ (ঘ) অশুদ্ধ

১২। উত্তৰঃ

(ক) সৰ্বশ্ৰেষ্ঠ (খ) অধিক পূৰ্ণতা

(গ) স্বতঃঅস্তিত্বশীল (ঘ)ঈশ্বৰ বাস্তৱিকতেও অস্তিত্বশীল

১৩। উত্তৰঃ

ঈশ্বৰৰ স্বতন্ত্ৰ আৰু শাশ্বত অস্তিত্ব আছে বাবেই ঈশ্বৰৰ ক্ষেত্ৰত ধাৰণাৰ অস্তিত্বৰ পৰা সত্তাৰ অস্তিত্ব আহৰণ কৰিব পাৰি।

১৪। উত্তৰঃ

গেলোৱেৰমতে, মানুহ নিজৰ বিশ্বাস সম্পৰ্কে সুনিশ্চিত আৰু সেই বিশ্বাসক তাত্ত্বিক যুক্তিৰ সহায়ত সুদৃঢ় কৰে।

১৫। উত্তৰঃ

কেয়ার্ডৰ মতে, তাত্ত্বিক যুক্তিটোৰ প্ৰকৃত অৰ্থহ'ল যে, আধ্যাত্মিকসত্তা হিচাপে আমাৰ সমগ্ৰ সচেতনতা এক বিশ্ব চেতনাৰ ওপৰত প্ৰতিষ্ঠিত।

১৬। উত্তৰঃ

(ক) অশুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ

১৭। উত্তৰঃ

(ক) ধাৰণাৰ অস্তিত্বৰ পৰা (খ) আধ্যাত্মিক সত্তা (গ) সুনিশ্চিত বিশ্বাসক

১৩.১৩ আৰ্হি প্ৰশ্ন ঃ

১। বস্তুধৰ্মী প্ৰশ্ন ঃ

(ক) এন্‌চেল্‌মে কোন শতিকাত তাত্ত্বিক যুক্তি প্ৰৱৰ্তন কৰিছিল?

(খ) এন্‌চেল্‌মে খ্ৰীষ্টধৰ্মৰ অপৰিহাৰ্য্য উপাদান কি বুলি ঠাৱৰ কৰিছিল?

(গ) তাত্ত্বিক মুখ্য ধাৰণা কি?

(ঘ) কোন কোন উল্লেখযোগ্য দাৰ্শনিক তাত্ত্বিক যুক্তিক প্ৰত্যাখ্যান কৰিছিল?

(ঙ) এন্‌চেল্‌মে আগবঢ়োৱা কোনখন গ্ৰন্থত তাত্ত্বিক যুক্তিৰ দ্বিতীয় ৰূপটো লিপিবদ্ধ হৈছে?

(চ) ঈশ্বৰৰ অৱশ্যম্ভাৱী অস্তিত্বৰ অৰ্থ কি?

২। চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক) ঃ

(ক) সন্ত এন্‌চেল্‌মৰ চমু পৰিচয় দিয়ক।

(খ) ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণৰ প্ৰয়োজনীয়তাৰবিষয়ে লিখক।

(গ) এন্‌চেল্‌মৰ তাত্বিক যুক্তিৰ বিষয়ে চমুকৈ লিখক।

(ঘ) ৰেনেডেকার্টে কিদৰে তাত্বিক যুক্তিৰ ব্যাখ্যা কৰিছে, এই বিষয়ে লিখক।

(ঙ) "A book on behalf of the fool" গ্ৰন্থ কোনে আৰু কি বিষয়ে লিখিছিল?

৩। চমুটোকা লিখক (১৫০ টা শ্বদৰ ভিতৰত লিখক) ঃ

(ক) কাণ্ট আৰু গেনিলোৱে কিদৰে তাত্বিক যুক্তিৰ বিৰোধীয়া কৰিছিল, এই বিষয়ে লিখক।

(খ) তাত্বিক যুক্তিৰ সম্পৰ্কে গেনিলোৰ অভিযোগ কিদৰে এন্‌চেল্‌মেখণ্ডন কৰিছিল?

(গ) তাত্বিক যুক্তিৰ তাৎপৰ্য্য কিদৰে লট্‌জে,গেলোৱে আৰু কেয়ার্ড উপলব্ধি কৰিছিল?

৪। ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৪০০ টা শ্বদৰ ভিতৰত লিখক) ঃ

(ক) "ঈশ্বৰৰ ধাৰণাচো হ'ল এনে এক সত্তাৰ ধাৰণা যে তাতকৈ বৃহত্তৰ অন্য কোনো ধৰণৰ ধাৰণা কৰিব পৰা নাযায়।"এন্‌চেল্‌মৰ এই বাক্যশাৰীৰ তাৎপৰ্য্য ব্যাখ্যা কৰক। তাত্বিক প্ৰমাণৰ মূল্যায়ণ কৰক।

(খ) তাত্বিক যুক্তিৰ প্ৰথম আৰু দ্বিতীয় ৰূপটো ব্যাখ্যা কৰক। তাত্বিক যুক্তি কোনকোন দাৰ্শনিকে গ্ৰহণ আৰু প্ৰত্যাখ্যান কৰিছিল?

(গ) তাত্বিক প্ৰমাণক গেনিলোৱে কিদৰে সমালোচনা কৰিছিল আৰু এন্‌চেল্‌মে কিদৰে অভিযোগ খণ্ডন কৰিছিল? তাত্বিক যুক্তিৰ প্ৰতি অন্যান্য দাৰ্শনিকে কিদৰে মন্তব্য আগবঢ়াইছিল, এই বিষয়ে লিখক।

*** **** ***

অধ্যায় ঃ ১৪ চেইণ্ট থমাচ একুইনাচ ঃ জ্ঞানৰ মতবাদ

অধ্যায় গাঁথনি ঃ

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ একুইনাচৰ ওপৰত এৰিষ্টটলৰপ্ৰভাৱ

১৪.৪ অস্তিত্বশীল জগতখনৰ উপলব্ধিৰ যোগেদি পৰমসত্তাৰ জ্ঞান লাভ

১৪.৫ প্রত্যক্ষৰ দ্বাৰা ব্যহ্যিক পৃথিৱীৰ সৈতে সংযোগ স্থাপন আৰু বিশেষ বস্তুত নিহিত হৈ থকা আকাৰবোৰৰ নিষ্কাসন

১৪.৬ জীৱাত্মাৰ ভিন ভিন বৃত্তি

১৪.৭ জ্ঞান আহৰণৰ ববে সংবেদনাত্মক আৰু ধাৰণাত্মক উভয় দিশৰে প্রয়োজনীয়তা

১৪.৮ দার্শনিকসকলে অভিজ্ঞতা বিশ্লেষণ কৰি দ্রব্যতা থকা মৌলিক নীতি উদঘাটন কৰাৰ আৱশ্যকতা

১৪.৯ প্রত্যেক সংবেদনশীল দ্রব্যত থকা আকাৰ আৰু উপাদান এই দুটা তত্ত্বৰ ব্যাখ্যা

১৪.১০ ঈশ্বৰৰ সাদৃশ্য জ্ঞানহে সম্ভৱ

১৪.১১ আধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.১২ অধিক জানিবলৈ

১৪.১৩ অগ্রগতিৰ খতিয়ান

১৪.১৪ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য ঃ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- চেইণ্ট একুইনাচৰ দর্শন জগতলৈ কি অৱদান, এই বিষয়ে জানিব পাৰিব।
- অস্তিত্বশীল জগতৰ উপলব্ধিৰ জৰিয়তে পৰম সত্তাৰ জ্ঞান লাভৰ বিষয়ে জানিব পাৰিব।
- জীৱাত্মাৰ ভিন ভিন বৃত্তি আৰু কর্মৰ বিষয়ে জানিব পাৰিব।
- জ্ঞান আহৰণৰ বাবে সংবেদনাত্মক আৰু ধাৰণাত্মক দিশৰ প্রয়োজনীয়তাৰ বিষয়ে জানিব পাৰিব।
- আকাৰ আৰু উপাদান তত্বৰ গুৰুত্বৰ বিষয়ে জানিব।
- মানুহৰ প্রজ্ঞাত ঈশ্বৰজ্ঞান কি ৰূপত বেকত হয়, এই বিষয়ে জানিব পাৰিব।

১৪.২ পৰিচয়

চেইণ্ট থমাচ একুইনাচে (১২২৫-১২৭৪ খ্ৰীষ্টাব্দ) ইটালীৰ নেপলচ্ চহৰত জন্ম গ্ৰহণ কৰিছিল। তেওঁ মণ্টে কেছিনো, নেপলচ্ বিশ্ববিদ্যালয় আৰু পেৰিছ বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। তেওঁ পেৰিছ বিশ্ববিদ্যালয়ত ১২৫৬ খ্ৰীষ্টাব্দত ধৰ্ম দৰ্শনৰ অধ্যাপক হৈছিল। কিন্তু তিনি বছৰৰ পিছত ইটালীলৈ ঘূৰি আহি পৰৱৰ্তী দশকত ইটালীৰ ভিন ভিন ঠাইত শিক্ষাপ্ৰদান কৰিছিল।

চেইণ্ট থমাচ একুইনাচে পোন প্ৰথমে দৰ্শনত এক পদ্ধতিগত অধ্যয়ন প্ৰক্ৰিয়া আৰম্ভ কৰে। তেওঁৰ যথেষ্ট চুটি জীৱনটোত বহুতো টীকা ভাষ্য ৰচনা কৰিছিল;তেওঁৰ বিখ্যাত গ্ৰন্থ হিচাপে পৰিগণিত হৈছিল 'Summa ContraGentiles' আৰু 'Summa Theologiae'। প্ৰথমখন গ্ৰন্থত তেওঁ খ্ৰীষ্টধৰ্মৰ বিশ্বাসৰ লগত জড়িত বিধিসমূহ যুক্তিসহকাৰে প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছে আৰু দ্বিতীয়খন গ্ৰন্থত যুক্তি প্ৰয়োগ কৰি ইতিপূৰ্বে গৃহীত বিশ্বাসৰ সুদৃঢ় ভেঁটি নিৰ্মাণ কৰিছে। পণ্ডিত্যবাদে (Scholasticism) থমাচএকুইনাচৰ দৰ্শনত পূৰ্ণ বিকাশৰ পৰ্য্যায় লাভ কৰিছে।

১৪.৩ একুইনাচৰ ওপৰত এৰিষ্ট'টলৰ প্ৰভাৱ

একুইনাচ প্ৰধানকৈ এৰিষ্ট'টলৰ দৰ্শনৰ দ্বাৰা প্ৰভাৱিত হৈছিল; সেয়েহে জ্ঞানৰ মতবাদ প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত এৰিষ্ট'টলক অনুসৰণ কৰিছিল।

একুইনাচে যথাসাধ্য সাম্যকভাৱে খ্ৰীষ্টধৰ্মৰ ঈশ্বৰতত্ব (Theology) গঠন কৰিছিল। তেওঁৰ মতে ঈশ্বৰবাদী সকলে জগতখন ঈশ্বৰৰ প্ৰকাশমাত্ৰ বুলি বিবেচনা কৰে। তেওঁলোকে ঈশ্বৰসত্যৰ পৰাহে জগত সত্যলৈ গতি কৰে। তেওঁ এৰিষ্ট'টলৰ ধাৰণাবাদ (Conceptualism) গ্ৰহণ কৰিছিল। তেওঁ অভিজ্ঞতাবাদী (Empirieist) আছিল; জন ল'ক (John Locke) ৰ দৰে বিবেচনা কৰিছিলযে যিটো ইন্দ্ৰিয়ৰ অগোচৰ, সেইটো জ্ঞানৰো অগোচৰ, অৰ্থাৎ পূৰ্বতে ইন্দ্ৰিয়জ্ঞান নহ'লে বুদ্ধিৰ দ্বাৰা জ্ঞান লাভ সম্ভৱ নহয়।

১৪.৪ অস্তিত্বশীল জগতখনৰ উপলব্ধি যোগেদি পৰমসত্তাৰ জ্ঞান লাভ ঃ

একুইনাচে জ্ঞানৰ অন্বেষণতে পৰিদৃশ্যমান পৃথিৰীৰ ঘটনাৱলী তথা জগতখনৰ উপলব্ধিত আৰম্ভ কৰি, পৰ্য্যায়ক্ৰমে পৰমসত্তাৰ জ্ঞান লাভ কৰিবলৈ চেষ্টা কৰিছিল। একুইনাচে তেওঁৰ সমগ্ৰ ধৰ্মীয় দৰ্শনত এৰিষ্ট'টলীয় পৰিভাষা যেনে- আকাৰ আৰু উপাদান, বাস্তৱিক আৰু সম্ভাৱনাপূৰ্ণ, চাৰি প্ৰকাৰৰ কাৰণ ইত্যাদিৰ প্ৰয়োগ কৰিছিল।

১৪.৫ প্রত্যক্ষৰ দ্বাৰা ব্যহ্যিক পৃথিৱীৰ সৈতে সংযোগ স্থাপন আৰু বিশেষ বস্তুত নিহিত হৈ থকা আকাৰবোৰৰ নিষ্কাসন ঃ

প্রকৃত জ্ঞান হ'ল ধাৰণালব্ধ জ্ঞান। ধাৰণাবোৰৰ ভিত্তি হ'ল ইন্দ্রিয়জ প্রত্যক্ষ। ইন্দ্রিয় প্রত্যক্ষজনিত অভিজ্ঞতা অবিহনে বৌদ্ধিক জ্ঞান অসম্ভৱ।

দেহ আৰু ইন্দ্রিয়বিশিষ্ট মানুহে প্রত্যক্ষৰ জৰিয়তে ব্যক্তিগত তথ্যৰ আধাৰত ইন্দ্রিয়জ অভিজ্ঞতা লাভ কৰে। প্রথমে, বাহ্যিক পৃথিৱীৰ সৈতে সংযোগ স্থাপন কৰি প্রত্যক্ষই চিন্তাৰ দিশলৈ গতি কৰে। ক্রমান্বয়ে, বিশেষ বিশেষ বস্তুত নিহিত হৈ থকা সাধাৰণ আৰু সার্বিক লক্ষণবোৰ অথবা আকাৰবোৰ (Forms) নিষ্কোসন কৰি লয়। উদাহৰণ স্বৰূপে, আমি নীলা ৰঙৰ পিয়লা অথবা নীলা ৰঙৰ থাল এখন প্রত্যক্ষ কৰোঁ যেন লাগিলেও প্রকৃততে নীলা ৰঙটোহে প্রত্যক্ষ কৰোঁ, যি পৰেত্যক্ষ আৰু চিন্তন উভয়তে বিদ্যমান হৈ থাকে।

১৪.৬ জীৱাত্মৰ ভিন ভিন বৃত্তি

জীৱাত্মাৰ ভিন ভিন ক্রিয়া অথবা বৃত্তি বা শক্তি আছে, যেনে- সংবেদন বৃত্তি (Faculty of sensation), সক্রিয় প্রজ্ঞাৰ বৃত্তি (Faculty of Active Intellect) আৰু সাম্ভাব্য প্রজ্ঞাৰ বৃত্তি (Faculty of Potential Intellect)। যিবোৰৰ ওপৰত ভিত্তি কৰি জীৱাত্মাই বিভিন্ন কার্য্য সম্পাদন কৰে। ইন্দ্রিয় সংবেদনৰ (Sensation) সহায়ত আত্মাই বিশেষবিশেষ দ্রব্যবোৰৰ আর্হি অথবা আকাৰ আহৰণ কৰে আৰু সেইবোৰক 'ইন্দ্রিয়জ উপজাতি' (Sensible Species) বুলি অভিহিত কৰিব পাৰি।

সাম্ভাব্য প্রজ্ঞাৰ দ্বাৰা আহৰণ কৰা জ্ঞান সম্পূর্ণভাৱে সকলোধৰণৰ অৱয়বৰ পৰা মুক্ত হ'ব লাগিব। ইন্দ্রিয়গ্রাহ্য আর্হিবোৰ (Sensible Copy) সকলো জড়বস্তু অথবা পার্থিৱ বস্তুৰ পৰা মুক্ত হ'ব লাগিব। এই কার্য্য সক্রিয় প্রজ্ঞাৰ দ্বাৰা সম্পাদিত হয়।

১৪.৭ জ্ঞান আহৰণৰ বাবে সংবেদনাত্মক আৰু ধাৰণাত্মক উভয় দিশৰে প্রয়োজনীয়তা ঃ

থমাচ একুইনাচে জ্ঞান আহৰণৰ ক্ষেত্রত আমাৰ সংবেদনাত্মক (Sensational) আৰু ধাৰণাত্মক (Conceptual) উভয় দিশকে প্রয়োজনীয় বুলি ভাবিছিল। জ্ঞান অর্জনৰ বাবে বিষয়বস্তুৰ বিশেষ আৰু সামান্য দুয়োটা গুণৰ প্রয়োজনীয়তা আছে। একুইনাচে সামান্য সম্বন্ধে এৰিষ্টটলীয় বাস্তৱবাদ মত গ্রহণ কৰিছিল, যিমতানুযায়ী বিশেষৰ ভিতৰতে সামান্যৰ স্থিতি আছে। বিশেষৰ স্থিতিৰ পূর্বত সামান্যৰ স্থিতি নাই। আমাৰ চিন্তাৰ সক্রিয় অথবা স্বতঃস্ফুর্ত স্বভাৱটোত তেওঁ গুৰুত্ব আৰোপ কৰিছিল। চিন্তাত নিহিত হৈ থকা এই সক্রিয় স্বৰূপটোৱে জ্ঞানৰ প্রত্যক্ষপূর্বক (Apriori Character) চৰিত্র গঠন কৰে।

জ্ঞান মনত অব্যক্ত ৰূপত থাকে আৰু বহিঃপ্রকাশ হ'বলৈ হ'লে সংবেদনৰ দ্বাৰা মনৰ ক্রিয়াশক্তি জগাই তুলিব লাগিব। সেয়েহে, যথার্থ জ্ঞান অথবা বিজ্ঞানৰ ভিত্তি হ'ল ইন্দ্রিয় অভিজ্ঞতা, কাৰণ কেৱল ইন্দ্রিয় অভিজ্ঞতাৰ জড়িয়তেহে আমি জ্ঞানৰ বিষয়বস্তু সম্বন্ধে সজাগ হওঁ।

১৪.৮ দার্শনিক সকলে অভিজ্ঞতা বিশ্লেষণ কৰি দ্রব্যত থকা মৌলিক নীতি উদঘাটন কৰাৰ আৱশ্যকতা ঃ

দার্শনিক সকলে অভিজ্ঞতাৰ পৃথিৱীখনতে অন্বেষণৰ যাত্রা আৰম্ভ কৰা প্রয়োজন; ইয়াৰ দ্বাৰা অভিজ্ঞতাৰ বিশ্লেষণ কৰি দ্রব্যৰ অন্তৰালত থকা মৌলিক নীতি অথবা সাৰমর্ম উদঘাটন কৰিবলৈ সক্ষম হ'ব পাৰিব। এনে প্রক্রিয়াৰে আহৰণ কৰা সত্তাৰ বিজ্ঞানেই হ'ল পৰাবিজ্ঞান বা অধিবিদ্যা (Meta Physics)। পৰাবিজ্ঞানে বিশেষ বিশেষ দ্রব্যৰ মাজৰ পৰা সাধাৰণ লক্ষণবোৰ নিঃসৃত কৰি গঢ়ি লোৱা সামান্য ধাৰণা (Universal) অনুযায়ী চিন্তা কৰে।

১৪.৯ প্রত্যেক সংবেদনশীল দ্রব্যত থকা আকাৰ আৰু উপাদান এই দুই তত্বৰ ব্যাখ্যা ঃ

প্রত্যেক সংবেদনশীল দ্রব্যতে আকাৰ (Form) আৰু উপাদান (Matter) হিচাপে দুটা তত্ব মিশ্রিত হৈ থাকে। আকাৰ হ'ল এনে যি কোনো বিশেষ (Particular) দ্রব্যক নিজস্ব সাঁচত গঢ় দিয়ে। অন্যহাতে, উপাদান হ'ল এনে যাৰ দ্বাৰা কোনো দ্রব্য বিশেষ আৰু মূর্ত (Concrete) হোৱাৰ উপৰিও সেইজাতীয়অন্য সকলো বিশেষ আৰু মূর্ত দ্রব্যৰ পৰা নিজকে পৃথক কৰিবলৈ সমর্থ হয়। এই দুই তত্ব, অর্থাৎ আকাৰ আৰু উপাদান, এটাৰপৰা অন্যটো অবিভাজ্য।

১৪.১০ ঈশ্বৰৰ সাদৃশ্য জ্ঞানহে সম্ভৱ, মানুহৰ প্রজ্ঞাত ঈশ্বৰ অসম্পূর্ণভাৱে বেকত হয় ঃ

একুইনাচেঈশ্বৰৰ জ্ঞান সম্বন্ধে এনে ধৰণৰ মত পোষণ কৰিছে যে ইন্দ্রিয়গ্রাহ্য দ্রব্য ঈশ্বৰৰ পৰাই উৎপত্তি হয় আৰু সেইবাবে ঈশ্বৰকেই প্রকাশ কৰে। মানুহৰ প্রজ্ঞাত ঈশ্বৰ বেকত হয়, অৱশ্যে অসম্পূর্ণভাৱে। মানুহে ঈশ্বৰৰ সম্বন্ধে সাদৃশ্যাত্মক (Analogical Knowledge) জ্ঞানহে লাভ কৰিব পাৰে।



জানি থোৱা ভাল

পাণ্ডিত্যবাদ (Scholasticism) ঃ মধ্যযুগত গীর্জাৰ দ্বাৰা প্রভাৱিত তথা পৰিচালিত বিদ্যালয় (পৰৱর্তী সময়ত বিশ্ববিদ্যালয়লৈ উন্নীত হোৱা) সমূহৰ দার্শনিক ভাৱধাৰাক পাণ্ডিত্যবাদ হিচাপে নামকৰণ কৰা হয়। পাণ্ডিত্যবাদে খ্রীষ্টধর্মৰ বিশ্বাস সমূহৰ লগত প্লেটো অথবা এৰিষ্টটতৰ দ্বাৰা প্রৱর্তিত

গ্রীক দর্শনৰ কিছু ভাৱধাৰাৰ সমন্বয় সাধন কৰিছে। পাণ্ডিত্যবাদত তর্কীয় ন্যায় (Logical Syllogism) আৰু যুক্তিতর্কৰ (Debate) পদ্ধতি প্রয়োগ কৰা দেখা যায়।

ধাৰণাবাদ (Conceptualism) ঃ ধাৰণাবাদ সামান্য (Universal) সম্পর্কীয় এটা মতবাদ, যি মতবাদে সামান্যক এটা মানসিক ধাৰণা বুলি অভিহিত কৰে।

সামান্য (Universal) ঃ সামান্য শব্দটোৰ সাধাৰণ অর্থ হ'ল- একাধিক বস্তুৰ সার্বজনীন ধর্ম, উদাহৰণ স্বৰূপে, বিভিন্ন ব্যক্তিৰ মাজত অমিল থাকিলেও 'মনুষ্যত্ব' হ'ল সকলো মানুহৰ সামান্য ধর্ম।

বিশেষ (Particular) ঃ বিশেষ হ'ল কোনো ব্যক্তিগত বস্তু অথবা ঘটনা। সামান্যৰ বিপৰীত অর্থ সূচক বিশেষ শব্দই কোনো শ্রেণীক প্রতিনিধিত্ব নকৰে; বৰং শ্রেণীৰ সদস্য হোৱাটোহে বুজায়।

অভিজ্ঞতাবাদ (Empiricism) ঃ অভিজ্ঞতাবাদ অনুসৰি সংবেদনৰ তথ্যৰ পোৱহত পোনপটীয়াকৈ জ্ঞান আহৰণ কৰিব পাৰি; অথবা সংবেদনৰ তথ্য নির্ভৰশীল বচনৰ দ্বাৰা জ্ঞান সম্পর্কীয় সিদ্ধান্তত উপনীত হ'ব পাৰি।

জন ল'ক (১৬৩২-১৭০৪) ঃ জন ল'ক ইংলেণ্ডৰ চমাৰছেটত জন্মগ্রহণ কৰিছিল আৰু অক্সফর্ডত শিক্ষা গ্রহণ কৰিছিল। অভিজ্ঞতাবাদী হিচাপে তেওঁ ঘোষণা কৰিছিল যে, "বুদ্ধি এনে কোনো বিষয় নাই যি ইন্দ্রিয়ত নাছিল।" তেওঁৰ মতে মনটো জন্মতে এখন উকা ফলি (Tabula Rasa)। তেওঁৰ বিখ্যাত গ্রন্থখন হ'ল "Essay Concerning Human Understanding."

ঈশ্বৰতত্ব (Theology) ঃ "Theology" শব্দৰ আক্ষৰিক অর্থ হ'ল 'ঈশ্বৰৰ বিষয়ে আলোচনা'। ধর্ম অনুযায়ী ঈশ্বৰতত্বও ভিন ভিন; আকৌ একে ধর্মৰ ভিতৰতে পৃথক পৃথক ঈশ্বৰতত্বও থাকিব পাৰে। উদাহৰণ স্বৰূপে, বুদ্ধধর্ম, খ্রীষ্টানধর্ম আৰু ইছলাম ধর্মত বিভিন্ন ধৰণৰ ঈশ্বৰতত্ব পোৱা যায়।

এৰিষ্ট'টল ঃ খ্রীষ্টপূর্ব ৩৮৪ত গ্রীচৰ ষ্টেগিৰা নামৰ চহৰত এৰিষ্ট'টলৰ জন্ম হৈছিল। প্লেটোৰ একাডেমীত ভর্তি হওঁতে তেওঁৰ বয়স হৈছিল সোতৰ বছৰ আৰু প্লেটোৰ দেহাৰসান পর্য্যন্ত, অর্থাৎ বিশ বছৰ একাডেমীত কটাইছিল। এৰিষ্ট'টলে একাধাৰে বৈজ্ঞানিক, তর্কবিদ আৰু সু-প্রসিদ্ধ দার্শনিক আছিল। এৰিষ্ট'টলৰ 'নিগমনাত্মক তর্কশাস্ত্র' উনৈশ শতিকাৰ এখন উচ্চ মানবিশিষ্ট গ্রন্থ হিচাপে পৰিগণিত হৈছে। তেওঁ মহামান্য আলেকজেণ্ডাৰৰ শিক্ষক আছিল। 'Organon' (তর্কশাস্ত্র), 'Decaelo' (পদার্থ বিজ্ঞান), 'De Anima' (জীৱ বিদ্যা, শৰীৰতত্ব আৰু মনো বিজ্ঞান), 'Nicomachean Eudemian Ethies' ইত্যাদিবোৰ হ'ল তেওঁ প্রণয়ন কৰা কেইখনমান মহান গ্রন্থ।



অগ্রগতি নিৰীক্ষণ

১। চেইণ্ট থমাচ একুইনাচে লিখা দুখন বিখ্যাত গ্রন্থাৰ নাম লিখক।

২। একুইনাচ কোনজন দার্শনিকৰ দ্বাৰা প্রভাৱান্বিত হৈছিল?

৩। ঈশ্বৰবাদী সকলে জগতখনৰ বিষয়ে কি ধাৰণা কৰে?

৪। একুইনাচৰ মতে পৰম সত্তাৰ জ্ঞান লাভ কৰাৰ আগতে আমি কি উপলব্ধি কৰিব লাগিব?

৫। শুদ্ধ উত্তৰটো বাছি উলিৱাওক ঃ

(ক) পাণ্ডিত্যবাদে একুইনাচৰ দর্শনত পূর্ণ বিকাশ লাভ কৰিছে। (শুদ্ধ/অশুদ্ধ)

(খ) একুইনাচৰ মতে ইন্দ্রিয়গোচৰ নহ'লেওজ্ঞান সম্ভৱ। (শুদ্ধ/অশুদ্ধ)

(গ) একুইনাচ অভিজ্ঞতাবাদী নাছিল। (শুদ্ধ/অশুদ্ধ)

(ঘ) একুইনাচে তেওঁৰ দর্শনত কিছুমান এৰিষ্ট'টলীয় পৰিভাষা প্রয়োগ কৰিছিল। (শুদ্ধ/অশুদ্ধ)

৬। খালী ঠাই পূৰণ কৰক ঃ

(ক) একুইনাচে দর্শনত ------ আৰম্ভ কৰে।

(খ) ঈশ্বৰবাদী সকলে ঈশ্বৰ তত্বৰ পৰা ------ গতি কৰে।

(গ) একুইনাচে এৰিষ্ট'টলৰ ------ গ্রহণ কৰিছিল।

(ঘ) একুইনাচৰ মতে যিটো ------ অগোচৰ, সেইটো ------ অগোচৰ।

৭। ধাৰণাবোৰৰ ভিত্তি কি?

৮। বাহ্যিক পৃথিৱীৰ সৈতে সংযোগ স্থাপন কৰি প্রত্যক্ষই কোন দিশলৈ গতি কৰে?

৯। জীৱাত্মাৰ ভিন ভিন বৃত্তি কি কি?

১০। 'ইন্দ্রিয়গ্রাহ্য উপজাতি' কাক কয়?

১১। শুদ্ধ উত্তৰ বাছি উলিৱাওক ঃ

(ক) প্রত্যক্ষই বিশেষ বিশেষ বস্তুক নিহিত হৈ থকা সাধাৰণ আৰু সার্বিক লক্ষণবোৰ নিষ্কাসন কৰি লয়। (শুদ্ধ/অশুদ্ধ)

(খ) একুইনাচে জ্ঞান আহৰণৰ ক্ষেত্রত কেৱল সংবেদনাত্মক দিশটোহে প্রয়োজনীয় বুলি ভাৱিছিল। (শুদ্ধ/অশুদ্ধ)

(গ) একুইনাচে সামান্য সম্বন্ধে এৰিষ্ট'টলৰ বাস্তৱবাদ মত গ্রহণ কৰিছিল। (শুদ্ধ/অশুদ্ধ)

(ঘ) বাস্তৱবাদ মতানুসৰি বিশেষৰ সৃষ্টিৰ পূৰ্বতে সামান্যৰ পিছত স্থিতি আছে। (শুদ্ধ/অশুদ্ধ)

১২। খালী ঠাই পূৰণ কৰক ঃ

(ক) ------ সকলো জড় বস্তুৰ পৰা মুক্ত হ'ব লাগিব।

(খ) একুইনাচে জ্ঞান আহৰণৰ বাবে ------ আৰু ------ উভয় দিশকে প্ৰয়োজনীয় বুলি ভাৱিছিল।

(গ) চিন্তাত নিহিত হৈ থকা সক্ৰিয় স্বৰূপটোৱে জ্ঞানৰ ------ চৰিত্ৰ গঠন কৰে।

(ঘ) জ্ঞান বৰ্হিপ্ৰকাশ হ'বলৈ হ'লে ------ দ্বাৰা মনৰ ক্ৰিয়াশক্তি জগাই তুলিব লাগিব।

১৩। দাৰ্শনিক সকলে অভিজ্ঞতাৰ পৃথিৱীখনত অন্বেষণ আৰম্ভ কৰা কি কাৰণে প্ৰয়োজন?

১৪। প্ৰত্যেক সংবেদনশীল দ্ৰব্যতে কি দুটা তত্ব মিশ্ৰিত হৈ থাকে?

১৫। ইন্দ্ৰিয়গ্ৰাহ্য দ্ৰব্য ক'ৰ পৰা উৎপত্তি হয় আৰু এইবোৰে কাক প্ৰকাশ কৰে?

১৬। মানুহে ঈশ্বৰ সম্বন্ধে কি ধৰণৰ জ্ঞান লাভ কৰে?

১৭। শুদ্ধ উত্তৰটো বাছি উলিৱাওক ঃ

(ক) উপাদান হ'ল এনে যি কোনো বিশেষ দ্ৰব্যক নিজৰ সাঁচত গঢ় দিয়ে। (শুদ্ধ/অশুদ্ধ)

(খ) আকাৰ আৰু উপাদান, এটাৰ পৰা অন্যটো অবিভাজ্য। (শুদ্ধ/অশুদ্ধ)

(গ) মানুহৰ প্ৰজ্ঞাত ঈশ্বৰ সম্পূৰ্ণৰূপে বেকত হয়। (শুদ্ধ/অশুদ্ধ)

(ঘ) মানুহে ঈশ্বৰ সম্বন্ধে সাদৃশ্যাত্মক জ্ঞানহে লাভ কৰে। (শুদ্ধ/অশুদ্ধ)

১৮। খালী ঠাই পূৰণ কৰক ঃ

(ক) সত্তাৰ বিজ্ঞানেই হ'ল ------ বা ------।

(খ) আকাৰ হ'ল এনে যি কোনো বিশেষ দ্ৰব্যক ------।

(গ) ইন্দ্ৰিয় গ্ৰাহ্য দ্ৰব্য ------ পৰাই উৎপত্তি হয় আৰু ------ প্ৰকাশ কৰে।

(ঘ) মানুহে ঈশ্বৰ সম্বন্ধে ------ লাভ কৰে।



১৪.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ ঃ

- মধ্যযুগীয় পাশ্চাত্য দৰ্শনৰ পণ্ডিত্যবাদৰ চেইণ্ট একুইনাচৰ দৰ্শনত পূৰ্ণ বিকাশ ঘটিছে।
- এৰিষ্টটলৰ দৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত হোৱা একুইনাচে খ্ৰীষ্টানধৰ্মৰ ঈশ্বৰতত্ব গঠন কৰিছিল।
- তেওঁ ধাৰণাবাদ আৰু অভিজ্ঞতাবাদৰ সমৰ্থক আছিল।
- তেওঁ অস্তিত্বশীল জগতখনৰ উপলব্ধিৰ যোগেদি পৰ্য্যায়ক্ৰমে পৰম সত্তাৰ জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছিল।

- মানুহে প্রত্যক্ষৰ জড়িয়তে ব্যক্তিগত তথ্যৰ আধাৰত ইন্দ্রিয়জ অভিজ্ঞতা লাভ কৰে।
- প্রত্যক্ষই বাহ্যিক পৃথিৱীৰ সৈতে সংযোগ স্থাপন কৰি চিন্তাৰ দিশলৈ গতি কৰে আৰু বিশেষ বিশেষ বস্তুত থকা আকাৰবোৰ নিষ্কাসন কৰি লয়।
- সংবেদন বৃত্তি, সক্রিয় প্রজ্ঞাৰ বৃত্তি আৰু সাম্ভাব্য প্রজ্ঞাৰ বৃত্তিৰ ওপৰত ভিত্তি কৰি ব্যক্তিয়ে ভিন ভিন কার্য্য সম্পাদন কৰে।
- সংবেদনাত্মক আৰু ধাৰণাত্মক উভয় দিশৰে প্রয়োজনীয়তা আছে।
- সামান্য সম্বন্ধে এৰিষ্টটলীয় বাস্তৱবাদ মতটো গ্রহণ কৰিছিল।
- চিন্তাত নিহিত হৈ থকা সক্রিয় স্বৰূপটোৱে জ্ঞানৰ প্রত্যক্ষপূর্বক চৰিত্র গঠন কৰে।
- যথার্থ জ্ঞান অথবা বিজ্ঞানৰ ভিত্তি হ'ল ইন্দ্রিয় অভিজ্ঞতা।
- দার্শনিকসকলে অভিজ্ঞতাৰ জগতখনতে অন্বেষণ আৰম্ভ কৰা প্রয়োজন।
- পৰাবিজ্ঞান বিশেষ বিশেষ দ্রব্যৰ মাজৰ সাধাৰণ লক্ষণবোৰৰ পৰা সামান্য ধাৰণা গঠন কৰি সেই অনুযায়ী চিন্তা কৰে।
- প্রত্যেক সংবেদনশীল দ্রব্যতে অবিভাজ্যৰূপে আকাৰ আৰু উপাদানতত্ব মিশ্রিত হৈ থাকে।
- মানুহৰ প্রজ্ঞাত ঈশ্বৰ অসম্পূর্ণৰূপে বেকত হয় আৰু মানুহে ঈশ্বৰৰ সাদৃশ্য জ্ঞানহে লাভ কৰে।

১৪.১২ অধিক জানিবলৈ ঃ

1. **Y Masiah (2010) :** A critical History of western philosophy, Motilal Banarsidass publishers Private Limited, Delhi.
2. **Fransk Thilly(1973) :** AHistory of Philosophy, Central Book Depot, Allahabad.
3. **T.Z. Lavine (1984) :** From Socrates to Sartre, Bantam Books, New York.

১৪.১৩ অগ্রগতিৰ খতিয়ান ঃ

১। উত্তৰ ঃ

চেইণ্ট থমাচ একুইনাচৰ দুখন বিখ্যাত গ্রন্থ হ'ল 'Summa Contra Gentiles' আৰু 'Summa Theologiae'

২। উত্তৰ ঃ

একুইনাচ এৰিষ্টটলৰ দ্বাৰা প্রভাৱিত হৈছিল।

৩। উত্তৰ ঃ

ঈশ্বৰবাদী সকলে জগতখন ঈশ্বৰৰ প্ৰকাশ বুলি ধাৰণা কৰে।

৪। উত্তৰ ঃ

পৰম সত্তাৰ জ্ঞান লাভ কৰাৰ আগতে পৰিদৃশ্যমান পৃথিৱীৰ ঘটনাৱলী তথা অস্তিত্বশীল জগতখনৰ উপলব্ধি কৰিব লাগিব।

৫। উত্তৰ ঃ

(ক) শুদ্ধ(খ) অশুদ্ধ (গ) অশুদ্ধ (ঘ) শুদ্ধ

৬। উত্তৰ ঃ

(ক) এক পদ্ধতিগত অধ্যয়ন প্ৰক্ৰিয়া (খ) জগত সত্যলৈ

(গ) ধাৰণাবাদ (ঘ) ইন্দ্ৰিয়ৰ, জ্ঞানৰো

৭। উত্তৰ ঃ

ধাৰণাবোৰৰ ভিত্তি হ'ল ইন্দ্ৰিয়জ প্ৰত্যক্ষ।

৮। উত্তৰ ঃ

বাহ্যিক পৃথিৱীৰ সৈতে সংযোগ স্থাপন কৰি প্ৰত্যক্ষইটৈ চিন্তাৰ দিশলৈ গতি কৰে।

৯। উত্তৰ ঃ

জীৱাত্মাৰ ভিন ভিন বৃত্তি হ'ল সংবেদন বৃত্তি, সক্ৰিয় প্ৰজ্ঞাৰ বৃত্তি আৰু সাম্ভাব্য প্ৰজ্ঞাৰ বৃত্তি।

১০। উত্তৰ ঃ

ইন্দ্ৰিয় সংবেদনৰ সহায়ত আত্মাই বিশেষ দ্ৰব্যবোৰৰ আৰ্হি আহৰণ কৰে; সেইবোৰকে 'ইন্দ্ৰিয়গ্ৰাহ্য উপজাতি' বুলি অভিহিত কৰা হয়।

১১। উত্তৰ ঃ

(ক) শুদ্ধ(খ) অশুদ্ধ (গ) শুদ্ধ(ঘ) অশুদ্ধ

১২। উত্তৰ ঃ

(ক) ইন্দ্ৰিয়গ্ৰাহ্য আৰ্হিবোৰ (খ) সংবেদনাত্মক আৰু ধাৰণাত্মক

(গ) প্ৰত্যক্ষপূৰ্বক (ঘ) সংবেদনৰ

১৩। উত্তৰ ঃ

দাৰ্শনিক সকলে অভিজ্ঞতাৰ পৃথিৱীখনতে অন্বেষণৰ যাত্ৰা আৰম্ভ কৰা প্ৰয়োজন, কাৰণ ইয়াৰ দ্বাৰা অভিজ্ঞতাৰ বিশ্লেষণ কৰি দ্ৰব্যৰ অন্তৰালত থকা মৌলিক নীতি উদঘাটন কৰিবলৈ সক্ষম হ'ব পাৰিব।

১৪। উত্তৰ ঃ

প্ৰত্যেক সংবেদনশীল দ্ৰব্যতে আকাৰ আৰু উপাদান তত্ব দুটা মিশ্ৰিত হৈ থাকে।

১৫। উত্তৰ ঃ

ইন্দ্ৰিয়গ্ৰাহ্য দ্ৰব্য ঈশ্বৰৰ পৰাই উৎপত্তি হয় আৰু ঈশ্বৰকেই প্ৰকাশ কৰে।

১৬। উত্তৰ ঃ

মানুহে ঈশ্বৰ সম্বন্ধে সাদৃশ্যাত্মক জ্ঞানহে লাভ কৰে।

১৭। উত্তৰ ঃ

(ক) অশুদ্ধ (খ) শুদ্ধ(গ) অশুদ্ধ (ঘ) শুদ্ধ

১৮। উত্তৰ ঃ

(ক) পৰাবিজ্ঞান বা অধিবিদ্যা (খ) নিজস্ব সাঁচত গঢ় দিয়ে

(গ) ঈশ্বৰৰ, ঈশ্বৰকেই (ঘ) সাদৃশ্যাত্মক জ্ঞানহে

১৪.১৪ আৰ্হি প্ৰশ্ন ঃ

১। বস্তুধৰ্মী প্ৰশ্ন ঃ

(ক) কোনটো মতবাদে একুইনাচৰ দৰ্শনত পূৰ্ণ বিকাশৰ পৰ্য্যায় লাভ কৰিছে?

(খ) একুইনাচে এৰিষ্ট'টলৰ কি দুটা মতবাদ গ্ৰহণ কৰিছিল?

(গ) প্ৰকৃত জ্ঞান কি?

(ঘ) মানুহে ইন্দ্ৰিয়জ অভিজ্ঞতা কিদৰে লাভ কৰে?

(ঙ) একুইনাচে জ্ঞান আহৰণৰ বাবে কোন দুটা উৎসৰ প্ৰয়োজন বুলি ভাৰিছিল?

(চ) পৰাবিজ্ঞান কাক কয়?

২। চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত) ঃ

(ক) জ্ঞান আহৰণৰ বাবে সংবেদনাত্মক আৰু ধাৰণাত্মক উভয় দিশৰ প্ৰয়োজনীয়তাৰ বিষয়ে লিখক।

(খ) জীৱাত্মাই কিদৰে ভিন ভিন বৃত্তিৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন কাৰ্য্য সম্পাদন কৰে?

(গ) একুইনাচে এৰিষ্ট'টলৰ ধাৰণাবাদ, জন ল'কৰ অভিজ্ঞতাবাদ, বিশেষ আৰু সামান্যৰ ধাৰণা, প্ৰত্যক্ষ আৰু জীৱত্মাৰ ভিন ভিন বৃত্তিৰ বিষয়ে কিদৰে ব্যাখ্যা কৰিছিল, লিখক।

৩। ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শ্বদৰ ভিতৰত) ঃ

(ক) থমাচ একুইনাচৰ জ্ঞান সম্পর্কীয় ধাৰণাবোৰ ব্যাখ্যা কৰক।

*** **** ***

অধ্যায় ঃ ১৫ একুইনাচৰ ধৰ্মীয় ভাষা সম্বন্ধীয় সাদৃশ্য মূলক মতবাদ

অধ্যায় গাঁথনি ঃ

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ লৌকিক জীৱনত ব্যৱহৃত ভাষা আৰু শব্দবোৰ ধৰ্মীয় প্ৰসঙ্গত প্ৰয়োগ

১৫.৪ ধৰ্মীয় ভাষাজনিত 'সাদৃশ্যমূলক মতবাদ'

১৫.৫ গুণবাচক শব্দবোৰ স্ৰষ্টা আৰু সৃষ্ট জীৱৰ ক্ষেত্ৰত একে অৰ্থ আৰু ভিন্নঅৰ্থত প্ৰয়োগ নহয়, সাদৃশ্যমূলক অৰ্থতহে প্ৰয়োগ হয়

১৫.৬ ঊৰ্ধমুখী সাদৃশ্য হ'ল মানুহৰ পৰা ঈশ্বৰৰ দিশলৈ গতি কৰা সাদৃশ্য

১৫.৭ ঈশ্বৰৰ গুণৰাজিৰ জ্ঞান অসম্ভৱ

১৫.৮ সাদৃশ্যমূলক মতবাদ আৰু ঈশ্বৰৰ গুণ প্ৰকাশ

১৫.৯ আধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.১০ অধিক জানিবলৈ

১৫.১১ অগ্ৰগতিৰ খতিয়ান

১৫.১২ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য ঃ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- চেইণ্ট থমাচ একুইনাচৰ দৰ্শন, ৰাজনীতি, আইনআদি বিভিন্ন বিষয়ৰ প্ৰতি থকা অনুসন্ধিৎসু মনৰ পৰিচয় পাব।
- লৌকিক জীৱনৰ ভাষা আৰু ধৰ্মীয় জীৱনৰ ভাষা একে হোৱাৰ পৰা কি সমস্যাৰ উদ্ভৱ হয় এইবিষয়ে জানিব পাৰিব।
- একুইনাচৰ 'সাদৃশ্যমূলক মতবাদ' কি দৰে ধৰ্মীয় ভাষা জনিত সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা কৰিছিল, এই বিষয়ে জানিব পাৰিব।
- গুণবাচক বিশেষণবোৰ জীৱৰ স্ৰষ্টা আৰু সৃষ্টজীৱৰ ক্ষেত্ৰত একে অৰ্থ বা ভিন্ন অৰ্থত প্ৰযোজ্য নহয়, সাদৃশ্যাত্মক ৰূপেহে প্ৰযোজ্য হয়, এই বিষয়ে জানিব পাৰিব।
- ঈশ্বৰ যিহেতু আমাৰ দৃষ্টিৰ অগোচৰ, সেয়েহে তেওঁৰ গুণ সম্বন্ধে আমি কিদৰে অবগত হ'ম, এই সম্বন্ধে একুইনাচে কি মন্তব্য দিছিল, এই বিষয়ে জানিব পাৰিব।

১৫.২ পৰিচয়ঃ

সন্ত থমাচ একুইনাচে (১২২৫-১২৭৪ খ্ৰীষ্টাব্দ) ইটালীৰ নেপলচ্ চহৰত জন্ম গ্ৰহণ কৰিছিল। তেওঁ তেৰ শতিকাত এৰিষ্টটলীয় দৰ্শনৰ পুনৰুদ্ধাৰ কৰি পদ্ধতিগতভাৱে জ্ঞানৰ সকলোবোৰ শাখাৰে মৌলিক ধাৰণাবোৰ একত্ৰীকৰণ কৰিছিল। তেওঁৰ বাইশটা খণ্ডযুক্ত বিখ্যাত গ্ৰন্থ 'Summa Theologiae' পাশ্চাত্য দৰ্শনলৈ এক শ্ৰেষ্ঠ অৱদান আৰু কেথলিক ধৰ্মৰ স্বীকৃত পুথি হিচাপে পৰিগণিত।

একুইনাচৰ বাবে ঈশ্বৰ হ'ল এই পৃথিৱীৰ বিভিন্ন স্তৰৰ জীৱৰ স্ৰষ্টা, এই পৃথিৱীৰ আদি কাৰণ আৰু শেষ লক্ষ্য। ঈশ্বৰ হ'ল পৰম সত্য আৰু পৰম মঙগল আৰু মানুহৰ মুক্তিৰ উৎস। একুইনাচৰ এই এৰিষ্টটলীয় খ্ৰীষ্টানধৰ্ম মধ্যযুগৰ দাৰ্শনিক জ্ঞানৰ বিষয়বস্তু আছিল।

থমাচবাদে (Thomism) ঈশ্বৰতত্ব (ঈশ্বৰৰ স্বৰূপ আৰু ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণ), অধিবিদ্যামূলক মতবাদ, অহিতৰ মতবাদ, আইনৰ মতবাদ, নীতিশাস্ত্ৰ, মনোবিজ্ঞান আৰু ৰাজনীতিৰ জ্ঞান সন্নিবিষ্ট কৰিছিল। থমাচ একুইনাচৰ মতে মানুহ হ'ল এক প্ৰাকৃতিক সত্তা, এক বিশেষ প্ৰজাতিৰ প্ৰাণী, বিচাৰ বুদ্ধি সম্পন্ন, ৰাজনীতিক ব্যক্তি। তদুপৰি মানুহ হ'ল এক আধ্যাত্মিক সত্তা, যাৰ জীৱনত এক ঐশ্বৰিক উদ্দেশ্য সাধনৰ লক্ষ্য আছে।

১৫.৩ লৌকিক জীৱনত ব্যৱহৃত ভাষা আৰু শব্দবোৰ ধৰ্মীয় প্ৰসঙ্গত প্ৰয়োগ

সাধাৰণতে লৌকিক জীৱনত ব্যৱহৃত ভাষা আৰু শব্দবোৰে এক নিৰ্দ্দিষ্ট অৰ্থ বহন কৰে। পাৰ্থিৱ জগতত ব্যৱহৃত সেই শব্দবোৰ যেতিয়া ধৰ্মীয় জগতত প্ৰয়োগ কৰা হয়, তেতিয়া শব্দবোৰৰ অৰ্থ নিৰূপণ সম্বন্ধে চিন্তা কৰিবলগীয়া হয়। দৈনন্দিন জীৱনত পাৰ্থিৱ বস্তুৰ ক্ষেত্ৰত গুণবাচক পদবোৰ যি অৰ্থত ব্যৱহৃত হয়, সেই ধৰণে উক্ত পদবোৰ ঈশ্বৰৰ প্ৰসঙ্গত ব্যৱহাৰ কৰিব পৰা নাযায়। উদাহৰণ স্বৰূপে, যেতিয়া কোৱা হয় যে 'ঈশ্বৰ ডাঙৰ বা মহান, তেতিয়া আমি এই পদৰ অৰ্থ বিচাৰি নিশ্চয় নেভাবোঁ যে ঈশ্বৰে বিশাল ঠাই বা দেশ আগুৰি থাকে। সেয়েহে যেতিয়া পৰিচিত ধৰ্মনিৰপেক্ষ শব্দবোৰ ঈশ্বৰ বিশ্বাসৰ প্ৰসঙ্গত প্ৰয়োগ কৰা হয় তেতিয়া অৰ্থবো বহুত পৰিবৰ্তন হয়।

যেতিয়া কোনোশব্দ ধৰ্মনিৰপেক্ষ আৰু ঘৰ্মীয় উভয় প্ৰসঙ্গতে প্ৰয়োগ হয়, তেতিয়া ইয়াৰ লৌকিক বা ধৰ্মনিৰপেক্ষ অৰ্থটো মৌলিক বুলি বিবেদিত হয়, কাৰণ ই প্ৰথমে বিকাশ লাভ কৰিছে আৰু শব্দটোৰো নিজস্ব সংজ্ঞা নিৰ্ধাৰিত হৈছে। সাধাৰণতে 'মঙ্গল', 'সদায়', 'ক্ষমাশীল', 'শুনা', 'কোৱা' আদি শ্বদবোৰ প্ৰয়োগিক দিশত দৈনন্দিন জীৱনত সমস্যাৰ সৃষ্টি নকৰে, কিন্তু ঈশ্বৰৰ ক্ষেত্ৰত এই শব্দবোৰৰ প্ৰয়োগে নানা ধৰণৰ সমস্যাৰ সৃষ্টি কৰে।

১৫.৪ ধৰ্মীয় ভাষাজনিত 'সাদৃশ্যমূলক মতবাদ'

লৌকিক ভাষাৰ ধৰ্মীয় ক্ষেত্ৰত প্ৰয়োগৰ ফলত উদ্ভৱ হোৱা সমস্যাৰ সমাধানাৰ্থে মধ্যযুগীয় দাৰ্শনিক চেইণ্ট থমাচ একুইনাচে এক মতবাদৰ উপস্থাপন কৰিছিল, যি সাদৃশ্যমূলক মতবাদ হিচাপে পৰিগণিত। দুটা গ্ৰীক শব্দ 'Ana' (অনুসাৰে) আৰু 'Logos' (অনুপাত)ৰ সমাহাৰ analogy বা সাদৃশ্য শব্দটোৱে; নিজস্ব সত্তা আৰু মৌলিকতাৰ ক্ষেত্ৰত সমানুপাতিক অনুৰূপতা ৰক্ষা কৰাকে বুজায়। একুইনাচৰ মতানুসৰি যেতিয়া 'কল্যানময়' বা 'ভাল' শব্দটো সৃষ্ট জীৱ আৰু ঈস্বৰ উভয়ৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়, তেতিয়া অৱশ্যে শব্দটো একেই অৰ্থত উভয় ক্ষেত্ৰত প্ৰয়োগ কৰা নহয়। মানুহ যি অৰ্থত 'ভাল' হ'ব পাৰে, সেই একেই অৰ্থত ঈশ্বৰৰ ক্ষেত্ৰত 'ভাল' শব্দটো প্ৰয়োগ নহয়। অন্যহাতে, 'ভাল' বিশেষণটো যেতিয়া ঈশ্বৰ আৰু মানুহৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়, তেতিয়া সম্পূৰ্ণ ভিন্ন আৰু পাৰস্পৰিক সম্পৰ্কবিহীন অৰ্থতো ব্যৱহাৰ কৰা নহয়।

১৫.৫ গুণবাচক শব্দবোৰ স্ৰষ্টা আৰু সৃষ্ট জীৱৰ ক্ষেত্ৰত একে অৰ্থ আৰু ভিন্নঅৰ্থত প্ৰয়োগ নহয়, সাদৃশ্যমূলক অৰ্থতহে প্ৰয়োগ হয় ঃ

একুইনাচৰ মতে, গুণবাচক বিশেষণ, যেনে- 'কল্যানময়' শব্দটো জীৱৰ স্ৰষ্টা আৰু সৃষ্ট জীৱৰ ক্ষেত্ৰত একেই অৰ্থত বা ভিন্ন অৰ্থত প্ৰযোজ্য নহয়, সাদৃশ্যাত্মক ৰূপেহে প্ৰযোজ্য হয়। আমি সময় সাপেক্ষে পোহনীয়া কুকুৰক বিশ্বাসী বুলি কওঁ আৰু মানুহকো বিশ্বাসী বুলি কওঁ; যদিও ইয়াৰ দ্বাৰা মানুহ আৰু কুকুৰৰ মাজত আচৰণৰ তুলনা কৰাটো নুবুজায়। গতিকে পাৰ্থক্যৰ মাজত যেনেকৈ সাদৃশ্য আছে, তেনেকৈয়ে সাদৃশ্যৰ মাজতো পাৰ্থক্য আছে, যাৰ কাৰণে একুইনাচে দুটা ভিন্ন প্ৰসঙ্গত একেই শব্দৰ সাদৃশ্যমূলক ব্যৱহাৰৰ মত প্ৰদৰ্শন কৰিছিল।

১৫.৬ ঊৰ্ধমুখী সাদৃশ্য হ'ল মানুহৰ পৰা ঈশ্বৰৰ দিশলৈ গতি কৰা সাদৃশ্য ঃ

একুইনাচৰ মতে, সাদৃশ্য যেতিয়া ঊৰ্ধমুখী হয়, অৰ্থাৎ মানুহৰ পৰা ঈশ্বৰৰ দিশলৈ গতি কৰে, তেতিয়া পৰিস্থিতিৰ সম্পূৰ্ণ পৰিৱৰ্তন ঘটে। আমি নিজে পোন-পটীয়াকৈ উপলব্ধি কৰা সততা, প্ৰেম, জ্ঞান আদি গুণবোৰ হ'ল প্ৰকৃতাৰ্থত, তুলনামূলকভাৱে, ঈস্বৰত বিদ্যমান হোৱা সেই নিখুত গুণবোৰৰ ক্ষীণ ছায়া মাত্ৰ। আমি ঈশ্বৰত বিদ্যমান হোৱা নিখুত গুণবোৰ সাদৃশ্যৰ মাধ্যমেৰেহে জানো। যেতিয়া ঈশ্বৰ কল্যাণময় বুলি কোৱা হয়, তেতিয়া আমি ক'বলৈ বিচাৰো যে, অসীম পূৰ্ণ সত্তা ঈশ্বৰৰ এনে এক গুণ আছে, যিটোক আমি মানুহৰ স্তৰত 'ভাল' বা 'কল্যানময়' বুলি কওঁ।

১৫.৭ ঈশ্বৰৰ গুণৰাজিৰ জ্ঞান অসম্ভৱ

ঈশ্বৰ যিহেতু আমাৰ দৃষ্টিৰ অগোচৰ, প্ৰশ্ন হয়, ঈশ্বৰ যে কল্যাণময় আৰু অন্যান্য গুণৰ অধিকাৰী সেই বিষয়ে আমি কেনেকৈ অৱগত হ'ম? আমি কিদৰে সম্পূৰ্ণ কল্যাণ আৰু সমূৰ্ণ জ্ঞানৰ বিষয়ে জানিব পাৰিম? ইয়াৰ প্ৰত্যুত্তৰত একুইনাচে আমিএইবোৰৰ বিষয়ে জ্ঞাত নহওঁ বুলি মন্তব্য কৰিছে। সাদৃশ্যমূলক মতবাদে ঈশ্বৰৰ সম্পূৰ্ণতা সম্পৰ্কীয় মূৰ্ত চৰিত্ৰ প্ৰকাশ নকৰে।

১৫.৮ সাদৃশ্যমূলক মতবাদ আৰু ঈশ্বৰৰ গুণ প্ৰকাশ

সাদৃশ্যমূলক মতবাদে প্ৰধানকৈ কোনো শব্দ বা শব্দসমষ্টি মানুহৰ ক্ষেত্ৰত আৰু ঈশ্বৰৰ ক্ষেত্ৰত প্ৰয়োগ কৰোঁতে, সেই শব্দবোৰৰ বিভিন্ন অৰ্থৰ মাজত থকা সম্পৰ্ককহে লক্ষ্য কৰে। সাদৃশ্য অনন্ত ঈশ্বৰৰ প্ৰকৃতি আৱিষ্কাৰক আহিলা মাত্ৰ নহয়। চেইণ্ট একুইনাচে, সাদৃশ্যৰ আলমত, যিজন ঈশ্বৰৰ অস্তিত্ব ইতিপূৰ্ব অনুমান কৰি লোৱা হৈছে, সেই ঈশ্বৰৰ ক্ষেত্ৰত গুণবাচক পদবিলাক কি ভাৱে ব্যৱহৃত হৈছে, সেই বিষয়ে সঠিক বৰ্ণনা আগবঢ়াবলৈ প্ৰয়াস কৰা পৰিলক্ষিত হয়।



অগ্ৰগতি নিৰীক্ষণ

১। থমাচ একুইনাচৰ প্ৰসিদ্ধ গ্ৰন্থখনৰ নাম লিখক।

২। থমাচবাদে কি কি বিষয় সন্নিবিষ্ট কৰিছিল?

৩। যেতিয়া কোনো শব্দ ধৰ্মনিৰপেক্ষ আৰু ধৰ্মীয় অৰ্থত প্ৰয়োগ হয়, তেতিয়া কোনটো অৰ্থ মৌলিক বুলি ধৰ্য্য কৰা হয়?

৪। Analogy শব্দটো কোন দুটা গ্ৰীক শব্দৰ সমাহাৰ?

৫। শুদ্ধ উত্তৰটো বাছি উলিৱাওক ঃ

(ক) যেতিয়া কোনো শব্দ ধম''নিৰপেক্ষ আৰু ধৰ্মীয় উবয় প্ৰসঙ্গতে প্ৰয়োগ হয়, তেতিয়া ইয়াৰ ধৰ্মনিৰপেক্ষ অৰ্থটো মৌলিক বুলি বিবেচিত হয়। (শুদ্ধ/অশুদ্ধ)

(খ) মানুহ যি অৰ্থত 'ভাল', সেই একেই অৰ্থত ঈশ্বৰৰ ক্ষেত্ৰত 'ভাল' শব্দটো প্ৰয়োগ নহয়। (শুদ্ধ/অশুদ্ধ)

(গ) 'ভাল' বিশেষণটো যেতিয়া ঈশ্বৰ আৰু মানুহৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়, তেতিয়া স্মপূৰ্ণ ভিন্ন অৰ্থত প্ৰয়োগ কৰা হয়। (শুদ্ধ/অশুদ্ধ)

(ঘ) দেনন্দিন জীৱনত ব্যৱহৃত গুণবাচক শব্দবোৰ ঈশ্বৰৰ প্ৰসঙ্গতো ব্যৱহাৰ কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

৬। খালী ঠাই পূৰণ কৰক ঃ

(ক) Analogy হ'ল ------ আৰু ------ ৰ সমাহাৰ।

(খ) থমাচ একুইনাচৰ মতে, মানুহ হ'ল এক ------ আৰু ------ সত্তা।

(গ) থমাচ একুইনাচৰ মতবাদটো ------ হিচাপে পৰিগণিত।

৭। একুইনাচৰ মতে 'কল্যাণময়' শব্দটো জীৱৰ স্ৰষ্টা আৰু সৃষ্ট জীৱৰ ক্ষেত্ৰত কি ৰূপত প্ৰযোজ্য হয়?

৮। একুইনাচৰ মতে দুটা ভিন্ন প্ৰসঙগ্ত একেই শব্দ কেনে ধৰণে প্ৰয়োগ কৰিব পাৰি?

৯। একুইনাচৰ মতে উৰ্ধমুখী সাদৃশ্য কাক কয়?

১০। শুদ্ধ উত্তৰটো বাছি উলিৱাওক ঃ

(ক) একুইনাচৰ মতে পাৰ্থক্যৰ মাজত সাদৃশ্য আছে, আৰু সাদৃশ্যৰ মাজতো পাৰ্থক্য আছে। (শুদ্ধ/অশুদ্ধ)

(খ) সাদৃশ্য যেতিয়া উৰ্ধমুখী হয়, তেতিয়া পৰিস্থিতিৰ পৰিৱৰ্তন নঘটে। (শুদ্ধ/অশুদ্ধ)

(গ) মানুহে উপলব্ধি কৰা সততা, প্ৰেম ইত্যাদি গুণবোৰ হ'ল ঈশ্বৰত বিদ্যমান হোৱা সেই নিখুত গুণবোৰৰ ক্ষীণ ছায়া মাত্ৰ। (শুদ্ধ/অশুদ্ধ)

১১। খালী ঠাই পূৰণ কৰক ঃ

(ক) একুইনাচৰ মতে গুণবাচক বিশেষণবোৰ জীৱৰ স্ৰষ্টা আৰু সৃষ্ট জীৱৰ ক্ষেত্ৰত ------ প্ৰযোজ্য।

(খ) একুইনাচৰ মতে, সাদৃশ্য যেতিয়া উৰ্ধমুখী হয়, তেতিয়া ------।

১২। একুইনাচৰ মতে, বহু গুণৰ অধিকাৰী ঈশ্বৰক আমি কিদৰে জানিম?

১৩। শুদ্ধ উত্তৰটো বাছি উলিৱাওক ঃ

(ক) সাদৃশ্যৰ যোদেগি অনন্ত ঈশ্বৰৰ প্ৰকৃতি আৱিষ্কাৰ কৰিব নোৱাৰি। (শুদ্ধ/অশুদ্ধ)

(খ) সাদৃশ্যমূলক মতবাদে কোনো শব্দ মানুহ বা ঈশ্বৰৰ ক্ষেত্ৰত প্ৰয়োগ কৰোঁতে, সেই শব্দবোৰৰ বিভিন্ন অৰ্থৰ মাজত থকা সম্পৰ্ককহে লক্ষ্য কৰে। (শুদ্ধ/অশুদ্ধ)

১৪। খালী ঠাই পূৰণ কৰক ঃ

(ক) সাদৃশ্য অনন্ত ঈশ্বৰৰ ------ আহিলা নহয়।

(খ) একুইনাচৰ মতে, মানুহ সম্পূৰ্ণ কল্যাণ আৰ সম্পূৰ্ণ জ্ঞানৰ বিষয়েত ------।



১৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ ঃ

- চেইণ্ট থমাচ একুইনাচৰ মতে, ঈশ্বৰ হ'ল এই পৃথিৱীৰ বিভিন্ন স্তৰৰ জীৱৰ স্ৰষ্টা, পৃথিৱীৰ আতি কাৰণ, পৰম সত্য আৰু পৰম মঙ্গল।

- একুইনাচৰ দর্সন অথবা থমাচবাদে ঈশ্বৰতত্ব, অধিবিদ্যাৰ মতবাদ, অহিতৰ মতবাদ, নীতিশাস্ত্র আদি জ্ঞানৰ বিভিন্ন বিষয় বস্তুৰ বিষয়ে আলোচনা কৰিছিল।
- দেখা যায়, দৈনন্দিন জীৱনত গুণবাচক পদবোৰ যি অর্থত ব্যৱহৃত হয়, উক্ত পদবোৰ সেইধৰণে ঈশ্বৰৰ প্রসঙ্গত ব্যৱহৃত নহয়।
- সচৰাচৰ দৈনন্দিন জীৱনত ব্যৱহৃত শব্দবোৰ, যেনে- 'মঙ্গল', 'সদায়', 'ক্ষমাশীল', 'শুনা', 'কোৱা', যেতিয়া প্রয়োজন সাপেক্ষে ঈশ্বৰৰ প্রসঙ্গত ব্যৱহাৰ কৰা যায়, তেতিয়া সমস্যাৰ উদ্ভৱ হয়।
- একুইনাচে লৌকিক শব্দবোৰৰ ধৰ্মীয় প্রয়োগে সৃষ্টি কৰা সমস্যা সমাধান কৰিবলৈ 'সাদৃশ্যমূলক মতবাদ' প্রৱর্তন কৰিছিল।
- গুণবাচক বিশেষণ, যেনে, 'কল্যাণময়' শব্দটো জীৱৰ শ্রষ্টা আৰু সৃষ্ট জীৱৰ ক্ষেত্রত একে বা ভিন্ন অর্থত প্রয়োগ নহয়, সাদৃশ্যাত্মক ৰূপেহে প্রযোজ্য।
- আমি উপলব্ধি কৰা সততা, প্রেম, জ্ঞান আদি গুণবোৰ ঈশ্বৰত বিদ্যমান হোৱা সেই নিখুঁত গুণবোৰৰ ক্ষীণ ছায়া মাত্র।
- ঈশ্বৰ কল্যাণময় বুলি কোৱাৰ অর্থ হ'ল যে অসীম পূর্ণ সত্তা ঈশ্বৰৰ এন এক গুণ আছে, যিটোক আমি মানুহৰ স্তৰত ভাল বা কল্যাণময় বুলি কওঁ।
- সম্পূর্ণ কল্যাণ আৰু সম্পূর্ণ জ্ঞান বিষয়ত আমি অজ্ঞ।
- একুইনাচে সাদৃশ্যৰ আলমত অস্তিত্বশীল ঈশ্বৰৰ ক্ষেত্রত গুণবাচক পদবোৰ কিদৰে ব্যৱহৃত হৈছে, এই বিষয়ে বর্ণনা কৰিবলৈ প্রয়াস কৰিছে।

১৫.১০ অধিক জানিবলৈ ঃ

1. **John H.Hick (1981) :** Philosophy of Religion :Prentice Hall of IndiaPrivate Limited, New Dehli.
2. **Y Masiah (1971) :** Introduction to Religious Philosophy : Matilal Banarsidass, Dehli.
3. **জোৎস্না ভট্টাচার্য্য (২০১১) ঃ** ধর্ম দর্শন ঃ বুক এম্পেৰিয়াম, গুৱাহাটী।
4. **Professor Lavine (1984) :** From Socrates to Sartre : The Philosophie Quest : A Bantam Books, New York.
5. **বিশ্বকোষ (দশম খণ্ড, ২০০৯) ঃ** অসম সাহিত্য সভা, যোৰহাট।

১৫.১১ অগ্রগতিৰ খতিয়ান ঃ

১। উত্তৰ ঃ

থমাচ একুইনাচৰ প্রসিদ্ধ গ্রন্থখনৰ নাম হ'ল 'Summa Theologiae'.

২। উত্তৰ ঃ

থমাচবাদে ঈশ্বৰতত্ব, অধিবিদ্যামূলক মতবাদ, অহিতৰ মতবাদ, আইনৰ মতবাদ, নীতিশাস্ত্র, মনোবিজ্ঞান আৰু ৰাজনীতিৰ জ্ঞান সন্নিবিষ্ট কৰিছিল।

৩। উত্তৰ ঃ

যেতিয়া কোনো শব্দ ধৰ্মনিৰপেক্ষ আৰু ধৰ্মীয় অর্থত প্রয়োগ কৰা হয়, তেতিয়া ধৰ্মনিৰপেক্ষ অর্থটো মৌলিক বুলি ধার্য্য কৰা হয়।

৪। উত্তৰ ঃ

Analogy শব্দটো দুটা গ্রীক শব্দ 'Ana' আৰু 'Logos' ৰ সমাহাৰ।

৫। উত্তৰ ঃ

(ক) শুদ্ধ(খ) শুদ্ধ(গ) অশুদ্ধ (ঘ) অশুদ্ধ

৬। উত্তৰ ঃ

(ক) 'Ana' আৰু 'Logos' (খ) প্রাকৃতিক আৰু আধ্যাত্মিক

(গ) ঐশ্বৰিক উদ্দেশ্য সাধনৰ (ঘ) সাদৃশ্যমূলক মতবাদ

৭। উত্তৰ ঃ

একুইনাচৰ মতে 'কল্যাণময়' শব্দটো জীৱৰ স্রষ্টা আৰু সৃষ্ট জীৱৰ ক্ষেত্রত সাদৃশ্যাত্মক ৰূপেহে প্রযোজ্য হয়।

৮। উত্তৰ ঃ

একুইনাচৰ মতে দুটা ভিন্ন প্রসঙ্গত একেই শব্দ সাদৃশ্যমূলকভাৱে প্রয়েগ কৰিব পাৰি।

৯। উত্তৰ ঃ

একুইনাচৰ মতে উর্ধমুখী সাদৃশ্য হ'ল, মানুহৰ পৰা ঈশ্বৰৰ দিশলৈ গতি কৰা সাদৃশ্য।

১০। উত্তৰ ঃ

(ক) শুদ্ধ(খ) অশুদ্ধ (গ) শুদ্ধ

১১। উত্তৰ ঃ

(ক) সাদৃশ্যাত্মক ৰূপেহে (খ) পৰিস্থিতিৰ সম্পূর্ণ পৰিৱর্তন ঘটে

১২। উত্তৰ ঃ

একুইনাচৰ মতে ঈশ্বৰ যে বহু গুণৰ অধিকাৰী, এই বিষয়ে আমি অজ্ঞ।

১৩। উত্তৰ ঃ

(ক) শুদ্ধ(খ) শুদ্ধ

১৪। উত্তৰ ঃ

(ক) প্ৰকৃতি আৰিষ্কাৰৰ (খ) অজ্ঞাত



১৫.১২ আৰ্হি প্ৰশ্ন ঃ

১। বস্তুধৰ্ম প্ৰশ্ন ঃ

(ক) একুইনাচে কোনজন দাৰ্শনিকৰ দৰ্শন পূনৰুদ্ধাৰ কৰিছিল ?

(খ) Analogy শব্দটোৱে কি বুজায় ?

(গ) যেতিয়া 'ভাল' বিশেষণটো ঈশ্বৰ আৰু মানুহৰ ক্ষেত্ৰত প্ৰয়োগ কাৰ হয়, তেতিয়া কেনে অৰ্থত প্ৰয়োগ কৰা নহয় ?

(ঘ) ঈশ্বৰত বিদ্যমান হোৱা নিখুত গুণবোৰ কিদৰে জানিব পাৰোঁ ?

২। ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত লিখক) ঃ

(ক) থমাচ একুইনাচে সাদৃশ্যমূলক মতবাদ উদ্ভাৱন কৰি কিদৰে ধৰ্মীয় ভাষাজনিত সমস্যাৰ সমাধান কৰিছিল, এই বিষয়ে বহলাই আলোচনা কৰক।

*** **** ***

প্রসংগ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) **জোৎস্না ভট্টাচার্য্য (২০১১) ঃ** ধর্ম দর্শন ঃ বুক এম্পোৰিয়াম, গুৱাহাটী।

২) **বিশ্বকোষ (দশম খণ্ড, ২০০৯) ঃ** অসম সাহিত্য সভা, যোৱহাট।

ইংৰাজী গ্ৰন্থ ঃ

1. Thilly, Frank, A History of Philosophy, Central Publishing House, Allahabad.
2. Masih, Y., A Critical History of Western Philosophy (Greek, Medieval, Modern), Motilal Banarsidass Publishers private limited, Delhi.
3. Wright, M.R., Introducing Greek Philosophy, Routledge.
4. Allen, E. Reginald, Greek Philosophy Thales to Aristotle (Readings in the History of Philosophy), The Free Press, New York.
5. Stace, W. T.: A Critical History of Greek Philosophy
6. Burnet, John : Early Greek Philosophy
7. Feldman, Richard. (2003). Epistemology. Prentice-Hall, Upper Saddle River.
8. Russell, Bertrand.(2004). History of Western Philosophy. London, Routledge Classics
9. Aristotle, The basic works of Aristotle, Ed. Richard Mckeon. New York : Random House, 1941
10. The Internet Encyclopedia of philosophy.
11. Wolfson H.A. Creseas Critique of Aristotle 1929